www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

প্ৰথম বছৰ | সংখ্যা- ১২৮ | বুধবাৰ | ১৮ ফেব্ৰুৱাৰী, ২০২৬ চন | Volume/Year- I | Issue- 128 | Wednesday | 18th February, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

সপোন দেখি ছবি আঁকি থকা শিল্পীৰ দ্বাৰা আজি আমাৰ কাম নহয়। নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে। — জ্যোতিপ্ৰসাদ আগৰৱালা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

■ বিধায়ক হ'বলৈ বিজেপিলৈ অহা নাই ভূপেন বৰা ঃ মুখ্যমন্ত্ৰী ■

## ২২ ফেব্ৰুৱাৰীত বিজেপিত যোগদান কৰিব ভূপেন বৰাই

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৭ ফেব্ৰুৱাৰী ঃ** ৰাজ্য ৰাজনীতিত তাৎক্ষণিক চাঞ্চল্যৰ সৃষ্টি কৰি কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ভূপেন বৰাই ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ত যোগদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সিদ্ধান্তৰ পাছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা গুৱাহাটীৰ ঘোঁৰামাৰাস্থিত ভূপেন বৰাৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ সৈতে দীৰ্ঘ আলোচনা কৰে। দুয়োগৰাকী নেতাৰ মাজত অনুষ্ঠিত বৈঠকত ভৱিষ্যৎ ৰাজনৈতিক কৰ্মপন্থা আৰু বিজেপিত যোগদানৰ পৰৱৰ্তী পৰিকল্পনা সম্পৰ্কে গুৰুত্বপূৰ্ণ আলোচনা হোৱা বুলি জানিব পৰা গৈছে। পিছত আয়োজিত সংবাদমেলত ❑ ৬ পৃষ্ঠাত



অসমৰ প্ৰতি গৰাকী লোকৰ মূৰৰ ওপৰত থকা ঋণৰ বোজা ৩৯ হাজাৰ ৭১৯ টকা

## দেশৰ ভিতৰত অন্যতম কম ঋণগ্ৰস্ত ৰাজ্য অসম

❑ বিধানসভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিক্ৰিয়া
❑ ঋণ নিয়ন্ত্ৰণ আৰু উন্নয়নৰ দাবীত মুখ্যমন্ত্ৰীৰ বক্তব্য



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৭ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভাৰ বাজেট (লেখানুদান) অধিৱেশনৰ দ্বিতীয় দিনা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঋণৰ প্ৰসংগত গুৰুত্বপূৰ্ণ ❑ ৬ পৃষ্ঠাত

উন্নয়নৰ খতিয়ান দি দাবী; উত্তৰ-পূৰ্বাঞ্চলৰ কৃষক-উদ্যোগী লাভান্বিত হ'ব

## মোদী চৰকাৰে কেতিয়াও খেতিয়কৰ স্বাৰ্থ বিসৰ্জন দিয়া নাই ঃ সৰ্বানন্দ সোণোৱাল

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৭ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত সংবাদমেল যোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ ১১ ❑ ৬ পৃষ্ঠাত

■ ৪ মাহৰ বাবে বাজেটত প্ৰয়োজনীয় ধন নিৰ্ধাৰণ ■

## বিধানসভাত ২০২৬-২৭ বৰ্ষৰ লেখানুদান দাখিল অজন্তা নেওগৰ

❑ দ্ৰুততম বিকাশশীল ৰাজ্য হিচাপে পৰিগণিত হৈছে অসম
❑ অৰ্থনৈতিক জৰীপ ২০২৬-২৭ বৰ্ষত ১৬.৯৩ শতাংশলৈ বৃদ্ধি

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৭ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰৰ কাৰ্যকালৰ শেষটো বাজেট হিচাপে মঙলবাৰে অসম বিধানসভাত অন্তৰ্বৰ্তীকালীন লেখানুদান দাখিল কৰা হৈছে। পূৰ্ণাংগ বাজেটৰ পৰিৱৰ্তে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ ❑ ৬ পৃষ্ঠাত

যোৱা ৫ টা বছৰত ৩.২৫ শতাংশলৈ বিত্তীয় আয় বৃদ্ধি

কাৰ্বি আংলঙত দ্বিতীয় সৈনিক স্কুল স্থাপনৰ অনুমোদন

## চাহ শ্ৰমিকৰ সন্তানলৈ ৩ শতাংশ সংৰক্ষণ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৭ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভাৰ চলিত অধিৱেশনৰ দ্বিতীয় দিনা বিধানসভা চৌহদত অনুষ্ঠিত হয় ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত সামাজিক ন্যায়, শিক্ষা, ভূমি আৰু উন্নয়নমূলক ❑ ৬ পৃষ্ঠাত

গ্ৰেড-১ আৰু গ্ৰেড-২ চাকৰিত কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত



### আজিৰ কলম

## গভীৰ ঋণৰ বোজা বৈ কুঁজা হোৱা আমাৰ শাসকীয় চৰকাৰ



শৰৎ চন্দ্ৰ চিৰিংফুকন

**ধাৰ**-ঋণত ডুব গৈ কৰা যিকোনো কামৰ মাজতেই ক্ষন্তেকীয়া তৃপ্তি ❑ ৬ পৃষ্ঠাত

## বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে মুখ্য নিৰ্বাচনী আয়ুক্তক কংগ্ৰেছ নেতৃত্বৰ সাক্ষাৎ

❑ নিৰ্বাচন আয়োগৰ প্ৰতিনিধি দলৰ সৈতে অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰতিনিধি দলৰ গুৰুত্বপূৰ্ণ বৈঠক ❑




**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৭ ফেব্ৰুৱাৰী ঃ** অসমত আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে তিনিদিনীয়া ভ্ৰমণসূচীৰে অহা দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্ত (চিইচি) জ্ঞানেশ কুমাৰৰ সৈতে মঙলবাৰে গুৱাহাটীত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ (এপিচিচি) এটা প্ৰতিনিধি দলে ❑ ৬ পৃষ্ঠাত

২০২৪ৰ গণ-বিদ্ৰোহৰ পিছত প্ৰথম নিৰ্বাচিত চৰকাৰ

## বাংলাদেশৰ নতুন প্ৰধানমন্ত্ৰী তাৰিক ৰহমান আৰু সাংসদসকলৰ শপত গ্ৰহণ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৭ ফেব্ৰুৱাৰী ঃ** বাংলাদেশৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে তাৰিক ৰহমানে মঙলবাৰে শপত গ্ৰহণ কৰে। ইয়াৰ লগে লগে সাংসদসকলেও জাতীয় সংসদত শপত লয়। ২০২৪ চনৰ ছাত্ৰ-নেতৃত্বাধীন গণ-বিদ্ৰোহৰ পিছত এইটোৱেই প্ৰথম নিৰ্বাচিত চৰকাৰ গঠনৰ ঐতিহাসিক মুহূৰ্ত। শ্বেখ হাছিনাৰ ❑ ৬ পৃষ্ঠাত



কলগাছিয়াৰ বামুণটাৰিত অখিল গগৈৰ উপস্থিতিত বিশাল জনসভা

## ৰাইজৰ দলত আনুষ্ঠানিকভাৱে যোগদান বিধায়ক শ্বেৰমান আলীৰ



**অসম বাৰ্তা, জনীয়া, ১৭ ফেব্ৰুৱাৰী ঃ** বিধানসভা নিৰ্বাচনৰ দিন চুমু চাপি অহাৰ লগে লগে ৰাজ্যৰ প্ৰতিটো ৰাজনৈতিক দলে নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈ নিৰ্বাচনী কুচকাৱাজ ❑ ৬পৃষ্ঠাত

এচিএছত নিহাৰ ৰঞ্জন ডেকা আৰু এপিএছত ভাস্কৰ জ্যোতি মেধিৰ শীৰ্ষস্থান

## বিতৰ্কৰ অৱসান ঘটাই CCE-২০২৪ৰ সংশোধিত ফলাফল ঘোষণা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ ফেব্ৰুৱাৰী ঃ** অৱশেষত সকলো জল্পনা-কল্পনাৰ অৱসান ঘটাই অসম লোকসেৱা আয়োগ (এ পি এছ চি)-এ সংযুক্ত প্ৰতিযোগিতা-মূলক পৰীক্ষা ❑ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকৰ পিছতেই বিজেপিত যোগদান ঘোষণা

## মই APCC(R)ত নাথাকোঁ...! কংগ্ৰেছৰ অভ্যন্তৰীণ বিভাজন উদঙালে ভূপেন বৰাই


❑ পদত্যাগ পুনৰ বিবেচনা নকৰাৰ কথা ঘোষণা
❑ 'R'-ৰ বাবেই ২০২৪ চনৰ উপ-নিৰ্বাচনত অংশগ্ৰহণ কৰিব নোৱাৰিলে ভূপেন বৰাই

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৭ ফেব্ৰুৱাৰী ঃ** অসম কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ভূপেন বৰাই দলত্যাগৰ সিদ্ধান্তত অটল থকাৰ কথা স্পষ্ট কৰি কয় যে তেওঁ APCC(R)-ত থাকিব নিবিচাৰে। 'R' অৰ্থাৎ ৰকিবুল হুছেইনৰ নেতৃত্বাধীন অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ (APCC-R) অংশ হৈ থাকিব নোৱাৰে বুলি তেওঁ তীব্ৰ অভিযোগ উত্থাপন কৰিছে। ৰাহুল গান্ধীৰ ❑ ৬ পৃষ্ঠাত



## বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনৰ দুদিনীয়া অসম ভ্ৰমণ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ ফেব্ৰুৱাৰী ঃ** সমাগত ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে শাসক দল বিজেপিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ ❑ ৬ পৃষ্ঠাত



# ১৭ ফেব্ৰুৱাৰীৰ পৰা নগাঁৱৰ কন্দলীত ঐতিহাসিক বাদুলী খোৰোং মেলা

**অসম বাৰ্তা, পুৰণিগুদাম, ১৭ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ দক্ষিণ-পূব প্ৰান্তত অৱস্থিত ইতিহাসপ্ৰসিদ্ধ কন্দলী পাহাৰত ১৭ ফেব্ৰুৱাৰীৰ পৰা ১৯ ফেব্ৰুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক বাদুলী খোৰোং মেলাৰ আয়োজন কৰা হৈছে। ২৬ তম ঐতিহাসিক শ্ৰীশ্ৰী বাদুলি থান (খোৰোং) মেলা উদ্‌যাপন সমিতিৰ উদ্যোগত ছোট কন্দলী পাহাৰত অনুষ্ঠিত হ'বলগীয়া বাদুলী খোৰোং মেলাৰ কাৰ্যসূচী অনুসৰি ১৭ ফেব্ৰুৱাৰীৰ পুৱা ৭ বজাত পতাকা উত্তোলন কৰিব মেলা উদযাপন সমিতিৰ সভাপতি নবীন চন্দ্ৰ গগৈয়ে, পুৱা ৮ বজাত বন্তিপ্ৰজ্বলন কৰিব মেলা উদযাপন সমিতিৰ সাধাৰণ সম্পাদক উজ্জ্বল বৰদলৈয়ে, ৯.৩০ বজাত জনজাতি কলা-কৃষ্টি প্ৰদৰ্শনৰ অন্তত বাদুলী খোৰোঙৰ দ্বাৰ উন্মোচন কৰিব মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব লগা নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই। ইয়াৰ পিছতে বাদুলী খোৰোং প্ৰদৰ্শন আৰু দুপৰীয়া নাম-কীৰ্তন পৰিৱেশন কৰিব ভুমুক গাঁও দিহানাম দল আৰু পুৰণি হাবিগাঁও দিহানাম দলে। বিয়লি ১ বজাত প্ৰসাদ বিতৰণ কৰা হ'ব। বিয়লি ৪ বজাত বন্তি প্ৰজ্বলন কৰিব মেলা উদ্‌যাপন সমিতিৰ সহকাৰী সম্পাদক অজন বসুমতাৰীয়ে। ১৮ ফেব্ৰুৱাৰীৰ পুৱা ৭ বজাত সমিতিৰ দ্বাৰা চৌহদ চাফাই, পুৱা ৯ বজাত খোৰোঙ প্ৰদৰ্শন, ১০ বজাৰ পৰা কুৱৰীচুক পামতলি গাঁৱৰ দিহানাম দলৰ দ্বাৰা নাম-কীৰ্তন পৰিৱেশনৰ অন্তত প্ৰসাদ বিতৰণ কৰা হ'ব। বিয়লি ১ বজাত একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি বন্তি প্ৰজ্বলনেৰে দ্বিতীয় দিনৰ কাৰ্যসূচী অন্ত পৰিব। ১৯ ফেব্ৰুৱাৰীৰ পুৱা ৭ বজাত সমিতিৰ দ্বাৰা চৌহদ চাফাই, পুৱা ৮ বজাত খোৰোঙ প্ৰদৰ্শন, ১০ বজাত নিবুকালি নৱজ্যোতি দিহানাম দলৰ দ্বাৰা নাম-কীৰ্তন আৰু ইয়াৰ অন্তত প্ৰসাদ বিতৰণ কৰা হ'ব। বিয়লিলৈ মেলাৰ সামৰণি পৰিব। উল্লেখযোগ্য যে, প্ৰতি বছৰে শিৱৰাত্ৰীৰ এদিনৰ পাছতে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অতি উলহ-মালহেৰে উদযাপন কৰি অহা এই মেলালৈ জনতাৰ লানি নিছিগা সোঁত বয়। বিভিন্ন জনবিশ্বাস আৰু কিংবদন্তীৰে ভৰা কন্দলী পাহাৰৰ বুকুত থকা বিস্ময়কৰ এটি শিলৰ গুহাত বছৰ বছৰ ধৰি বসবাস কৰি আহিছে হাজাৰ-হাজাৰ বিভিন্ন ৰং-বিৰঙৰ বাদুলী। এই শিলৰ গুহাটোক কেন্দ্ৰ কৰি বিগত ২০০১ চনৰ পৰা অনুষ্ঠিত হৈ আহিছে বাদুলী খোৰোং মেলা। প্ৰতিবছৰে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা বাদুলী খোৰোং মেলালৈ অগণন লোকৰ আগমন হয়। বাদুলী খোৰোং মেলাত ৰং-বিৰঙৰ বিভিন্ন বাদুলী আৰু আশ্চৰ্যকৰ গুহাটো চাবলৈ প্ৰতিবছৰে বহুলোকৰ সমাগম হয়। জনপ্ৰবাদ মতে, প্ৰাকবৈষ্ণৱ যুগত কন্দলীত ৰাণী প্ৰমিলাই ৰাজত্ব কৰা নাৰী ৰাজ্যত এই আশ্চৰ্যকৰ শিলৰ গুহাটো আছিল। সেই ৰাজ্যত কেৱল নাৰীয়েহে বাস কৰিছিল আৰু সেয়েহে ইয়াত পুৰুষৰ প্ৰৱেশ একেবাৰে নিষিদ্ধ আছিল। যদিহে কোনো পুৰুষে গোপনে প্ৰৱেশৰ চেষ্টা কৰে তেন্তে ৰাজ্যৰ নিয়ম অনুসৰি তাক গুৰুতৰ অপৰাধ বুলি গণ্য কৰা হয় আৰু সেই পুৰুষক কঠোৰ শাস্তি প্ৰদানৰ নিয়ম আছিল। এবাৰ এগৰাকী ঋষিয়ে কৌতূহল দমাব নোৱাৰি পুৰুষ অবিহনে নাৰীসকলে গুহাত কি কৰে আৰু কেনেদৰে থাকে তাক চাবৰ কাৰণে গুহাত মনে মনে সোমাওতে ৰাজ্যৰ গুপ্তচৰৰ হাতত ধৰা পৰাত ৰাণী প্ৰমিলাই দোষী ঋষিজনক শিলত ওলোমাই কঠোৰতম শাস্তি প্ৰদান কৰে। তেতিয়া ৰাণী প্ৰমীলা আৰু নাৰীসকলৰ এনে কাৰ্যত লাজে-অপমানে জৰ্জৰিত ঋষিজনে খঙত অগ্নিশৰ্মা হৈ ৰাজ্যৰ সকলো নাৰীকে গুহাৰ শিলত বাদুলী হৈ ওলমি থাকিবলৈ অভিশাপ দিয়াত সকলো নাৰী লগে লগে বাদুলী হৈ গুহাৰ শিলত ওলমি ৰয় আৰু এই গুহাত আজিও আৱদ্ধ হৈ থকা হাজাৰ-বিজাৰ সৰু-বৰ মনোৰম বাদুলীবোৰেই সেই অভিশপ্ত নাৰীসকল বুলি অতীজৰে পৰা মানুহে বিশ্বাস কৰি আহিছে। আনকি বাদুলীবোৰ হেনো ঋষিৰ শাপৰ কাৰণেই গুহাৰ নিৰ্দিষ্ট পৰিধি অতিক্ৰম কৰি কেতিয়াও বাহিৰলৈ নোলায় বা অন্য ঠাইলৈ গুছি নাযায়। জনশ্ৰুতি মতে, গহ্বৰৰ অভ্যন্তৰত বামুণী গোঁসাই থান আছে। পূৰ্বতে হেনো মানুহে বামুণী গোঁসাই থানৰ পথেৰে কন্দলীলৈ অহা-যোৱা কৰিছিল। উল্লেখ্য যে, ক্ৰমান্বয়ে জনতাৰ আকৰ্ষণৰ অন্যতম স্থলীলৈ ৰূপান্তৰিত হৈ পৰা এই বাদুলী খোৰোং মেলালৈ ৰাজ্যৰ বহু দূৰ-দূৰণিৰ পৰা অহা অগণন ভক্তই নিজৰ মনোবাঞ্চা পূৰণৰ অৰ্থে এগছিকৈ বন্তি জ্বলাবলৈ হেতা-ওপৰা লগোৱাৰ উপৰি গুহাত থকা বাদুলীবোৰ স্বচক্ষে চাবৰ বাবে প্ৰচণ্ড ভিৰৰ সৃষ্টি কৰে। বাদুলী খোৰোঙত ওলমি থকা বাদুলীবোৰৰ বিষয়ে বহু কাহিনী শুনিবলৈ পোৱা যায় যদিও বিজ্ঞানসন্মত কোনো তথ্য আজিলৈকে নিৰূপণ হোৱা নাই। ইফালে, স্থানীয় ৰাইজৰ বিশেষ তৎপৰতাত ২০০১ চনৰে পৰা নীৰৱচ্ছিন্নভাৱে প্ৰতি বছৰে ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰি অহা এই মেলাত নগাঁও জিলাৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বহু ভক্তপ্ৰাণ ৰাইজৰ সমাগম হয়। আনহাতে, বাদুলী খোৰোঙৰ কাষতে বিস্তীৰ্ণ এলেকাজুৰি শতাধিক সৰু-বৰ ব্যৱসায় প্ৰতিষ্ঠানৰ অংশগ্ৰহণেৰে বহা এখন হাটে উপস্থিত সকলো লোককে বেছ আকৰ্ষিত কৰিবলৈ সক্ষম হয়। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে সমন্বয়ৰ উৎকৃষ্ট চানেকী দাঙি ধৰি হাঁহি-ধেমালীৰে উক্ত হাটত নিজৰ নিজৰ মন পছন্দৰ সামগ্ৰী ক্ৰয় কৰে। নগাঁৱৰ কন্দলীৰ বাদুলী খোৰোং মেলাৰ তিনিদিনীয়া সকলো কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

## জীত বৰুৱালৈ নটসূৰ্য ফণী শৰ্মা শ্ৰেষ্ঠ অভিনেতাৰ বঁটা

# নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰদান



**অসম বাৰ্তা, হাজো, ১৭ ফেব্ৰুৱাৰী ঃ** নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা (২০২০-২১ বৰ্ষ) কালি শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত অসমৰ ৰাজ্যপাল আচাৰ্য লক্ষ্মণ প্ৰসাদৰ উপস্থিতিত প্ৰদান কৰা হয়। নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটাৰ নটসূৰ্য ফণী শৰ্মা শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰে অভিনেতা জীত বৰুৱাই। অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই এই বঁটাটি প্ৰদান কৰে অভিনেতা জীত বৰুৱাক। "শব্দ নিশব্দ কোলাহল" ছবিত কৰা দুৰ্দান্ত অভিনয়ৰ বাবে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰিছে হাজো গণেশটোলাৰ প্ৰয়াত মুকুট বৰুৱা আৰু কবিতা কলিতা বৰুৱাৰ পুত্ৰ জীত বৰুৱাই। অসমীয়া, হিন্দী, বঙালী আৰু ইংৰাজী ভাষাত দখল থকা জীত বৰুৱাই ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়, চিক্কিম চেণ্টাৰত অধ্যয়ন কৰিছিল। জীত বৰুৱাই ২০১০ চনৰ পৰাই অসমীয়া অভিনয় জগতৰ লগত জড়িত আছে। তেওঁ হিন্দী, অসমীয়া, বেংগলী, নেপালী ভাষাৰ ছবিত ইতিমধ্যে কাম কৰাৰ অভিজ্ঞতা আছে। ইয়াৰোপৰি কেইবাখনো ৱেব-চিৰিজতো অভিনয় কৰিছে জীত বৰুৱাই। বিগত যোল্ল বছৰ ধৰি অভিনয়ৰ লগত জড়িত থকা জীত বৰুৱাই এন এচ ডি চিক্কিম ৰেপিৰেটৰী, চিগাল আৰু গুৱেৰ্নিকা আদি নাট্য-গোষ্ঠীৰ লগত দীৰ্ঘ সময়ৰ অভিনয়ৰ অভিজ্ঞতা আছে। ইয়াৰোপৰি ভিন্ন স্থানত অভিনয় বিদ্যালয়ত অতিথি-শিক্ষক হিচাপে নাটকৰ কৰ্মশালাত প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰি আন দহজনক অভিনয়ৰ অ আ ক খ শিকাইছে। জীত বৰুৱাই অসমীয়া ছবি ক্ৰমে ৰ'দৰ চিঠি, চাকনৈয়া, চাকিৰা আহিব বকুলতলৰ বিহুলৈ, ধম ধমা ধম, গৰু, শব্দ নিশব্দ কোলাহল, চেৰেন ষ্ট্ৰিংচ্, ৰাইন' এ প্ৰেছ, ব্লেক এণ্ড লাইট, দ্য বুডকাটাৰ, নৰা, কাৰেং, দুৱাৰদলি, অ' কলিজা, ইচ্ছাৰ লগতে চুটি-ছবি, ডাক্লিং অৱ্ নকঠা, লেট যি লিভ্ ফৰ টুনাইট্, দ্য ষ্টেপ্ছ্, এডৰিয়েল (বঙালী), মৃত্যুঞ্জয় আদিত অভিনয় কৰিছে। আনহাতে জীত বৰুৱাই জালসাজি (হিন্দী), মাজৰাতি, ৰোমিও ইন জেং আদি ৱেব-চিৰিজত অভিনয় কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। আনহাতে হিন্দী ছবি গৱাহ আৰু পেপাৰ চিকেন-তো অভিনয় কৰিছে জীত বৰুৱাই। চলচিত্ৰ, ৱেব ছিৰিজৰ উপৰিও কেইবাখনো অসমীয়া আৰু হিন্দী নাটকত অভিনয় কৰি দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হোৱা জীত বৰুৱাই বিশেষকৈ ছিগাল থিয়েটাৰত বাহাৰুল ইছলামৰ পৰিচালনাত আকাশ, উঁচাই, ভাগীৰথী বাই কাদমৰ পৰিচালনাত অপেক্ষা, যাত্ৰা, জুলিয়াছ চিজাৰ, হিমাংশু প্ৰসাদ দাসৰ পৰিচালনাত লভিতা-ত অভিনয় কৰিছে। ইয়াৰোপৰি জীত বৰুৱাই অভিনয় কৰা আন কেইখনমান উল্লেখযোগ্য নাটক হৈছে মাৰ্চেণ্ট অৱ ভেনিচ, কাৰেঙৰ লিগিৰী অন্য পাঠ, বীৰত্ব বনাম কাণ্ড জ্ঞান, কালভাৰী, সফেড লকীৰ, অন্ধবিশ্বাস, পটাচৰা, ধোঁৱাসাপ, অন্ধেৰ নগৰী চৌপট-ৰাজা আদি। দীৰ্ঘ সময় ধৰি অভিনয়ৰ লগত জড়িত জীত বৰুৱাই ধনজিত দাসৰ পৰিচালনাত "শব্দ নিশব্দ কোলাহল" ছবিত অনবদ্য অভিনয় কৰি অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটাৰ নটসূৰ্য ফণী শৰ্মা শ্ৰেষ্ঠ বঁটা লাভ কৰাত সাংস্কৃতিক তথা তীৰ্থ নগৰীত হাজোত আনন্দৰ জোঁৱাৰ উঠিছে। জীত বৰুৱাৰ এই সাফল্যত হাজোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ব্যক্তি বিশেষে শুভেচ্ছা জ্ঞাপন কৰে।

## আটক পুৰণিগুদাম চলচলিৰ যুৱক

# পুৰণিগুদামত সোণ চোৰৰ বিৰুদ্ধে হায়দৰাবাদ আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, পুৰণিগুদাম, ১৭ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পুৰণিগুদাম চলচলিৰ এজন যুৱকক হায়দৰাবাদত বিভিন্ন চুৰি কাৰ্যৰ লগত জড়িত হোৱাৰ অভিযোগত আজি হায়দৰাবাদ আৰক্ষীয়ে চামগুৰি আৰক্ষীৰ সহযোগত আটক কৰিছে। বিশেষকৈ প্ৰায় ১৩ তোলা সোণ চুৰি কৰাৰ অভিযোগৰ ভিত্তিত যুৱকজনক আটক কৰিছে আৰক্ষীয়ে। আৰক্ষীয়ে আটক কৰা যুৱকজনৰ নাম মিঠুন ৰাজখোৱা। যুৱকজনে হায়দৰাবাদৰ বিভিন্ন প্ৰান্তৰ পৰা সোণ সমূহ চুৰি কৰি অনাৰ অভিযোগ উত্থাপন হৈছে। ইয়াৰ পূৰ্বেও হায়দৰাবাদত বহুকেইটা চুৰি কাৰ্যৰ অভিযোগত জে'লত আছিল আটকাধীন যুৱকজন। চামগুৰি আৰক্ষী আৰু হায়দৰাবাদ আৰক্ষীৰ যৌথ অভিযানত আটক কৰা যুৱকজনক অধিক সোধা-পোছাৰ বাবে হায়দৰাবাদ আৰক্ষীয়ে হায়দৰাবাদলৈ লৈ যায় বুলি জানিব পৰা গৈছে।

## শিক্ষা, জাতীয় উত্তৰণৰ হকে এবছুৱে কাম কৰি যাব ঃ দ্বীপেন বড়ো

# চিৰাঙত এবছুৰ ৫৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন




**অসম বাৰ্তা, বাসুগাঁও, ১৭ ফেব্ৰুৱাৰী ঃ** নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৱে আজি সংগঠনটোৰ ৫৯ সংখ্যক প্ৰতিষ্ঠা দিৱস চিৰাং জিলাৰ ভিৰানগাঁও হাইস্কুল খেল পথাৰত বিভিন্ন কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰে। পতাকা উত্তোলন কৰি দিয়া ভাষণত এবছুৰ সভাপতি দ্বীপেন বড়োই বিগত ১৯৬৭ চনৰ ১৫ ফেব্ৰুৱাৰী আজিৰ দিনটোতে কোকৰাঝাৰত গঠন হোৱা নিখিল বড়ো ছাত্ৰ সন্থাই বড়ো জাতিৰ শিক্ষা-দীক্ষা, আৰ্থ সামাজিক দিশত কাম কৰি অহাৰ লগতে বড়ো জাতিৰ উত্তোৰণৰ দিশত কাম কৰি আহিছে বুলি মত ব্যক্ত কৰে। বড়ো জাতিৰ অধিকাৰৰ সংগ্ৰাম খনত এবছুৱে বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিগত বিএচি চুক্তি, আৰু বিটিচি চুক্তি আৰু বিটিআৰ শান্তি চুক্তিৰ সময়ত এবছুৱে সৱল ভূমিকা লৈছিল। তেওঁ সংবাদ মাধ্যমৰ আগত কয় যে, বিগত বিটিচি নিৰ্বাচনত সফল নহ'ল যদিও বড়ো জনগোষ্ঠীৰ সকলো দিশৰ উত্তৰোৰণৰ হকে একতাৰে আগুৱাই যোৱাৰ লক্ষ্যৰে সমাগত বিধানসভা নিৰ্বাচনত বিপিএফ আৰু ইউপিপিএলৰ মুৰব্বী ক্ৰমে হাগ্ৰামা মহিলাৰী আৰু প্ৰমোদ বড়োক একেলগে কাম কৰাৰ আহ্বান জনায়। নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক খনীন্দ্ৰ বসুমতাৰীয়ে পৰিচালনা কৰি দিৱসৰ কাৰ্যসূচীত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্ত্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন মুকলি কৰে বিজনী কলেজৰ সহযোগী অধ্যাপক ড° গৌগম ব্ৰহ্ম কছাৰীয়ে। ছহিদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে সাহিত্য অকাডেমী বঁটা প্ৰাপক সাহিত্যিক হৰি নাৰায়ণ খাখলাৰীয়ে। অনুষ্ঠানৰ নানাৰঙী বেলুন উপৰুৱাই দিয়াৰ লগতে শান্তিৰ প্ৰতীক কে'বাটাও পাৰ চৰাই উৰুৱাই দিয়া হয়। অনুষ্ঠানত কালি পৰলোক গমন কৰা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তৰেণ বড়োলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এক মিনিত মৌনতা অৱলম্বন কৰে। পাছলৈ নিখিল বড়ো ছাত্ৰ সন্থাৰ উপ সভাপতি খৌৰমদাও নাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা মুকলি সভাত কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী, বিজনী কলেজৰ সহযোগী অধ্যাপক ড° গৌগম ব্ৰহ্ম কছাৰী, আৰু বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীসহ কেবাজনো অতিথিয়ে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বড়ো সাহিত্য সভা, ট্ৰাইবেল সংঘকে ধৰি বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধিক উপৰি ভালেমান ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# কুমুল্লী পৰা-খন্দকাৰ পাৰা বুথ সন্মিলনত বিধায়ক জাকিৰ হুছেইন শিকদাৰক ব্যাপক আদৰণি

**অসম বাৰ্তা, কুমুল্লীপৰা, ১৭ ফেব্ৰুৱাৰী ঃ** নৱগঠিত ২৫ নং পাকা বেতবাৰী বিধানসভা সমষ্টিৰ ঘিলাঝাৰী-ৰূপসী ব্লক কংগ্ৰেছ কমিটিৰ অন্তৰ্গত কুমুল্লী পাৰা-খন্দকাৰ পৰা মণ্ডল কংগ্ৰেছৰ উদ্যোগত কে কে চেণ্টাৰত ১৪ ফেব্ৰুৱাৰী শনিবাৰে আবেলি মণ্ডল কংগ্ৰেছৰ সভাপতি শ্বহিদুল ইছলামৰ সভাপতিত্বত বুথ সন্মিলন অনুষ্ঠিত হয়। উক্ত সন্মিলনত দলৰ ভালেসংখ্যক বিভিন্ন পৰ্যায়ৰ নেতৃস্থানীয় ব্যক্তিসকলৰ সৈতে মুখ্য অতিথি হিচাপে উপস্থিত থাকে দলীয় নেতা কৰ্মীৰ লগত সদায় সুসম্পৰ্ক ৰক্ষা কৰা বা দলীয় নেতা-কৰ্মীৰ মাজত জনপ্ৰিয়তা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হোৱা আৰু দলীয় কাম-কাজত সদায় সক্ৰীয় ভাৱে অংশগ্ৰহণ কৰা প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ, বিধায়ক সৰুক্ষেত্ৰী সমষ্টি। তেখেত নৱ গঠিত ২৫ নং পাকা বেতবাৰী বিধান সভা সমষ্টিৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী। তেখেতৰ সুদক্ষ নেতৃত্বত যোৱা পঞ্চায়ত নিৰ্বাচনত সমষ্টিটোত কংগ্ৰেছ দলে গোটেই কেইখন জিলা পৰিষদৰ আসন, সৰ্বাধিক সংখ্যক আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত কংগ্ৰেছৰ সমৰ্থনত গঠন কৰিবলৈ সক্ষম হৈছিল। উক্ত সন্মিলনত দলৰ নেতা-কৰ্মী আৰু অগণন জনসাধাৰণে সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰক ব্যাপক ভাৱে আদৰণি জনোৱা পৰিলক্ষিত হয়। উক্ত সন্মিলনত বিধায়ক ডাঙৰীয়াই বক্তব্যত দলীয় নেতা-কৰ্মী সকলক উদ্দেশ্যি সমাজ সেৱা, জনকল্যাণ মূলক কাম, মানৱীয় প্ৰমূল্যবোধৰ গুণৰ অধিকাৰী হোৱাৰ লগতে আৰু দলীয় কাম-কাজত অধিক মনোনিৱেশ হোৱাৰ আহ্বান জনায়। তেখেতে কংগ্ৰেছৰ বিৰোধী দলসমূহক বিশেষকৈ এই আই ইউ ডি এফ দল, শাসকীয় বিজেপি দল আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰা পৰিলক্ষিত হয়। ২৫ নং পাকা বেতবাৰী বিধানসভা সমষ্টিখন ৯০ শতাংশতকৈ অধিক সংখ্যক ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ ভোটাৰ আছে। গতিকে সমষ্টিটোত বিভিন্ন তথ্য আৰু সমীক্ষাৰ ভিত্তিত কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দল দুটাৰ মাজত প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা অধিক প্ৰকট বুলি ক'ব পাৰি। আন দলসমূহৰ সাংগঠনিক ভেটি সিমান সুদৃঢ় হোৱা পৰিলক্ষিত হোৱা নাই। তথাপিও আগন্তুক বিধানসভা নিৰ্বাচনত কোন দলে কেনেকুৱা প্ৰভাৱ পেলাব সেয়া সময়ত লক্ষণীয় হ'ব।

## ২২ মাৰ্চত শ্ৰীশ্ৰীধূঁৱাহাট বেলগুৰি আদিস্থানত প্ৰদান অনুষ্ঠান

# ড° পীতাম্বৰ দেৱ গোস্বামীলৈ "মণিকাঞ্চন সংযোগ বঁটা-২৬"

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ ফেব্ৰুৱাৰী ঃ** দুজনা গুৰুৰ মহামিলন স্থান শ্ৰীশ্ৰী ধূঁৱাহাট বেলগুৰি থান আদিস্থান মাজুলীৰ আঁহতগুৰিত পুনৰুজ্জীৱিত কৰাৰ পিছত প্ৰৱৰ্তন কৰা "মণিকাঞ্চন সংযোগ বঁটা" এইবছৰ শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীলৈ আগবঢ়াইছে। আজি "মাজুলীৰ সাহিত্য" আৰু মণিকাঞ্চন মিলন ক্ষেত্ৰৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ এটি প্ৰতিনিধি দলে মাজুলীৰ আউনীআটী সত্ৰত এই ঘোষণা কৰে। বঁটা নিৰ্বাচন সমিতিৰ প্ৰস্তাৱ আনুষ্ঠানিক ভাৱে সত্ৰাধিকাৰক অৰ্পণ কৰাৰ পিছত প্ৰতিনিধি দলটোৱে সাংবাদিক সকলক এই কথা ঘোষণা কৰে। আজি সত্ৰাধিকাৰৰ চ'ৰাত "মাজুলী সমন্বয় মঞ্চ"ৰ এখন সভা অনুষ্ঠিত হৈ আছিল, সেই সভাতেই মণিকাঞ্চন মিলন ক্ষেত্ৰৰ প্ৰতিনিধি সকলে আনুষ্ঠানিক পত্ৰ পাঠ কৰে মাজুলীৰ সাহিত্যৰ সভাপতি কমল দত্ত, সভাত মাজুলীৰ জিলা সাহিত্য সভাৰ সভাপতি, সম্পাদক, জিলা সাংবাদিক সন্থাৰ সম্পাদকৰ লগতে বিষয়ববীয়া সকল, দক্ষিণপাট আশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ, এলেঙিনৰসিংহ সত্ৰৰ সত্ৰীয়া প্ৰবীণ মহন্ত, বেলেসিদ্ধয়া সত্ৰৰ ডেকা সত্ৰীয়া, আউনীআটী সত্ৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামী, মাজুলী মহিলা সমিতিৰ বিষয়ববীয়া, জিলা মইনা পাৰিজাতৰ প্ৰতিনিধিৰ লগতে সমন্বয় মঞ্চৰ সকলো বিষয়ববীয়া উপস্থিত আছিল। সকলোৱে সত্ৰাধিকাৰ প্ৰভুলৈ "মণিকাঞ্চন সংযোগ বঁটা -২৬" আগবঢ়োৱাৰ বাবে হৰ্ষধ্বনিৰে আদৰণি জনায় আৰু সত্ৰাধিকাৰ প্ৰভুক গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। ড° পীতাম্বৰ দেৱ গোস্বামী প্ৰভুৱে ৰাইজৰ পৰামৰ্শ আৰু মণিকাঞ্চন মিলন ক্ষেত্ৰৰ আহ্বানক গ্ৰহণ কৰি দুজনা গুৰুৰ মিলনৰ ঐতিহ্যৰ বাহক ৰূপে প্ৰৱৰ্তন কৰা বঁটা ভাগ তেখেতলৈ আগবঢ়োৱাত এয়া ৰাইজৰ আশীৰ্বাদ ৰূপে গ্ৰহণ কৰিব বুলি ঘোষণা কৰে। মাজুলীৰ সাহিত্য আৰু মণিকাঞ্চন মিলন ক্ষেত্ৰৰ পৰা কমল দত্ত, প্ৰশান্ত দোলাকাষৰীয়া, দুগ্ধ চন্দ্ৰ গোস্বামী-, ড° উৎপল নাৰায়ণ গোস্বামী, উৎপল দত্ত, দীপু ভূঞাই প্ৰতিনিধি দলটোক নেতৃত্ব লৈছিল। উক্ত বঁটা মণিকাঞ্চন মিলন ক্ষেত্ৰৰ পুনৰুজ্জীৱিত তৃতীয় প্ৰতিষ্ঠা দিৱসত প্ৰদান কৰা হ'ব। অহা ইংৰাজী ২১, ২২ আৰু ২৩ তাৰিখে তিনিদিনীয়াকৈ আদিস্থান মণিকাঞ্চন মিলন ক্ষেত্ৰ শিকলিচাপৰিত অনুষ্ঠিত হ'ব। সেই প্ৰতিষ্ঠা দিৱসৰ দ্বিতীয় দিনা ২২ মাৰ্চ তাৰিখে সত্ৰাধিকাৰ গৰাকীক অৰ্পণ কৰিব। এইবাৰ প্ৰতিষ্ঠা দিৱসত বৰ্তমানৰ আঁহতগুৰিত পুনৰ তিনিদিনীয়াকৈ শ্ৰীশ্ৰী কৃষ্ণৰ পূৰ্ণাংগ ৰাসলীলা পৰিৱেশন কৰা হব। উল্লেখযোগ্য, মণিকাঞ্চন সংযোগ বঁটা প্ৰৱৰ্তন বছৰত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰদান কৰিছিল।

# মানুহৰ জৈৱিক সীমাবদ্ধতা আছে; যোৰহাট বিজ্ঞান চ'ৰাত ড° বিকাশ কুমাৰ বৰা

**অসম বাৰ্তা, যোৰহাট, ১৭ ফেব্ৰুৱাৰী ঃ** মানুহক জীৱ শ্ৰেষ্ঠ বুলি কোৱা হয় যদিও আৰু মানৱৰ বাবে একো অসম্ভৱ নাই বুলি ভৱা হয় যদিও মানুহৰ জৈৱিক সীমাবদ্ধতা আছে। পঞ্চ ইন্দিয়ৰে সমৃদ্ধ যদিও মানুহে বহুত কথা ধৰিব নোৱাৰে। উদাহৰণস্বৰূপে মানুহে মাইক্ৰো ৱেভ ধৰিব নোৱাৰে- যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহত অনুষ্ঠিত যোৰহাট বিজ্ঞান চ'ৰাৰ ৬০ সংখ্যক বৈঠকত কালি যোৰহাটৰ জিষ্টৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী ড° বিকাশ কুমাৰ বৰাই এনেদৰে ব্যক্ত কৰে। যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহত অনুষ্ঠিত বৈঠকত মালৌ পথাৰৰ ইতিহাসকে ধৰি কেবাখনো গ্ৰন্থৰ প্ৰণেতাজনে সময়, প্ৰকৃতিৰ বলসমূহ আৰু বিশ্ব ব্ৰহ্মাণ্ড বিষয়ত আলোচনা আগ বঢ়াই পদাৰ্থৰ পৰিৱৰ্তনৰ বাবেহে সময়ক অনুভৱ কৰিব পাৰি বুলি উল্লেখ কৰি পদাৰ্থ নাথাকিলে সময়ৰ অস্তিত্ব নাথাকে বুলি প্ৰকাশ কৰে। বিশিষ্ট লেখকজনে বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি, জীৱৰ সৃষ্টি, মহাপ্ৰলয় আদি বিভিন্ন প্ৰসংগৰ উল্লেখেৰে সময় আটাইতকৈ গতিশীল যদিও বিশ্ব ব্ৰহ্মাণ্ড অদ্যাপি ভেদ কৰিব পৰা নাই বুলি ব্যক্ত কৰে। হেমেন কুমাৰ শইকীয়াই পৰিচালনা কৰা আৰু ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে মুখ্য আলোচকৰ পৰিচয় প্ৰদান কৰা আৰু পূৰবী দেৱীয়ে শলাগ জনোৱা বৈঠকত ডাঃ বলীন খাৰঘৰীয়া, ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস, ড° বিমলা প্ৰসাদ বৰুৱা, ড° প্ৰমোদ চন্দ্ৰ নেওগ, ড° প্ৰশান্ত কুমাৰ বৰদলৈ, ড° মৃণাল দত্ত, বিপুল দুৱৰা, বুধিন দত্ত, পৰমেশ্বৰ কৃষ্ণাত্ৰেয়, দেবজিৎ নেওগ, বেদান্ত দত্ত, প্ৰমুখ্যে বিভিন্নজনে অংশ গ্ৰহণ কৰে।

# সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সংস্থাৰ মুখপত্ৰ 'সেউজ সোণ'ৰ চতুৰ্থ সংখ্যাৰ উন্মোচন

**অসম বাৰ্তা, নকছাৰি, ১৭ ফেব্ৰুৱাৰী ঃ** অসমৰ গ্ৰাম্য অৰ্থনীতিত অৰিহণা যোগাই অহা অসমৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ সৰ্বাংগীণ বিকাশ আৰু সুৰক্ষাৰ বাবে গঠন কৰা সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ ত্ৰিমাখিক আলোচনী "সেউজ সোণ"ৰ সন্থাই তিনিটা সংখ্যাৰ পাছত আজি চতুৰ্থ সংখ্যক আলোচনীৰ শুভ উন্মোচন হয়। যোৰহাট নগৰৰ মৈধম বাইপাছত(সৰলা নগৰ)অৱস্থিত সন্থাৰ স্থায়ী কাৰ্য্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত জিলা আয়ুক্তৰ হৈ সহকাৰী আয়ুক্ত মনজিত পেগুই শুভ উন্মোচন কৰে। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি তথা আলোচনীৰ উপদেষ্টা ৰাজেন বৰা, উপ সভাপতি খনিন্দৰ শইকীয়া, সম্পাদক ৰাজেশ কুমাৰ দত্ত, সহ সম্পাদক জগত সন্দিকৈ, বিত্ত সম্পাদক জিটো গগৈ, কাৰ্য্যালয় সম্পাদক দুৰ্লভ বৰা, আলোচনীৰ মুখ্য সম্পাদক তথা জেষ্ঠ সাংবাদিক যোগেশ উঝা, আলোচনীৰ সম্পাদক মৃণাল বৰদলৈয়, ভাৰতীয় চাহ বৰ্ডৰ সদস্য ৰাজীৱ গোহাঁই লগতে কেন্দ্ৰীয় সমিতিৰ সদস্য তথা সৰ্ব ভাৰতীয় চাহ সংস্থা ৰ উপসভাপতি অচ্যুত প্ৰষাদ গগৈ যোৰহাট জিলা সমিতি সভাপতি জীৱন শইকীয়া, কাৰ্যকৰী সভাপতি মহম্মদ নাছিৰুদ্দিন আহমেদ, উপসভাপতি দীপক বৰুৱা, দিগন্ত প্ৰদীপ নেওগ, সম্পাদক কৃষ্ণ শৰ্মা, সহ সম্পাদক পল্লৱ লোচন চলিহা, অভিজিত হাজৰিকা, উজ্জ্বল শইকীয়া, বিত্ত সম্পাদক প্ৰদীপ বৰা, সাংগঠনিক সম্পাদক ভূপেন গগৈ, ভোদ্ৰেশ্বৰ বুঢ়াগোহাঁই লগতে সদস্য সকল উপস্থিত থাকে। যোৰহাট জিলাৰ লগতে গোলাঘাট, শিৱসাগৰ, চৰাইদেওৰ লগতে কেওবাখন জিলাৰ সভাপতি, সম্পাদক উপস্থিত থাকি সভাৰ শৌস্তব বৰ্ধন কৰে। আলোচনীখন অসমৰ প্ৰত্যেকজন খেতিয়কৰ গৃহত যাতে যাব পাৰৰ তাৰ প্ৰচেষ্টা কৰিবৰ বাবে সকলোৱে পৰামৰ্শ আগবঢ়ায়।



# ৰংদৈত পকীপথৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, যোৰহাট, ১৭ ফেব্ৰুৱাৰী ঃ** আজি ৩০ নং উত্তৰ পশ্চিম চাৰি গাঁও গাঁও পঞ্চায়তৰ ৮নং খণ্ডৰ ৰংদৈ তাঁতী চুক পথটিৰ আধাৰশিলা স্থাপনৰ এক আনুষ্ঠানিক কাৰ্য সম্পন্ন হয়। ৩নং চাৰি গাঁও জিলা পৰিষদৰ বিত্তীয় অনুদানেৰে পাঁচলাখ টকা ব্যয় সাপেক্ষে পেভাৰব্লকেৰে নিৰ্মাণ কৰিবলৈ লোৱা পথটোৰ আধাৰশিলা স্থাপন কৰে অসম উদ্যোগিক উন্নয়ন নিগমৰ অধ্যক্ষ শান্তনু পূজাৰীয়ে। যোৰহাট জিলা পৰিষদৰ উপাধ্যক্ষ নৱজ্যোতি দাসে আঁচনিৰ সম্পৰ্কত ভাষণ আগবঢ়োৱা সভাখনত গাঁও পঞ্চায়তৰ সভাপতি দুলুমনি দাস, খণ্ড সদস্যা লুকুমণি দত্ত, বি জে পি চাৰি গাঁও মণ্ডলৰ সভাপতি দীপক নাথ, ৩১নং গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য বুবুল চন্দ্ৰ দত্ত, কৃষাণ মৰ্চাৰ প্ৰদীপ দত্ত, বিজেপি বহু কেইগৰাকী কৰ্মী উপস্থিত থকা সভাখনিত বন্তি প্ৰজ্বলন কৰে ৰিপুণ গোস্বামীয়ে। অসম উদ্যোগিক উন্নয়ন নিগমৰ অধ্যক্ষ শান্তনু পূজাৰীয়ে বৰ্তমান ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা বিকশিত ভাৰতৰ বিভিন্ন আঁচনিৰ কথা উনুকীয়াই কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰে। যথেষ্ট সংখ্যক লোক উপস্থিত থকা সভাখন পৰিচালনা কৰে সমাজকৰ্মী জগন্নাথ অগ্নি বৰাই।

# অসামৰিক প্ৰতিৰক্ষা বিভাগ যোৰহাটৰ এক অভিলাষী পদক্ষেপ 'হৰ ঘৰ CPR'

**অসম বাৰ্তা, যোৰহাট, ১৭ ফেব্ৰুৱাৰী ঃ** অসামৰিক প্ৰতিৰক্ষা বিভাগ যোৰহাটৰ জিলা আয়ুক্ত মহোদয়ৰ পৃষ্ঠপোষকতাত এক জনকল্যাণমূলক পদক্ষেপ "হৰ ঘৰ CPR" এটি জীৱন, এটি সুযোগ, CPR শিকক, এটি জীৱন বচাওঁক ৰূপায়ণ কৰি যোৰহাট জিলাত ২০২৬ বৰ্ষত এক লাখ লোকক CPR কৌশল শিকোৱাৰ লক্ষ্য স্থিৰ কৰা হৈছে। দিনে দিনে বাঢ়ি অহা Heart Attack হোৱা ৰোগী সকলক এই কৌশল প্ৰয়োগৰ যোগেদি জীৱন বচাব পৰা যায়। অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উপ নিয়ন্ত্ৰক সীমান্ত শৰ্মাই জনায় যে, অহা ইং ১৯ ফেব্ৰুৱাৰী ২০২৬ তাৰিখ বৃহস্পতি বাৰে সন্ধিয়া ৬ বজাত সন্মানীয় জিলা আয়ুক্ত মহোদয়ৰ উপস্থিতিত যোৰহাট থিয়েটাৰত মুকলি সভাত উক্ত জনকল্যাণমূলক পদক্ষেপৰ শুভাৰম্ভ কৰা হব। উক্ত অনুষ্ঠানতে যোৰহাট থিয়েটাৰৰ সমূহ সদস্য-সদস্যাকে CPR কৌশলৰ প্ৰশিক্ষণ প্ৰদান কৰা হব। এই বিষয়ত উপ নিয়ন্ত্ৰক সীমান্ত শৰ্মাই যোৰহাটৰ সকলো বিদ্যালয়-মহাবিদ্যালয়, বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিগত আৱাস, ফ্লেটৰ বাসিন্দা ইত্যাদি সকলোকে উক্ত প্ৰশিক্ষণ ল'বলৈ ইয়াৰ জৰিয়তে আহ্বান জনাইছে। আৰু এই ক্ষেত্ৰত মোবাইল নং ৯৪৩৫১৪৯৩০১ আৰু ৭০০২১১২৮৪৯ত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

বুথ সন্মিলনৰ পিছত আত্মবিশ্বাসী জিলা অগপ, মাজুলী আসন দাবীত জোৰদাৰ সুৰ

# বুথ সন্মিলনেৰে মাজুলীত অসম গণ পৰিষদৰ শক্তি প্ৰদৰ্শন

## এইবাৰ অগপৰ আসন ১০০ বৃদ্ধি পাব ঃ ফণীভূষণ চৌধুৰী

## মাজুলীত অগপৰ স্থিতি সুদৃঢ় ঃ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য



**অসম বাৰ্তা, উজনী মাজুলী, ১৭ ফেব্ৰুৱাৰী ঃ** সত্ৰ নগৰী মাজুলীত আঞ্চলিকতাবাদক অধিক শক্তিশালী কৰাৰ সংকল্প লৈ আজি গড়মূৰৰ বংশীগোপাল নাট্য মন্দিৰত অনুষ্ঠিত হয় অসম গণ পৰিষদৰ মাজুলী জিলা সমিতিৰ বুথ সন্মিলন। বহু সংখ্যক দলীয় কৰ্মীৰ উপস্থিতিত অনুষ্ঠিত এই সন্মিলনখন শক্তি প্ৰদৰ্শনলৈ ৰূপান্তৰিত হয়। বুথ সন্মিলনত সভাপতিত্ব কৰে মাজুলী জিলা অগপৰ সভাপতি ব্ৰজেন গামে। খাৰজান পাৰ মহিলা দিহানাম দলৰ সুমধুৰ দিহানাম পৰিৱেশনেৰে সভাৰ আৰম্ভণি হয়। ইয়াৰ পিছতে জিলা সভাপতি ব্ৰজেন গামে সভাত আদৰণি ভাষণ প্ৰদান কৰে। সন্মিলনত উপস্থিত থাকে অগপৰ জ্যেষ্ঠ নেতা তথা সাংসদ ফণীভূষণ চৌধুৰী আৰু ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য। দুই সাংসদে দলীয় কৰ্মকৰ্তাসকলক উদ্দেশ্য কৰি ভাষণ প্ৰদান কৰি তৃণমূল পৰ্যায়ত সংগঠন শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বুথ পৰ্যায়ৰ কৰ্মকৰ্তাসকলক ঐক্যবদ্ধভাৱে জনসংযোগ বৃদ্ধি কৰি আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে সাজু হ'বলৈ আহ্বান জনায়। ইফালে আগন্তুক নিৰ্বাচনত অসম গণ পৰিষদে বিজেপিৰ পৰা কিমানখন আসন লাভ কৰিব তাক লৈ ৰাজনৈতিক মহলত জল্পনা-কল্পনা অব্যাহত থকাৰ মাজতে আজি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত ফণীভূষণ চৌধুৰীয়ে কয় যে, এইবাৰ নিৰ্বাচনত অসম গণ পৰিষদৰ আসন ১০০ শতাংশ বৃদ্ধি পাব বুলি তেওঁ আশাবাদী। তেওঁ লগতে উল্লেখ কৰে যে, দলটো বিজেপিৰ সৈতে মিত্ৰতাত আছে আৰু মিত্ৰতাতেই নিৰ্বাচনত অৱতীৰ্ণ হ'ব। আসন বুজাবুজিৰ বিষয়টো এতিয়াও চূড়ান্ত হোৱা নাই যদিও শীঘ্ৰে বৈঠক অনুষ্ঠিত হৈ বিষয়টো নিষ্পত্তি হ'ব বুলি তেওঁ মন্তব্য কৰে। আনহাতে, মাজুলীৰ আসনখন এইবাৰ অসম গণ পৰিষদে দাবী কৰাৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত অগপৰ ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই মাজুলীত অগপৰ স্থিতি সুদৃঢ় বুলি উল্লেখ কৰি কয় যে, মাজুলীৰ ৰাইজে ২০২৬ চনৰ নিৰ্বাচনত অসম গণ পৰিষদক প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আহ্বান জনাইছে। পূৰ্বতে চাৰিবাৰ দলটো মাজুলীৰ পৰা জয়লাভ কৰা কথা স্মৰণ কৰাই তেওঁ কয় যে, দলৰ এটা নিৰ্দিষ্ট প্ৰক্ৰিয়া আছে আৰু টিকট প্ৰদানৰ বিষয়ত চূড়ান্ত সিদ্ধান্ত দলীয় সভাপতিয়ে গ্ৰহণ কৰিব বুলি তেওঁ উল্লেখ কৰে। ইফালে সভাৰ শেষত মাজুলীত অগপৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী তথা জিলা অগপৰ সভাপতি ব্ৰজেন গামে কয় যে মাজুলীবাসীৰ আশা-আকাংক্ষা আৰু কেন্দ্ৰীয় নেতৃত্বৰ স্থিতি যথেষ্ট আশা-ব্যঞ্জক। তেওঁ উল্লেখ কৰে যে উপযুক্ত সময়ত কেন্দ্ৰীয় নেতৃত্বই বিষয়সমূহ যথাস্থানত উপস্থাপন কৰিব। লগতে সাংসদ দ্বয়েও কেন্দ্ৰীয় সভাপতিক এই বিষয়সমূহ অৱগত কৰাব বুলি তেওঁ জনায়। ইফালে, মাজুলী অগপই প্ৰকাশ কৰা আশাৰ বিপৰীতে যদি কোনো ভিন্ন সিদ্ধান্ত আহে তেন্তে জিলা অগপৰ স্থিতি কি হ'ব বুলি সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে এতিয়া সেই সন্দৰ্ভত কোনো সিদ্ধান্ত ভবা হোৱা নাই। তেওঁ আৰু কয় যে এই বিষয়ত কেন্দ্ৰীয় নেতৃত্বৰ সৈতে সঘন যোগাযোগ অব্যাহত আছে আৰু ইতিমধ্যে আশানুৰূপ সঁহাৰি লাভ কৰা হৈছে। সেইবাবে জিলা সমিতি যথেষ্ট আশাবাদী বুলি তেওঁ উল্লেখ কৰে। আনহাতে দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰা দুই সাংসদক ৰাজ্যৰ ৰাজনৈতিক প্ৰেক্ষাপটত চৰ্চিত কেইবাটাও বিষয়ত প্ৰতিক্ৰিয়া বিচৰাত ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈৰ পাকিস্তান সংযোগক লৈ মুখ্যমন্ত্ৰীয়ে কৰি অহা অভিযোগ সন্দৰ্ভত মন্তব্য কৰি কয়-দেশৰ সুৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত কোনো আপোচ মানি লোৱা নহ'ব। দেশৰ সুৰক্ষা আৰু নিৰাপত্তাৰ স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰে যি ব্যৱস্থা গ্ৰহণ কৰিব সি হয়তো কঠোৰ হ'ব আৰু আনহাতে ৰাজ্য চৰকাৰে যি সবিশেষ ব্যক্ত কৰি বিষয়টো কেন্দ্ৰীয় চৰকাৰলৈ হস্তান্তৰ কৰিছে আমি আশা কৰোঁ দেশৰ নিৰাপত্তাৰ খাতিৰত, দেশৰ সুৰক্ষাৰ খাতিৰত কেন্দ্ৰীয় চৰকাৰে উচিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁ উল্লেখ কৰে। ইফালে আজি হঠাতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি ভূপেন বৰাই কংগ্ৰেছ ত্যাগ কৰাৰ সন্দৰ্ভত সাংসদ ফণীভূষণ চৌধুৰীৰ পৰা তাৎক্ষণিক প্ৰতিক্ৰিয়া বিচৰাত তেওঁ কয় যে, ৰাজ্যত কংগ্ৰেছৰ ভৱিষ্যত অন্ধকাৰময় বুলি উপলব্ধি কৰিয়েই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ লগতে দাবী কৰে যে নিৰ্বাচনৰ পূৰ্বে আৰু কিছুমান নেতাই কংগ্ৰেছ ত্যাগ কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে। সন্মিলনত দলৰ কেন্দ্ৰীয়, জিলা, বিধানসভা আৰু আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল, ভাতৃ-ভগ্নী সংগঠনৰ প্ৰতিনিধিসকল আৰু বুথ সমিতিৰ সভাপতি-সম্পাদকসহ বহুসংখ্যক কৰ্মী উপস্থিত থাকে। মুঠতে, মাজুলীৰ ৰাজনৈতিক পৰিৱেশত এই বুথ সন্মিলনখন অগপৰ বাবে এক শক্তি প্ৰদৰ্শন হিচাপে পৰিগণিত হৈছে। আগন্তুক বিধান সভা নিৰ্বাচনক লৈ মাজুলী জিলা অগপই এইবাৰ মাজুলী সমষ্টি নিজৰ দখলত বিচাৰি দাবী জোৰদাৰ কৰি আহিছে। জিলা সমিতিয়ে প্ৰাৰ্থী পৰ্য্যন্ত চূড়ান্ত কৰি ৰখাৰ লগতে এসময়ৰ অগপৰ দুৰ্গ পুনৰ উদ্ধাৰৰ লক্ষ্যৰে একপ্ৰকাৰ দৃঢ় স্থিতি গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে যোৱা ২৯ ডিচেম্বৰৰ দৈনিক জনমভূমিৰ এক প্ৰতিবেদনত এই দাবীৰ কথা প্ৰকাশ পাইছিল। যদিও কেন্দ্ৰীয় নেতৃত্বই প্ৰথমে সিদ্ধান্ত নস্যাৎ কৰিছিল, তথাপিও জিলা অগপই দাবী অব্যাহত ৰাখিছে। যোৱা ১০ জানুৱাৰীত দলৰ জ্যেষ্ঠ নেতা তথা পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতায়ো মাজুলীৰ আসন দাবীৰ ক্ষেত্ৰত ইংগিতপূৰ্ণ মন্তব্য কৰি গৈছিল। শেহতীয়াকৈ জিলা অগপই ব্ৰজেন গামক মাজুলী সমষ্টিৰ প্ৰাৰ্থী হিচাপে একপ্ৰকাৰ ঘোষণা কৰি ৰাজনৈতিক তাপমান বৃদ্ধি কৰিছে।

# ডিগবৈৰ হত্যাকাণ্ডৰ অভিযুক্তক কঠোৰ শাস্তিৰ দাবীত ঠেলামৰাত গণ্ডুৱানা সংগঠনৰ তীব্ৰ প্ৰতিবাদ




**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৭ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঠেলামৰাস্থিত বৰছলা সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত আজি সদৌ অসম গণ্ডুৱানা ছাত্ৰ সন্থা আৰু সদৌ অসম গণ্ডুৱানা যুৱ পৰিষদৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ডিগবৈত সংঘটিত এক নৃশংস হত্যাকাণ্ডৰ প্ৰতিবাদত আৰু দোষীক কঠোৰ শাস্তি প্ৰদানৰ দাবীত সংগঠন দুটাই আজি এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। উল্লেখ্য যে যোৱা ১২ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে ডিগবৈ অঞ্চলত বুদ্ধেশ্বৰ গোড় নামৰ এগৰাকী সাধাৰণ লোকক মাছ চুৰিৰ অপবাদ দি একাংশ দুৰ্বৃত্তই মৰিয়াই মৰিয়াই হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছিল। উক্ত ঘটনাটোৱে সমগ্ৰ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰে। স্থানীয় ৰাইজ আৰু বিভিন্ন সংগঠনে ঘটনাটোক কঠোৰ ভাষাৰে গৰিহণা দি দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাই আহিছে। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত প্ৰতিবাদকাৰীয়ে দোষীক তৎকাল গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰাৰ দাবী জনায়। লগতে ভৱিষ্যতে এনে গণপ্ৰহাৰৰ ঘটনা পুনৰাবৃত্তি নোহোৱাকৈ প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব বুলিও দাবী উত্থাপন কৰে। প্ৰতিবাদীসকলে বিভিন্ন শ্লোগান ধৰি নিজৰ ক্ষোভ প্ৰকাশ কৰে আৰু উপ-জিলা আয়ুক্তৰ জৰিয়তে ৰাজ্য চৰকাৰলৈ এখন স্মাৰকলিপি প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। এই কাৰ্যসূচীত গণ্ডুৱানা ছাত্ৰ সন্থাৰ সভাপতি ব্ৰজেন গোড়, সম্পাদক ৰমেন গোড়, গণ্ডুৱানা যুৱ পৰিষদৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি বলো গড়, সম্পাদক টংকেশ্বৰ গোড়ৰ লগতে এক শতাধিক প্ৰতিবাদকাৰী উপস্থিত থাকে। বক্তাসকলে কয় যে দোষীয়ে শাস্তি নোপোৱালৈকে তেওঁলোকৰ আন্দোলন অব্যাহত থাকিব। উল্লেখযোগ্য যে ৰাজ্যত বৃদ্ধি পাই থকা গণপ্ৰহাৰৰ ঘটনাই আইন-শৃংখলা ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন কৰিছে বিভিন্নজনে। সেয়েহে দোষীক দ্ৰুত বিচাৰ প্ৰদান কৰি কঠোৰ শাস্তি নিশ্চিত কৰাৰ দাবী জনাইছে সংগঠন দুটাই।

## জৰাবাৰীৰ পৰা ১ কেজি গাঞ্জা জব্দ; এজনক আটক

# নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে আমগুৰি আৰক্ষীৰ সফল অভিযান

**অসম বাৰ্তা, আমগুৰি, ১৭ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আৰক্ষীয়ে যোৱানিশা নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে চলোৱা অভিযানত বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। আমগুৰিৰ সমীপৰ জৰাবাৰী গাঁৱত থকা জীতেন চাৰিঙীয়া নামৰ ব্যক্তিজনৰ বাসগৃহত আৰক্ষীয়ে অভিযান চলাই প্ৰায় ১ কিলোগ্ৰাম গাঞ্জা জব্দ কৰে। আৰক্ষী সূত্ৰই জানিবলৈ দিয়া অনুসৰি, গোপন তথ্যৰ ভিত্তিত আমগুৰি আৰক্ষীয়ে জৰাবাৰী গাঁৱৰ জীতেন চাৰিঙীয়াৰ গৃহত অভিযান চলাই গাঞ্জাখিনি জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে জীতেন চাৰিঙীয়াক গ্ৰেপ্তাৰ কৰে। এই সন্দৰ্ভত আমগুৰি আৰক্ষী থানাত ৭/২৬ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছে। অধিক তথ্যৰ বাবে আৰক্ষীৰ অনুসন্ধান অব্যাহত আছে।

## সমাগত বাৰিষাত ভীষণ শাস্তি ভোগাৰ আশংকা ৰাইজৰ

# জাঁজী জামুগুৰিত আজিও সম্পূৰ্ণ নহ'ল ফ'ৰলেনৰ নলা নিৰ্মাণৰ কাম



**অসম বাৰ্তা, জাঁজী, ১৭ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ জাঁজীৰ পৰা ডিমৌলৈকে প্ৰায় ৪৪ কিঃমিঃ দৈৰ্ঘ্যৰ পূৰ্বৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটোৰ কাম কেন্দ্ৰীয় চৰকাৰৰ ঘাই পথ মন্ত্ৰাল য়ে চাৰিশৰীয়া পথলৈ সম্প্ৰসাৰণ কৰি সম্প্ৰতি দ্ৰুত গতিত পথটোৰ নিৰ্মাণ কাৰ্য চলি আছে। আনহাতে গৌৰীসাগৰৰ পৰা ডিমৌ পৰ্যন্ত পথ চোৱা লেহেমীয়া হোৱাৰ পৰিপ্ৰেক্ষিতত পথচাৰীয়ে যমৰ যাতনা ভোগ কৰিব লগা হৈছে। উল্লেখ্য যে ২০১৬ বৰ্ষতে নিৰ্মাণকাৰ্য শুভাৰম্ভ কৰা হৈছিল যদিও যোৱা ১০ বছৰেও সম্পূৰ্ণ নহ'ল। ইতিমধ্যে জাঁজী-জামুগুৰিৰ পৰা ফুলপানীছিগা পৰ্যন্ত বৰ্তমানৰ ৰাষ্ট্ৰীয় ঘাই পথৰ লগত সংলগ্ন, জামগুৰি বলমীয়া বেটনিচুক, খাটোৱাল গাঁও পথ, চতাই জান-টকৌবাৰী সত্ৰ সংযোগী, মাজুমেলীয়া গাঁও, ফুলপানীছিগা ৰাস মন্দিৰ সংযোগী পথ, ফুলপানীছিগা-মাজুমেলীয়া-জৰাধৰা সংযোগী পথ, পুৰণিমেলীয়া-নগা আলি সংযোগী পথত এই পৰ্যন্ত পানী ওলাই যোৱাৰ বাবে ব্যৱস্থা কৰিছিল যদিও পঞ্চাছ শতাংশ কাম কৰিয়ে নিৰ্মাণ কাৰি সংস্থাটো অন্তৰ্ধ্যান হয়। সমান্তৰালভাবে প্ৰায় তিনিমাহৰ আগতেই জামুগুৰিৰ মৌৰা বজাৰ দিশৰ অংশত নলা সমূহৰ কাম আধৰুৱাকৈ কৰি স্থবিৰ হৈ আছে। ইতিমধ্যে জামুগুৰিৰ পৰা - চামগুৰি যোৱাৰ পথ চোৱাৰ ৰাষ্ট্ৰীয় কাষতে নলা বহুৱাবৰ বাবে খান্দি থোৱা আধৰুৱা অংশটোত যাতায়তৰ অসুবিধাৰ সন্মুখীন হোৱা দেখা গৈছে আৰু দুৰ্ঘটনা হোৱাৰ আশংকাই দেখা দিছে। জনসাধাৰণে বাৰিষাৰ পূৰ্বে উক্ত নলা নিৰ্মাণ কৰি পানী নিস্কাষণৰ ব্যৱস্থা সুচল কৰিবলৈ সংশ্লিষ্ট বিভাগক অনুৰোধ জনাইছে।

# যুৱতীক অশালীন ভাষাৰে সামাজিক মাধ্যমত মন্তব্য কৰি বিপদত সৰুপথাৰৰ গোপাল গগৈ

**অসম বাৰ্তা, সৰুপথাৰ, ১৭ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰৰ ৰাজনীতিত পুনৰ বিতৰ্ক। সৰুপথাৰ সমষ্টিৰ বিধায়কৰ বিৰুদ্ধে সামাজিক মাধ্যমত বিতৰ্কিতমূলক পষ্ট, দুৰ্নীতি, কেলেংকাৰীৰ বিষয়ে ফেচবুকত পষ্ট দি থকা গোপাল গগৈক আটক সৰুপথাৰ আৰক্ষীৰ। সৰুপথাৰৰ গোপাল গগৈ নামৰ বহু বিতৰ্কিত ব্যক্তিজনে সামাজিক মাধ্যমত সৰুপথাৰৰে এগৰাকী যুৱতীক মুকলিকৈ সামাজিক মাধ্যমত অশালীন ভাষাৰে কমেণ্ট কৰিছিল। অশ্লীল কমেণ্টৰ কৰাৰ বাবেই যুৱতীগৰাকীয়ে সৰুপথাৰ আৰক্ষী থানত এজাহাৰ দিয়াৰ পাছতে সৰুপথাৰ আৰক্ষীয়ে আটক কৰিছে গোলাপ গগৈক। সৰুপথাৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা আৰক্ষীয়ে আটক কৰিছে গোপাল গগৈক। উল্লেখ্য যে যুৱতী গৰাকীৰ পিতৃয়ে উল্লেখ কৰা মতে সামাজিক মাধ্যমত চলি থকা ৰাজনৈতিক বাকযুধৰ মাজতে অসভ্য ভাষা ব্যৱহাৰ কৰি যুৱতী গৰাকীক অশ্লীল ইংগিত দিছিল গোপাল গগৈয়ে। বৰ্তমান সৰুপথাৰ আৰক্ষীয়ে গোপাল গগৈক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে। '২৬ৰ বিধানসভা নিৰ্বাচনৰ তাৰিখ ঘোষণা হোৱাৰ পূৰ্বেই সৰুপথাৰৰ ৰাজনৈতিক মহলে বিশেষভাৱে চৰ্চা লাভ কৰিছে। ইটোৰ পিছত সিটো কাণ্ডই সৰুপথাৰৰ ৰাজনীতিত তোলপাৰ লাগিছে। দেওবাৰে গোপাল গগৈ নামৰ ব্যক্তিজনে ফেচবুকযোগে সৰুপথাৰৰ বিধায়কগৰাকীৰ বিৰুদ্ধে ফেচবুকত লিখিছিল এইদৰে, "নিকৃষ্টৰ শুকানৰ আদেশত অন্ধ ভক্ত সকলে সৰুপথাৰত ১০০ ৰো অধিক ফেক্ ফেচবুক একাউণ্ট খুলিছে, অপ-প্ৰচাৰ চলাবলৈ। বিষেক কৈ আহোমৰ উপাধি বেছি ব্যৱহাৰ কৰিছে। যেনে- ৰক্তিম গগৈ। গতিকে অলপ সাৱধান " এই পষ্টটোতেই সৰুপথাৰৰ এগৰাকী যুৱতীয়ে কমেণ্ট কৰিছিল। তেতিয়াই গোপাল গগৈয়ে অশ্লীল ফটোৰ লগতে অশালীন ব্যৱহাৰ কৰি কমেণ্ট দিছিল মুকলিকৈ। তাৰ পিছতেই যুৱতীগৰাকীৰ এজাহাৰৰ ভিত্তিত গোপাল গগৈক গ্ৰেপ্তাৰ কৰে সৰুপথাৰ আৰক্ষীয়ে। যুৱতীগৰাকীৰ পিতৃয়ে কয়, "মোৰ ছোৱালীয়ে ফেচবুকত কমেণ্ট দিছিল। সামাজিক মাধ্যমত চলি থকা তেনেধৰণৰ কমেণ্টবোৰ ঠিকেই আছিল কিন্তু কালি নিশা যিবোৰ কমেণ্ট দিছিল সেইবোৰ অশ্লীল আৰু অসংবিধানিক কথা কৈ পৰিৱেশ বিনষ্ট কৰিছে। গতিকে মোৰ ছোৱালীয়ে আজি এজাহাৰ দিছে। গোপাল গগৈয়ে যি অশ্লীল ফটো দি কমেণ্ট কৰিছিল তাৰ উচিত তদন্ত বিচাৰি আইনৰ কাষ চাপিছো।" পুনৰ কয়, "ফেচবুকত যিমানলৈকে ক'ব পাৰে কওক। কিন্তু দেওবাৰে নিশা যিদৰে অশ্লীল ফটো দি ব্যাখ্যা কৰিছে, ছোৱালীজনী নিশা শুব পৰা নাই। গতিকে এই ব্যক্তিজনৰ ওপৰত উচিত তদন্ত কৰিব লাগে। মুখ্যমন্ত্ৰী মহোদয়কো জনোৱা হ'ব এই বিষয়ে।"

# ড° বিজন দত্তৰ সোঁৱৰণত বিদ্যালয়লৈ আৰ্থিক সাহায্য

**অসম বাৰ্তা, নিমাতীঘাট, ১৭ ফেব্ৰুৱাৰী ঃ** কল্যাণী বাল্যভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰতিষ্ঠালগ্নৰে পৰা জড়িত প্ৰয়াত ড° বিজন দত্তৰ সহধৰ্মিনী মীনা দত্ত আৰু একমাত্ৰ পুত্ৰ অভিলাষ দত্তই আজি বিদ্যালয়খনৰ নতুন চৌহদত থকা নামঘৰৰ মূল গৃহ নিৰ্মাণৰ বাবে ১.৫০ লাখ টকাৰ সাহায্য আগ বঢ়ায়। তেওঁলোকে বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য নিযুত কুমাৰ দত্ত, নন্দেশ্বৰ দত্ত, অধ্যক্ষা বিশ্বজিতা বৰপূজাৰী, উপাধ্যক্ষ দুলাল শইকীয়া, শিক্ষয়িত্ৰী কল্পনা দত্তৰ উপস্থিতিত পৰিচালনা সমিতিৰ সভাপতি ড° হেমেন শইকীয়াৰ হাতত ধনৰাশি অৰ্পণ কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক শৈক্ষিক, আধ্যাত্মিক তথা নৈতিক দিশত আগ বঢ়াই ভৱিষ্যতে এজন সুনাগৰিক হিচাপে গঢ় দিয়াত পৰিয়ালটোৰ এই আৰ্থিক সাহায্যই সহায় কৰিব বুলি আশা কৰি বিদ্যালয় কৰ্তৃপক্ষ আৰু পৰিচালনা সমিতিয়ে ধন্যবাদ জনায়।

# লখিমপুৰ জিলা হৰিজন মজদুৰ সংঘৰ প্ৰতিনিধিমূলক সভা সম্পন্ন



**অসম বাৰ্তা, লীলাবাৰী, ১৭ ফেব্ৰুৱাৰী ঃ** লখিমপুৰ জিলা হৰিজন মজদুৰ সংঘৰ প্ৰতিনিধিমূলক সভাখনি ১৫ ফেব্ৰুৱাৰীত লখিমপুৰ চহৰৰ ১৩ নং ৱাৰ্ডস্থিত হৰিজন মজদুৰ কলনিৰ মা-কালী মন্দিৰ প্ৰাঙ্গণত অনুষ্ঠিত হৈ যায়। অসম বহুভাষিক কবি সন্মিলন তথা কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কাৰ্যকৰী সভাপতি, বিশিষ্ট যুৱ সাহিত্যিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচ আৰু উত্তৰ লখিমপুৰ নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী মুফতি আব্দুল হাছিবৰ তত্ত্বাৱধানত অনুষ্ঠিত প্ৰতিনিধিমূলক নবীকৰণ সভাখনি মজদুৰ সংঘৰ সভাপতি মুন্না বাজফৰে সভাপতিত্ব কৰে আৰু সহকাৰী সম্পাদক সমীৰ বাছফৰে উদ্দেশ্য ব্যাখ্যা কৰে। মাংগলিক কাৰ্যসূচী, মৌন প্ৰাৰ্থনাৰে শুভাৰম্ভ কৰা বৈঠকখনিত সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে, সৰ্বসন্মতিক্ৰমে আগন্তুক কাৰ্যকালৰ বাবে মুন্না বাছফৰক সভাপতি, সূৰজ বাছফৰ, ৰশ্মি বাছফৰ উপ-সভাপতি, সূৰজ বাছফক সম্পাদক, সমীৰ বাছফৰ, কৰ্ণ বাছফৰক সহকাৰী সম্পাদক, সাগৰ বাছফৰক কোষাধ্যক্ষ, ৰাজেশ বাছফৰ, হেমা বাছফৰ, নিধি বাছফৰক সাংগঠনিক সম্পাদক আৰু ৰূপজ্যোতি দত্ত কোচ, মুফটি আব্দুল হাছিবক উপদেষ্টা হিচাপে লৈ মুঠ ৪৫ জনীয়াকৈ এখনি শক্তিশালী সমিতি গঠন কৰে। লখিমপুৰ জিলা হৰিজন মজদুৰ সংঘৰ উপদেষ্টা প্ৰথিতযশা যুৱ সাহিতিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচ আৰু মুফটি আব্দুল হাছিৰে হৰিজন চাফাই কৰ্মীসকলৰ সামাজিক সংগঠনটিৰ লক্ষ্য-উদ্দেশ্য, ভৱিষ্যত কাৰ্য-পন্থা আদিৰ সন্দৰ্ভত পুংখানুপংখভাৱে পৰ্যালোচনাৰে সাৰুৱা বক্তব্য আগবঢ়ায়। সৰ্বসন্মতিক্ৰমে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত কৰা সভাখনিত প্ৰয়াত নন্দলাল বাছফৰ, পাৰ্বতী বাছফৰৰ বহুমূলীয়া অৱদানক সভাই একমুখে স্বীকাৰ কৰি শলাগ লয়। সভাখনিত বাছফৰ যুৱ মঞ্চৰ ৰাজ্যিক কাৰ্যকৰী সভাপতি ৰাজদেউ বজফৰে ভ্ৰাম্যভাষৰ জৰিয়তে একাষাৰ কোৱাৰ লগতে নৱ-নিৰ্বাচিত নেতৃবৃন্দক পূৰ্ণ সহযোগৰ সামাজিকভাৱে প্ৰতিশ্ৰুতি দিয়ে। শেষত লখিমপুৰ জিলা হৰিজন বাছফৰ সংঘৰ উপদেষ্টা ৰূপজ্যোতি দত্ত কোচে শুভেচ্ছামূলক চমু বক্তব্য, জিলা সভাপতি মুন্না বাছফৰে শলাগৰ শৰাই আগবঢ়োৱাৰ অন্তত জাতীয় সংগীতেৰে নবীকৰণ সভাখনৰ সামৰণি পৰে।

# ৰাইজৰ দলৰ প্ৰাৰ্থী অধিবক্তা পাৰভেছ ৰহমানৰ নিৰ্বাচনী ৰণকৌশল

**অসম বাৰ্তা, সৃজনগ্ৰাম, ১৭ ফেব্ৰুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ অগ্ৰিম বতাহে দহিছে নৱগঠিত সৃজন গ্ৰাম সমষ্টি ৰাইজৰ লগতে প্ৰাৰ্থীত্ব প্ৰত্যাশী সকলক। কি শাসক, কি বিৰোধী দুই পক্ষৰ প্ৰাৰ্থী বাছনি প্ৰক্ৰিয়া তুংগত ৰাইজৰ মাজত। সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ নিৰ্বাচনকলৈ ব্যাপক আলোচনাত ব্যস্ত হোৱা ৰাইজৰ সমান্তৰাল ভাৱে দেখা গৈছে প্ৰাৰ্থীত্ব প্ৰত্যাশী সকলৰ মাজত খদমদম। এনে এক প্ৰেক্ষাপটত ১৭ নং সৃজনগ্ৰাম বিধানসভা সমষ্টিত ৰাইজৰ দলে আগন্তুক বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি তৎপৰতা ব্যাপকভাৱে বৃদ্ধি কৰিছে। ৰাইজৰ দলৰ প্ৰাৰ্থী অধিবক্তা পাৰভেছ ৰহমানে নিৰ্বাচনী ৰণকৌশল প্ৰস্তুত কৰি ভোটাৰৰ ঘৰে ঘৰে যোৱা পৰিলক্ষিত হৈছে। সমান্তৰাল ভাৱে অধিবক্তা ৰহমানৰ নেতৃত্বত সমষ্টিত নিৰ্বাচনী ৰণকৌশল প্ৰস্তুতৰ কাম খিপ্ৰতাৰে আগবাঢ়িছে। ইতিমধ্যে ১৭ নং সৃজন গ্ৰাম সমষ্টিত ৰাইজৰ দলৰ কাৰ্যনিৰ্বাহক সভাত আগন্তুক নিৰ্বাচনী প্ৰচাৰৰ কৌশল, সংগঠন শক্তিশালী কৰা আৰু ভোটাৰৰ সৈতে সংযোগ বৃদ্ধি কৰাৰ ওপৰত বিস্তৃত আলোচনা কৰে। সভাখনত দলৰ কৰ্মীসকলক আগন্তুক দিনসমূহত কেনেদৰে সমষ্টিত সক্ৰিয় ভূমিকা পালন কৰিব লাগিব, সেই সন্দৰ্ভত দিশনিৰ্দেশ প্ৰদান কৰে ৰাইজৰ দলৰ প্ৰাৰ্থী পাৰভেছ ৰহমান। উল্লেখযোগ্য যে বিৰোধী ঐক্য মঞ্চৰ আসন বুজাবুজি চূড়ান্ত হোৱাৰ প্ৰাক্‌মুহূৰ্তত সৃজন গ্ৰাম সমষ্টিত কংগ্ৰেছ দলৰ ভিতৰত টিকট প্ৰত্যাশীৰ ভিৰ দেখা গৈছে। কংগ্ৰেছৰ পাঁচ গৰাকী টিকট প্ৰত্যাশী টিকট লাভৰ আশাত শীৰ্ষ নেতাৰ পিছে পিছে ঘূৰি থকা সময়তে ৰাইজৰ দলে ভোটাৰৰ দুৱাৰমুখে দুৱাৰমুখে সংযোগ স্থাপনত অধিক গুৰুত্ব আৰোপ কৰিছে। সৃজনগ্ৰাম সমষ্টিত ৰাইজৰ দলৰ কৰ্মীসকলৰ মাজত দেখা দিয়া ব্যাপক উছাহ-উদ্দীপনাই এক প্ৰকাৰ অগপ দল আৰু এ আই ইউ ডি এফ দলৰ শিবিৰত উদ্বেগ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। বিশেষকৈ বিৰোধী ঐক্য মঞ্চত ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে ১৭নং সৃজন গ্ৰাম সমষ্টিক লৈ গ্ৰহণ কৰা আকোৰগোজ স্থিতি অৰ্থাৎ এইবাৰ তয়া ময়া ৰণ হ'ব বুলি কোৱাৰ পিছৰে পৰাই কৰ্মীসকলক অধিক উৎসাহিত কৰিছে। আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজত আসন বুজাবুজি চূড়ান্ত হোৱাৰ আগতেই ১৭নং সৃজনগ্ৰাম সমষ্টিত ৰাইজৰ দলৰ বিশেষ তৎপৰতা দেখি সঁচেতন মহলত এতিয়া চৰ্চা চলিছে। দুই গগৈৰ সম্প্ৰতি আলোচনাত চৰ্চিত ১৭ নং সৃজনগ্ৰাম সমষ্টি ৰাইজৰ দলক এৰি দিয়াৰ কোনো প্ৰতিশ্ৰুতি ইতিমধ্যে হৈছে নেকি—এই প্ৰশ্নই এতিয়া ৰাজনৈতিক মহলত নতুনকৈ চৰ্চা লাভ কৰিছে।

# দেৰগাঁৱৰ জনাৰ্দন নাট্যগোষ্ঠীৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ সফল পৰিসমাপ্তি

**অসম বাৰ্তা, দেৰগাঁও, ১৭ ফেব্ৰুৱাৰী ঃ** দেৰগাঁৱৰ মধ্য বঙালগাঁও বিষ্ণুপুৰ নামঘৰত ১৪ ফেব্ৰুৱাৰী শনিবাৰে জনাৰ্দন নাট্যগোষ্ঠীৰ উদ্যোগত আৰু স্থানীয়া ৰাইজৰ সহযোগত গুৰুজনাৰ অনুপম সৃষ্টি ভাওনা সংস্কৃতি ধৰি ৰখাৰ উদ্দেশ্যে প্ৰতিষ্ঠা হোৱা জনাৰ্দন নাট্যগোষ্ঠীৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি প্ৰথমবাৰৰ বাবে বৰ্ণাঢ্য কাৰ্যসূচীৰে সদৌ অসম ভিত্তিত ভাওনাৰ একক সংলাপ প্ৰক্ষেপণ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা পৰিৱেশ নিকাকৰণৰ পাছতে পতাকা উত্তোলন কৰে জনাৰ্দন নাট্য গোষ্ঠীৰ সভাপতি দ্বীজেন গন্ধিয়াই। ভকত আদৰণি, নাম-প্ৰসংগৰ পাছতে দুপৰীয়া ভাগলৈ অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সদৌ অসম ভিত্তিত ভাওনাৰ একক সংলাপ প্ৰক্ষেপণ প্ৰতিযোগিতা পুৰুষ আৰু মহিলা দুটা শাখাত অনুষ্ঠিত হয়। সন্ধিয়া প্ৰতিযোগিতাৰ ফলা-ফল আৰু বঁটা বিতৰণী অনুষ্ঠানৰ পাছতে জনাৰ্দন নাট্যগোষ্ঠীৰ দ্বাৰা "বিপ্ৰ দামোদৰ আখ্যান দন্তবক্ৰৰ মুক্তি লাভ" ভাওনা প্ৰদৰ্শনেৰে অনুষ্ঠানৰ সফল পৰিসমাপ্তি ঘটে। ভাওনাৰ একক সংলাপ প্ৰক্ষেপণ প্ৰতিযোগিতাত বিভিন্ন জিলাৰ প্ৰতিযোগী সকলে অংশগ্ৰহণ কৰে। বিচাৰকৰ ফলাফল অনুসৰি পুৰুষৰ নিম্ন শাখাৰ প্ৰথম শ্ৰেষ্ঠ গৌৰৱ বৰুৱা(একলব্য), দ্বিতীয় শ্ৰেষ্ঠ প্ৰয়াস পৱন বৰা(বভ্ৰুবাহন), তৃতীয় শ্ৰেষ্ঠ অভিনৱ গগৈয়ে(কৰ্ণ) লাভ কৰে। মহিলা নিম্ন শাখাৰ প্ৰথম স্থান লাভ কৰে হেপ্পী ৰাজবংশী (সুপৰ্ণখা) দ্বিতীয় স্থান সুকন্যা বৰা(গান্ধাৰী)। পুৰুষৰ উচ্চ শাখাৰ প্ৰথম স্থান লাভ কৰে প্ৰকাশ বৰুৱা ( হিৰিম্বা), দ্বিতীয় স্থান দেৱশ্ৰী হাজৰিকা(ৰাৱণ) তৃতীয় স্থান চিৰঞ্জীৱ ভূঞা ( বভ্ৰুবাহন)। মহিলা উচ্চ শাখাৰ প্ৰথম স্থান লাভ কৰে শিল্পী হাতিবৰুৱা দাস( দ্ৰোপদী), দ্বিতীয় স্থান নিমিষা বৰা(দেৱযানী) আৰু তৃতীয় স্থান ৰাজলক্ষ্মী দত্ত (সুপৰ্ণখা)।

# আলি-আঃয়ে লৃগাং

পৃথিৱীৰ প্ৰাচীন উৎসৱসমূহলৈ মন কৰিলেই বুজিব পাৰি যে বেছিভাগ উৎসৱ আয়োজন কৰা হৈছিল ঋতুভিত্তিত আৰু তাৰ সৈতে জড়িত হৈ থাকে কৃষি। সেয়া চীন দেশৰ শৰৎকালীন উৎসৱ ঝু, (Zhou) ৰোমৰ লুপাৰকেলিয়া( Lupercalia) উৎসৱ আদিৰ পৰা বুজিব পাৰি। ৰোমৰ লুপাৰকেলিয়া (Lupercalia) উৎসৱত পৰিৱেশিত নৃত্য, গীত আদি খেতি আৰু কৃষ্টিৰ সৈতে জড়িত, ঠিক একেদৰে মিচিং সকলৰ "আলি-আঃয়ে লৃগাং" উৎসৱটিও কৃষি আৰু কৃষ্টিৰ ভিত্তিত উদ্ভৱ হোৱা। অসমৰ বিভিন্ন জনজাতি সকলৰ ভিতৰত সাংস্কৃতিকভাৱে চহকী জাতিটোৱেই হৈছে মিচিং জনগোষ্ঠী। অসমৰ দ্বিতীয় বৃহৎ জনজাতি জনগোষ্ঠী মিচিং সকলৰ স্বকীয় কৃষি ভিত্তিক জাতীয় উৎসৱ "আলি আঃয়ে লৃগাং"। এই উৎসৱটো মিচিং সকলৰ সাতামপুৰুষীয়া পৰম্পৰা কৃষিভিত্তিক প্ৰধান উৎসৱ হিচাপে প্ৰতিপন্ন হৈছে। এই জনগোষ্ঠীৰ জীয়াই থকাৰ একমাত্ৰ সম্বল হৈছে কৃষি, বিশেষকৈ আহুধানৰ খেতিৰ ওপৰতেই অতীতৰে পৰা নিৰ্ভৰশীল। ফাগুন মাহৰ কেইবাদিনৰ আগৰ পৰাই মিচিং গাওঁবোৰত পৰম্পৰাগত পানীয় পঃৰ, নগিন আপং প্ৰস্তুত কৰে। লৃগাংৰ বাবে মিচিং ডেকা-গাভৰু, জীয়ৰী-বোৱাৰী ব্যস্ত হৈ পৰে। মিচিং জনগোষ্ঠীৰ কৃষিভিত্তি উৎসৱ আলি আঃয়ে লৃগাং প্ৰতিবছৰে ফাগুন মাহৰ পহিলা বুধবাৰে উলহ-মালহৰে পালন কৰা হয়। অসমৰ চুকে-কোণে বসবাস কৰা কৃষি কৰ্মত নিয়োজিত মিচিং সকলে এই উৎসৱ উদ্‌যাপন কৰে। কৃষিজীৱী মিচিঙৰ জাতীয় পৰিচয় হৈছে "আলি আঃয়ে লৃগাং"। চন্দ্ৰ, সূৰ্য্য, অগ্নি, বৰুণ দেৱতাক সাক্ষী কৰি উপৰিপুৰুষলৈ পূজা সেৱা আগবঢ়াই পৰমেশ্বৰক প্ৰাৰ্থনা জনায় ৰীতি-নীতিৰে আহুধানৰ কঠীয়া সিঁচে, কাঠ আঁলু, মিঠা আলুৰ সঁচ ৰোপণ কৰে। অপায় অমঙ্গল বিনাশ ঘটাই আই বসুমতী উৰ্বৰা হ'ব। "আলি-আঃয়ে লিগাংৰ" অৰ্থ হৈছে আলি মানে কঠীয়া, আঃয়ে মানে গছৰ গুটি, লিগাং মানে সিঁচিবলৈ আৰম্ভ কৰা অৰ্থাৎ বীজ সিঁচাৰ দিন, ফাগুনতে নাঙলৰ শিৰলুত আহুতলী প্ৰাণ পাই উঠে। কৃষিভিত্তিক স্বকীয় জাতীয় উৎসৱত ধৰিত্ৰীৰ বুকুত সিঁচি দিয়ে কৃষ্টিৰ সৃষ্টিৰে আহুধানৰ কঠীয়া। অংকুৰিত হৈ পোখা মেলিব সোণগুটিৰ বীজ। বীজ ৰোপণৰ পিচতেই আবাল বৃদ্ধ বনিতা সকলোৰে ছন্দোময় গুমৰাগ নৃত্য পৰিৱেশন কৰি উৎসৱমুখৰ হৈ মুৰং ঘৰৰ বাকৰিয়ে প্ৰাণ পাই উঠে। লৃগাং নৃত্যত মিচিং জনগোষ্ঠীৰ জীৱন শৈলীৰ আচল স্বৰূপটো নৃত্যৰ দ্বাৰা প্ৰকাশ কৰা হয়। তালৰ গতিত ছন্দোময়তা আৰু গতিশীলতা আছে। মিচিং জনগোষ্ঠীৰ আধ্যাত্মিকতা, সংস্কৃতি, পৰম্পৰা, কৃষিৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু জীৱন শৈলীৰ এক মধুৰতম সম্পৰ্কৰ ছবি প্ৰকাশ পায়। লৃগাঙৰ সকলো নিয়ম শেষ কৰাৰ পিচত সকলোৱে ছাই মদ, পোৰা গাহৰি মাংস, শুকান মাছ, তৰা পাতত সিজোৱা বৰা চাউলৰ পুৰাং আপিন(বৰা চাউলৰ টোপোলা ভাত)আদি খাদ্যৰ জুতিৰে এসাঁজ খায়। বিশাল আকাৰৰ বাকৰিত লঃলে লঃলে ঢোলৰ চাপৰ। ঢোলৰ চাপৰ, মিঠা সুৰীয়া ঐনিঃতমৰ সুৰত আই বসুমতী সৃষ্টিসম্ভৱা গৰ্ভৱতী হ'ব। মেঘ, বতাহ, বৰষুণ বসুন্ধৰাৰ ধাৰালৈ নামি আহিব। শস্য শ্যামলাৰে ধৰিত্ৰীৰ বুকু জীপাল হ'ব। লৃগাং মানেই ঐনিতম আৰু ডেকা-গাভৰুৰ গুমৰাগ নৃত্য। আকাশ-পাতাল যেন সাৰপাই উঠিব।

লৃগাঙৰ দিনা পুৱাতে গা ধুই সকলোৱে নিজৰ পথাৰত বা বাৰীৰ এচুকত ধান সিঁচা নিয়ম কৰে। পথাৰত চহাই থোৱা মাটি ডৰাত সাধাৰণতে পুব কোণত দহ-বাৰ বৰ্গফুটৰ এডোখৰ ঠাই নিৰ্বাচন কৰি তাত আশুধান সিঁচা কাৰ্য আৰম্ভ কৰে প্ৰতীকী ৰূপত। ঠাইডোখৰ খাগৰিৰে চাৰিসীমাত খুটি পুতি সূতাৰে বান্ধি সীমা চিহ্নিত কৰে। তাৰ পিচত চন্দ্ৰ, সূৰ্য, বায়ু, অগ্নি, বৰষুণ, বিজুলী, ঢেৰেকনি, লক্ষ্মীদেৱী, তথা পূৰ্বপুৰুষসকলক স্মৰণ কৰি শুভদিনত আহুখেতি আৰম্ভ কৰিছোঁ বুলি সেৱা জনায়। ঘৰৰ মুখিয়ালজনে পথাৰত আগবেলা এই কাম সম্পন্ন কৰে। পথাৰৰ পৰা আহি গৃহস্থ জনে জুহালৰ(মৌলাঙৰ) চাৰিওফালে আপং ঢালি পোক পৰুৱা, জীৱ-জন্তুৱে অনিষ্ট নকৰিবলৈ মৃতকক, উপৰিপুৰুষক, ইষ্টদেৱতাক স্মৰণ কৰি প্ৰাৰ্থনা কৰে। ৫ দিনৰ গেনা ৰাখে। এই পাঁচ দিনত মিচিং মানুহে ঘৰত তেলত ভজা খাদ্য নাখায়, দা, কোৰ, নাঙল আদিৰে কাম নকৰে। ধানৰ কঠীয়া গজাত অপকাৰ হ'ব পাৰে বুলি ভাবি এই নিয়ম পালন কৰে। পাঁচ দিনৰ পিছত গেনা ভঙা দিনটোক লিঃলেন বুলি কোৱা হয়। "আলি আঃয়ে লৃগাং" মিচিং জনগোষ্ঠীৰ আবেগ, প্ৰাণৰো প্ৰাণৰ উৎসৱ।


আল্পনা দলে

*গুৱাহাটী(বীৰকুছি), নাৰেংগী*





# মিছিং জীৱনধাৰাৰ প্ৰতিচ্ছবি আলি আঃয়ে লৃগাং

## সত্যব্ৰত বৰা

আলি আঃয়ে লৃগাং মিছিং জনগোষ্ঠীৰ জীৱনধাৰা, বিশ্বাস আৰু কৃষিভিত্তিক সংস্কৃতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত এক অতি গুৰুত্বপূৰ্ণ উৎসৱ। এই উৎসৱ মিছিং সমাজৰ সামাজিক ঐক্য, পৰম্পৰা, প্ৰকৃতি-চেতনাবোধ আৰু পৰিশ্ৰমী জীৱনৰ প্ৰতীক। বছৰৰ ফাগুন মাহৰ প্ৰথমটো বুধবাৰে আলি আঃয়ে লৃগাং পালন কৰা হয়। মিছিংসকলে বুধবাৰক অতি শুভ, লখিমী আৰু সৌভাগ্যৰ দিন বুলি গণ্য কৰে। উক্ত দিনটোত আহু ধানৰ বীজ সিঁচাৰ আনুষ্ঠানিক আৰম্ভণি কৰা হয়, যাৰ মাজেদি নতুন কৃষি বছৰৰ সূচনা ঘটে।

মিছিং জনগোষ্ঠী মূলতঃ নদীনিৰ্ভৰ, কৃষিনিৰ্ভৰ এক সমাজ। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদীৰ পাৰত বসবাস কৰা মিছিং জনগোষ্ঠীৰ জীৱন-যাপন প্ৰকৃতিৰ সৈতে গভীৰভাৱে জড়িত। নদী, বন, মাটি আৰু বতাহে মিছিংসকলৰ বিশ্বাস আৰু সংস্কৃতিত বিশেষ স্থান দখল কৰি আহিছে। সেইবাবেই আলি আঃয়ে লৃগাং উৎসৱটো শস্যৰ অধিক উৎপাদন, প্ৰাকৃতিক শক্তিৰ কৃপা আৰু মানৱ জীৱনৰ মঙ্গল কামনাৰে উদ্‌যাপন কৰা হয়।

আলি আঃয়ে লৃগাং উৎসৱৰ এক গুৰুত্বপূৰ্ণ অংশ হৈছে ধৰ্মীয় আৰু আধ্যাত্মিক আচাৰ। মিছিংসকলে দঞিপল অৰ্থাৎ সূৰ্য আৰু চন্দ্ৰক সৰ্বশক্তিমান বুলি বিশ্বাস কৰে। সূৰ্য আৰু চন্দ্ৰক জীৱনৰ ৰক্ষক আৰু প্ৰকৃতিৰ নিয়ন্তা হিচাপে মানি তেওঁলোকৰ নাম লৈ স্তুতি গীত গোৱা হয়। এই গীতসমূহক আলি আঃয়ে লৃগাং আনন্দ আৰু ভোজনৰ উৎসৱেই নহয়। ই সামাজিক শিক্ষা আৰু নৈতিক মূল্যবোধৰো বাহক। নতুন প্ৰজন্মক শিকোৱা হয় পৰিশ্ৰমৰ মৰ্যাদা, প্ৰকৃতিৰ সন্মান আৰু সমাজৰ প্ৰতি দায়িত্ব। কৃষিকৰ্মত সকলো একেলগে অংশগ্ৰহণ কৰে। ফলত সহযোগিতা আৰু সহমৰ্মিতাৰ ভাব বৃদ্ধি পায়।

মিছিং সমাজত আলি আঃয়ে লৃগাং এ বিভিন্ন গাঁও আৰু পৰিয়ালৰ মাজত সম্প্ৰীতিৰ সাঁকো গঢ়ে। বহুদিন ধৰি দেখা নোপোৱা আত্মীয়-স্বজন উৎসৱ উপলক্ষে একেলগে মিলিত হয়। বিবাদ, মনোমালিন্য পাহৰি সকলোৱে নতুন বছৰৰ কামনা লৈ আগবাঢ়ে। মিলনমেলাই সমাজখনক শক্তিশালী কৰি তোলে।

আধুনিক সময়ত যদিও মিছিং সমাজৰ জীৱনশৈলীত বহু পৰিৱৰ্তন আহিছে, তথাপিও আলি আঃয়ে লৃগাংৰ গুৰুত্ব একেবাৰে কমা নাই। আজিও আলি আঃয়ে লৃগাং মিছিং পৰিচয়ৰ মূল স্তম্ভ হিচাপে বিদ্যমান। আধুনিক শিক্ষিত যুৱসমাজেও এই উৎসৱৰ প্ৰতি আগ্ৰহ দেখুৱাইছে আৰু ইয়াক নতুন ৰূপত আগবঢ়াবলৈ চেষ্টা কৰিছে। বহু ঠাইত সাংস্কৃতিক অনুষ্ঠান, আলোচনা সভা আৰু প্ৰদৰ্শনীৰ জৰিয়তে আলি আঃয়ে লৃগাংৰ তাৎপৰ্য নতুন প্ৰজন্মৰ আগত দাঙি ধৰা হৈছে।

আলি আঃয়ে লৃগাং য়ে প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ এক গুৰুত্বপূৰ্ণ শিক্ষা দিয়ে। শস্য উৎপাদনৰ আগতে প্ৰকৃতিৰ আশীৰ্বাদ কামনা কৰা, সূৰ্য-চন্দ্ৰক সন্মান জনোৱা আৰু পূৰ্বপুৰুষক স্মৰণ কৰা প্ৰথায়ে মানুহক বিনয়ী আৰু দায়িত্বশীল কৰি তোলে।

আলি আঃয়ে লৃগাং মিছিং জনগোষ্ঠীৰ আত্মাৰ প্ৰতিফলন। আলি আঃয়ে লৃগাং য়ে তেওঁলোকৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতক এডাল সূতাত বান্ধি ৰাখে। এই উৎসৱৰ মাজেদি মিছিংসকলে নিজৰ শিপা চিনি পায়। নিজৰ সংস্কৃতি জীয়াই ৰাখে আৰু আগন্তুক প্ৰজন্মলৈ উক্ত পৰম্পৰা আগবঢ়াই দিয়ে। আলি আঃয়ে লৃগাং অসমৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ এক অমূল্য সম্পদ।

অসমৰ সামূহিক সংস্কৃতিত আলি আঃয়ে লৃগাংৰ বিশেষ স্থান আছে। ভিন্ন ভাষা, ভিন্ন পৰম্পৰা থাকিলেও মানুহৰ মূল কামনা একেই। সেইয়া হৈছে সুখ, সমৃদ্ধি আৰু শান্তি। মিছিং জনগোষ্ঠীৰ এই কৃষিভিত্তিক উৎসৱে অসমীয়া সমাজক প্ৰকৃতি, পৰিশ্ৰম আৰু ঐক্যৰ পাঠ শিকায়। সেয়েহে আলি আঃয়ে লৃগাং এটা জীৱনদৰ্শন, যি আজিও সমানেই প্ৰাসংগিক আৰু মূল্যৱান।

# মিচিং জনগোষ্ঠীৰ বসন্ত উৎসৱ আলি-আঃয়ে-লৃগাং

আলি আঃয়ে লৃগাং বা আলি আয়েঃ লৃগাং অসমৰ দ্বিতীয় বৃহত্তম জনগোষ্ঠী মিচিং সকলৰ পৰম্পৰাগত উৎসৱ। এই উৎসৱ মূলত কৃষিৰ লগত জড়িত। ইয়াৰ অৰ্থ হৈছে- আলি (শস্যৰ বীজ), আয়ে(ফল) আৰু লৃগাং (সিঁচা)। অৰ্থাৎ ই হৈছে শস্য সিঁচা উৎসৱ। মিচিং সকলৰ বাবে ই এক বসন্তকালীন উৎসৱ। এই দিনটোৰ পৰাই তেওঁলোকে আহু ধানৰ বীজ সিচিঁবলৈ আৰম্ভ কৰে। শস্যৰ অধিক উৎপাদন কামনা কৰিয়েই নৈপৰীয়া মিচিং জনগোষ্ঠীৰ লোক সকলে এই উৎসৱ পালন কৰে। এই উৎসৱ দুটা ভাগত পালন কৰে। উৎসৱৰ প্ৰথম দিনটোৰ বাবে বাৰীৰ এটুকুৰা মাটি বিশেষ ভাৱে চহাই ঘৰৰ মুৰব্বীজনে বিশেষ মন্ত্ৰ মাতি মাটি ডৰাত কণী ভাঙি আলু, আদা, ধান আদি ৰোপণ কৰে আৰু ইয়াৰ পাছত ভগৱানলৈ বুলি 'পুৰাং' আৰু 'আপং' আগবঢ়াই কৃষিৰ উৎপাদন বৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনায়। দ্বিতীয়তে গাওঁখনৰ মুখিয়াল জনৰ ঘৰলৈ গৈ নৃত্য আদি কৰি আশীৰ্বাদ লয় আৰু ক্ৰমান্বয়ে গোটেই গাঁওখনতে নৃত্য আদি কৰি সাত দিনৰ দিনা বিহু সামৰে ঠিক আমাৰ অসমীয়া ব'হাগৰ বিহুৰ দৰে। বৃহৎ অসমীয়া জনগোষ্ঠীৰ অংশীদাৰ এই মিচিং লোক সকলে পৰম্পৰাগত ভাৱে লোক বিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই তেওঁলোকৰ প্ৰধান জাতীয় উৎসৱ সম এই উৎসৱটি সাত দিন ধৰি অতি উলহ -মালহেৰে পালন কৰে। সেই সাত দিনত তেওঁলোকে দৈনন্দিন কামৰ পৰা কিছু পৰিমাণে অব্যাহতি লৈ ঘৰে-ঘৰে নৃত্য কৰি, বিহু গায় বিহুৰ আনন্দ উপভোগ কৰে।

উল্লেখ্য যে আলি -আয়ে-লৃগাং এ অসমীয়া লোক সংস্কৃতি, লোক বিশ্বাস, নৃত্য-গীত, সুৰ, বাদ্য আদি বিভিন্ন দিশত সমৃদ্ধ কৰি আহিছে, সমৃদ্ধ কৰি তুলিছে। এই বিহুত বহুতো লোক-বিশ্বাস জড়িত হৈ আছে। মিচিং সকলে বিশ্বাস কৰে যে দেৱতাক নাচ -গানেৰে সন্তুষ্ট নকৰিলে পৃথিৱীত বৰষুণ নহ'ব। তেতিয়া শস্যৰ উৎপাদন নহ'ব। সেয়ে সম্পূৰ্ণ ৰীতি-নীতি, নৃত্য- গীতৰ মাজেৰে লখিমীক সন্মান প্ৰদৰ্শন কৰাৰ লগতে উপৰি পুৰুষ সকলৰ প্ৰতিও নৈবেদ্য আগবঢ়াই যাতে তেওঁলোকৰ খেতি আদি ভাল হয় আৰু উপৰিপুৰুষৰ কোপ দৃষ্টিৰ পৰাও তেওঁলোক ৰক্ষা পৰে। উৎসৱৰ দিনা ভাত, বৰা চাউল তথা ছাই মদ( আপং) আদি আগবঢ়াই 'দঞি পল' (সূৰ্য -চন্দ্ৰ) ৰ নাম লৈ স্তুতি গীত আগবঢ়ায়। শস্য সিঁচাৰ আৰম্ভণিৰ উলাহতে সকলোৱে মিলি-জুলি সমূহীয়াকৈ ভোজ-ভাত খাই নৃত্য-গীত পৰিৱেশন কৰে।

অসমত বাস কৰা মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত লোকনৃত্য - গুমৰাগ প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে এই নৃত্য কেৱল লৃগাংতহে প্ৰদৰ্শন কৰা হয়। মূলতঃ কৃষি ভিত্তিক এই উৎসৱে বিভিন্ন জনৰ মাজত ঐক্য আৰু সম্প্ৰীতিৰ সাঁকো গঢ়ি, কৃষি কৰ্মৰ বাবে নিয়োজিত হ'বলৈ সকলো মিচিং সম্প্ৰদায়ৰ লোকক সক্ৰিয় আৰু কৰ্মঠ কৰি তোলে। মিচিং জনগোষ্ঠীৰ এক অন্যতম পৰিচয় দাঙি ধৰা উৎসৱ আলি আঃয়ে লৃগাং সম্প্ৰীতিৰো উৎসৱ।

***নিবেদিতা হাজৰিকা***
*লখিমপুৰ*

# ফাগুনে মায়া জানে

## ড° জাহ্নৱী লহকৰ বৰুৱা

মোকতো পোৱাই চিনি, মই যে
ফাগুন
আঁকৰা কবিৰ স'তে চুপতি মৰাৰ বাবে
মোৰতো বহুত বদনাম।

ঋতুৰ বুকুত বছৰৰ মাহবোৰে ৰূপ সলায়। ফাগুন, চ'ত এই যে মাহবোৰ! কি যে তীব্ৰ আকৰ্ষণ! স্বপ্নাতুৰ, আশাবাদী মানুহৰ স্বপ্ন, আশা-এই মাহবোৰৰ বুকুতে ব্যাপ্ত হৈ আছে। ঋতু, মাহ, বছৰৰ পৰিৱৰ্তন এটা নৈসৰ্গিক পৰিঘটনা। শীতকালৰ নীৰস, ধুসৰ, শুকান প্ৰাকৃতিক পৰিৱেশে মনবোৰ নিৰালস্য কৰি তোলে। আউলী-বাউলী হৈ বৰদৈচিলাজনী মাকৰ ঘৰলৈ গ'ল বুলিয়েইনো শ্যামৰঙী গছ-লতিকাৰে ভৰা আৱৰণ ছিন্ন-ভিন্ন কৰি নাওঠ কৰিব পায়নে? একেবাৰে ৰিঙা-ৰিঙা উদাস হৈ পৰে মন। সঁচাকৈ ফাগুনৰ কত যে বদনাম! কোনোৰ মতে দুষ্ট ফাগুন, কোনোৰ মতে বলিয়া ফাগুন, আকৌ কোনোৰ মতে হেঁপাহৰ ফাগুন। ফাগুনক যি নামেৰেই অভিহিত নকৰক কিয়, ফাগুন ৰং, ৰূপ, ৰসেৰে পৰিপূৰ্ণ মাহ।

**ফাগুন ঃ মায়াময়-প্ৰেমময় ঃ**

ফাগুনৰ মায়াময় স্পৰ্শই উৰুৱাই নিয়ে জাৰত কুচি মুচি ৰৈ থকা মনবোৰক আকাশে-বতাহে।

ফাগুনে মায়া জানে
ৰাতি হ'লে শুকান ডালে-ডালে
জোন জ্বলি উঠে
হিয়া ভাঙি অমাতৰ মাত মাতে
কৰুণ কেতেকীয়ে।

ফাগুনৰ মায়াত বন্দী কবিৰ মন। শব্দৰ গুঞ্জনে কবিক মতলীয়া কৰাৰ সময় এয়া। সেই যে আহিনৰ সেউজীয়া পথাৰখনে ঔদাহ্যভাৱেৰে চাই ৰয় ফাগুনৰ চঞ্চলতাক। কাৰণ পথাৰৰ বুকুত যে এতিয়া সন্তানক হেৰুওৱাৰ ব্যথা। নাই কোনো সেউজ শীতলতা। তেনে পৰতে ফাগুনে লৈ আহে বা ৰিব্ ৰিব্ মলয়াৰ গান। শুকান পাতত বাজি উঠে ভায়'লিনৰ লহৰ। চৌদিশ উৰুঙা। তথাপি পথাৰে বাট চায় ৰয় উদং বুকুৰ তৃপ্ততালৈ। এজাক বৰষুণে যেন ঢৌৱাই নিয়ক নৰানিৰ বেদনা। কৰি তোলক পথাৰক সেউজ, শীতল, মায়াময়।

আজি ফাগুনৰ পুৱাবেলাতে
মেঘে ওন্দোলাই আনিলে
আবতৰতে নীলা আকাশত
ক'লা ৰং কোনে সানিলে?

**ফাগুন ঃ গীতিময় জীৱনৰ আলাপ ঃ**

অ' ফাগুনৰে উতলা বা
গুচি যা, গুচি যা...

সঁচাকৈ ফাগুন উতলা। উতলা কৰি তোলে ডেকা- গাভৰুৰ দেহ-মন। ফাগুনৰ উতলা বাছাটিয়ে গাভৰুজাকৰ কাণে কাণে গুনগুনাই যায় প্ৰেমৰ বতৰা। প্ৰেমপিয়াসী যৌৱনমতী গাভৰুজাকৰ মন ৰাইজাই কৰি তোলে। ধূলিৰ অৱগুণ্ঠন গুচাই ডেকা-গাভৰুজাকে আলাপ কৰে জীৱনৰ। ফাগুনৰ শুকান বতৰৰ লগত ধেমালি কৰি কৰি কান্দি উঠা গংগাচিলনীৰ মাতত কঁপি উঠে ফাগুনৰ দুপৰীয়া। কেতেকীৰ কৰুণ বিননিত গভীৰ হৈ পৰে নিশাৰ গভীৰতা।

মোৰ ফাগুন আছেহি আহি বৈ
তোমাৰ কথাকে ক'বলৈ...

**ফাগুন ঃ ফুলৰ বতৰা-ৰঙৰ সঁফুৰা ঃ**

নাজানো
মন দোলে ফাগুনৰে বা
ফুল ফুলে
অ' পলাশ, শিমলু
কি ৰং, ৰঙে উতলা...

ফাগুনৰ কোলাতে মূৰ গুজি খিলখিলাই হাঁহি উঠে পলাশ, শিমলু, মদাৰে। আকাশত ৰঙৰ জুই জ্বলে। ইমান ৰঙা! ইমান উজ্জ্বলতা! ফাগুন মানেই নীলাকাশ। মুকলি আকাশখনৰ দৰেই মনবোৰ হৈ পৰে বিশাল। কেতিয়াবা বেৰসিক মেঘবোৰে আকাশ ঢৌৱাই তোলে। মেঘৰ বোকোচাত লৈ ফুৰে নীলাখামৰ চিঠি। ঠিকনা বসন্তৰ। ফাগুনে বসন কৰে বসন্তৰ প্ৰসৱ বেদনা। ফাগুনৰ ক্লীৱতা ভাঙি গছে-বনে ন-পাতে ঠুঁটিয়াই বসন্ত বতৰা আনে। থোপাথোপে ফুলবোৰৰ সৈতে নানা পক্ষীয়ে উপনিৱেশ পাতে। আকাশত উৰে ভিন্নৰঙী চিলা।

মনৰ ফাগুন আহিলে
পলাশো ফুলিলে
দেহৰ বনত কুলিৰে
সুহুৰি কঁপিলে

**ফাগুন ঃ উছৱৰ উখল-মাখল ঃ**

ফাগুনে সিঁচি দিয়ে নানা উছৱৰ বতৰা। ফাগুনৰ প্ৰথম বুধবাৰটোত উদযাপিত হয় অসমৰ বৰ্ণাঢ্য জনগোষ্ঠী মিচিংসকলৰ কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং। ফাগুন মাহতে আৰম্ভ হয় মিচিংসকলৰ নতুন বছৰ।

গিনমুৰ প'লাদ ওংক্লোকে
আনু দিটাগে
আলি গিলাছে ওংক্লোকে
গিঃ দিচিঃ পাইয়ে
আনু দিটাগচু
আলি লৃগাচু
ইইৰ পংকিৰী ওংক্লো মিঃপু
সেইঃঙনী।

এইদৰে মিচিংসকলে আদৰে নতুন বছৰটোক। ঐনিতমৰ সুৰীয়া যাদুত ফাগুনৰ আকাশ হৈ পৰে মুখৰিত। হিন্দু সমাজৰ ফল্গুৎসৱ ফাগুনতে পালন কৰা হয়। ৰঙৰ এই উৎসৱটিয়ে ফাকুৰ ৰঙেৰে মৰম, চেনেহ, ভাতৃত্ববোধৰ সাক্ষী দাঙি ধৰে।

আজি ফাগুনৰে এই মধুৰ লগন
মনময়ূৰী নাচে, জাগে ত্ৰিভুৱন
খেলো হোলী কমললোচন।
ফাগুনমাহৰ কৃষ্ণা চতুৰ্দশীৰ ৰাতি
উদ্‌যাপিত হয় শিৱৰাত্ৰি।

**ফাগুন ঃ হেঁপাহৰ গান ঃ**

চ'তৰ শেষৰ প্ৰিয় বৰষুণজাক ফাগুনৰ বৰদান। য'ত খকমকাই সাৰ পায় কুহিঁপাত, ফুলি উঠে ফুল, চৰাই-চিৰিকটিয়ে সুৰ তুলি নাচে। এইদৰে শুকানৰ পৰাই বিচিত্ৰতাৰ পয়োভৰে মনলৈ আনে প্ৰতিশ্ৰুতি, জীয়াই থকাৰ বাসনা, নতুন দিনৰ এবুকু আশা, সৃষ্টিৰ মৌকোঁহ। ফাগুনৰ বুকুতে লুকাই থাকে বসন্তৰ গান। ন-সাজৰ তন্বী সৌন্দৰ্যৰ সুধাপান কৰিবলৈ উন্মুখ হৈ থাকে পক্ষীগণ। অপেক্ষা কুহিঁপাতলৈ...

ফাগুন কোনে আনে?
পছোৱাই ক'লে 'তুমি'
গেৰুৱা বাটৰ ধূলিবোৰে ক'লে
'তুমি'
সৰি পৰা সৌ পলাশে ক'লেহি
দুয়োজনে দুয়োজনে...

সঁচাকৈ ৰঙা দলিচা পাৰি চঞ্চলা, উতলা, উতনুৱা ফাগুনক আদৰি আনে পছোৱা, ধূলি, পলাশে; যৌৱনৰ ৰঙীন দাবাগ্নিৰে হেঁপাহ উজ্জ্বলাই...

**ফাগুন ঃ অভিমানী যৌৱনা ঃ**

নিয়ম ভংগ কৰাই যে ফাগুনৰ কাম। অভিমানী যৌৱনা ফাগুনী বতাহজাকৰ কিমান যে চুপতা-চুপতি। অভিমানী, অহংকাৰী (!) বতাহজাকে গছৰ পাতৰ সেউজীয়া শেষ কৰা ফাগুনলৈ কিন্তু কাৰো খং নুঠে। ফাগুনৰ প্ৰেমত পৰে সকলোৱে। ফাগুন মানেই শীতল প্ৰলেপসনা ৰৌদ্ৰোজ্জ্বল অনাবিল পুৱা। অনামী শিহৰণ জাগৰিত হয়। ৰিক্ত হৃদয়ৰ আৱেগে চঞ্চল কৰি তোলে মনৰ পাপৰি। ফাগুন প্ৰচণ্ড অভিমানী। একোকে নাজানে। জানে মাথোঁ, স্মৃতি কাতৰতাত অৱগাহন কৰাই পৃথিৱীখনক নতুন হেঁপাহ, নতুন প্ৰতিশ্ৰুতি দিবলৈ।

বৈ বৈ চেতনাৰ অনুভৱ মাথোঁ
উমি উমি জ্বলিছে বুকু
উচপিচ ধমনীৰ ফাকুৱা তেজ
হৃদয় আৰু কলিজাৰ কোনোবাখিনিত
উথলি উঠিছে বয়সৰ দুপৰ উজাই
ফাগুন, ফাগুন এক অবুজ আৱেগ...

**ফাগুন ঃ যাদু যাদু লগা অনুভৱ ঃ**

ফাগুনে জানে মনৰ খবৰ। ফাগুনৰ বতৰত সাৰ পায় চঞ্চল সুৰৰ লহৰ। এনে সময়তে মন সাগৰত অলেখ নেদেখা ঢৌৰ প্লাৱন আহে। ৰোপিত হয় বহু সম্ভাৱনাৰ বীজ। হৃদয়ৰ পৰা হৃদয়লৈ ৰং সিঁচি দিয়া মাহ হ'ল ফাগুন। ফাগুন, ফাগুনেই। কোনেও উপেক্ষা কৰিব নোৱাৰে ফাগুনৰ মিঠা আৱেগ ভৰা আলিংগন, যৌৱনময় শিহৰিত আবেদন। সৰাপাতে কঁপাই যায় সৰ্পিল পথৰ মসৃণ অথবা ওখোৰা-মোখোৰা দেহ। স্মৃতিৰ এক যাদুকৰী এনাজৰী। যাৰ সমাপ্তি নাই। ফাগুন যাদুময়। সেই যাদুৰে হৃদয়ৰ নিভৃত কোণত উজ্জ্বলাই তোলে বহু উজাগৰী শিহৰণ।

নঙঠা গছত ঋতুৰ টোকৰ
এক ফাকুৰঙী বতৰ...

**উপসংহাৰ ঃ**

ফাগুনৰ পছোৱাই আমাৰ দেহ-মন শীতল কৰাৰ দৰেই উৰুৱাই লৈ যাওক দুখ-বেজাৰ। ফাগুনে মনত আঁকি দিয়ক শান্তি, সম্প্ৰীতি, সমৃদ্ধিৰ এক জীৱন্ত ছবি। নীল গগনৰ তলত আনন্দৰ গীত গাই উৰি ফুৰা চিলাখনৰ দৰেই মনবোৰ ৰঙাই তোলক। শুকান, নীৰস অথচ আবেদনময়তাৰে পূৰ্ণ ফাগুন। ফাগুনৰ বিচিত্ৰতাৰে জাগৰিত হয় প্ৰেৰণাৰ অফুৰন্ত অনিমেষ। ফাগুন, তুমি অনুপম ব্যঞ্জনাময়। তোমাতে ভৰপূৰ গীত, সুৰ। ফাগুন আমাক দিয়া সৰসতাৰ প্ৰতিশ্ৰুতি। দিয়া এখন শ্যামলী পৃথিৱী। দিয়া জীৱনৰ স্বপ্ন, আশা আৰু সঠিক ঠিকনা।

হালধীয়া পাতবোৰৰ দৰে
মোৰ হৃদয়ত এতিয়া কঙাল উলাহ
সৰি পৰক বুঢ়া পাতবোৰ
এতিয়া নতুনৰ সময়
কুঁহিঁপাতে কুঁহিপাতে ওলমিছে গীতৰ
কলি
পৃথিৱী সেউজীয়া হ'ব
বেলিটিয়ে লৈ আহিব
এজাক শিশুৰ হাঁহি ...

# মিচিং জনগোষ্ঠীৰ জাতীয় উৎসৱ আলি -আঃয়ে -লৃগাং

## ৰঞ্জিতা শৰ্মা

আলি-আয়ে-লৃগাং মিচিংসকলৰ জাতীয় উৎসৱ। অতীজৰে পৰা অসমৰ মিচিং সমাজে বসন্ত ঋতুৰ সৈতে সাঙোৰ খাই থকা এই উৎসৱৰ জৰিয়তে বসন্ত উৎসৱ পালন কৰে। মাঘ বিহু আৰু বহাগ বিহুৰ আনুষংগিক ৰূপে আলি-আয়ে-লৃগাং উৎসৱ পালন কৰি আহিছে। এই উৎসৱ প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰে পালন কৰা হয়। মিচিংসকলে বসন্ত ঋতুৰ আগমনৰ আগে আগে শস্যৰ উৎপন্ন কামনা কৰি এই উৎসৱ উদ্‌যাপন কৰে।

মিচিং ভাষাৰ অভিধান অনুসৰি আলি শব্দৰ অৰ্থাৎ শস্য, আয় শব্দৰ অৰ্থ ফল আৰু লৃগাঙৰ অৰ্থ হ'ল সিঁচিবলৈ আৰম্ভ কৰা। অৰ্থাৎ আলি-আয়ে-লৃগাং হৈছে শস্য সিঁচা উৎসৱ। সেয়েহে এই উৎসৱক কৃষিভিত্তিক উৎসৱ বোলে। আলি- আয়ে-লৃগাং উৎসৱৰ লগত মিচিং এটা লোকসকলৰ জাতীয় জীৱনৰ ধৰ্ম আৰু লোকবিশ্বাসৰ কথা জড়িত হৈ আছে। সাধাৰণতে মিচিংসকল কৃষিজীৱি। আলি-আয়ে-লৃগাং উৎসৱত কৃষি সম্পৰ্কীয় চিন্তা-চৰ্চা, ধ্যান-ধাৰণা, লোকবিশ্বাস আদি জড়িত হৈ আছে। মিচিংসকলৰ সমাজ জীৱনৰ সুস্পষ্ট সুন্দৰ চিত্ৰ এখন এই উৎসৱত পালন কৰা লোকাচাৰ সমূহৰ মাজেৰে পৰিস্ফুট হয়। প্ৰথম অৱস্থাত ফাল্গুন, চ'ত বা বহাগ মাহৰ কোনো এটা দিনত এই উৎসৱ উদযাপন কৰিছিল। ১৯৫৬ চনত মিচিংসকলৰ বৃহত্তম আৰ্থ-সামাজিক অনুষ্ঠান হানে কেবাঙে আলি-আয়ে-লৃগাং উৎসৱ ফাল্গুন মাহৰ প্ৰথম বুধবাৰে পালন কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়। তেতিয়াৰ পৰাই ফাগুন মাহৰ প্ৰথম বুধবাৰে আলি আয়ে লৃগাং উৎসৱ পালন কৰা হয়। মিচিংসকলৰ জনবিশ্বাস মতে সপ্তাহৰ বুধবাৰটো মাংগলিকসূচক আৰু শক্তিশালী দিন। আকৌ ফাল্গুন মাহ সকলো ফালৰ পৰাই শ্ৰেষ্ঠ। কিয়নো এই সময়ত খোৱা-বোৱাৰ বিশেষ নাটনি নহয়। সেয়ে ফাল্গুন মাহৰ প্ৰথম বুধবাৰটোত উত্তম দিন হিচাপে ভবা হয় আৰু আলি-আয়ে-লৃগাং উৎসৱ পালন কৰা হয়। এই উৎসৱত মিচিং লোকসকলে শস্য সিঁচাৰ লগতে সকলোৱে মিলিজুলি সমূহীয়াকৈ ভোজ-ভাত খাই নৃত্য-গীত কৰে। আলি-আয়ে-লৃগাং উৎসৱৰ প্ৰতিটো দিশতে তাৎপৰ্যপূৰ্ণ আৰু সৃষ্টিমূলক তথ্য নিহিত হৈ আছে। লৃগাং উৎসৱৰ মাংগলিক শ্লোকবোৰত সূৰ্য্য, চন্দ্ৰ আৰু পৃথিৱীক উদ্দেশ্য কৰি সমগ্ৰ মানৱ জাতিৰ মংগল কামনা কৰা হয়। আলি-আয়ে-লৃগাং উৎসৱৰ প্ৰায় দুই সপ্তাহ মানৰ আগৰ পৰাই প্ৰস্তুতি আৰম্ভ হয়। গৃহিণী সকলে পঃৰ আপং, নগিন আপং আৰু পুৰাং আপিন(তৰা পাতেৰে চাউলৰ টোপোলা বান্ধি প্ৰস্তুত কৰা বিশেষ ভাত ) প্ৰস্তুত কৰাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সমূহ যোগাৰ কৰে।

আলি -আয়ে-লৃগাংত ব্যৱহাৰ হোৱা সকলো কাপোৰ মিচিং মহিলা সকলে আগতীয়াকৈ তৈয়াৰ কৰি লয়। আলি -আয়ে-লৃগাং উৎসৱৰ দিনা ৰাতিপুৱাই ঘৰৰ মুখিয়াল জনে পথাৰলৈ গৈ শস্যৰ গুটি সিঁচি আহে। লগতে খেতিৰ লগত জড়িত নিত্য ব্যৱহাৰ্য দা-কোৰবোৰ আপঙেৰে ধোৱে আৰু সেইদিনা লৈ সেইবোৰ ভালদৰে চাঙত তুলি থৈ দিয়ে। সেই দিনা সেইবোৰ অস্ত্ৰেৰে বাঁহ, বেত, খেৰ আদি কাটিব নাপায় বুলি মিচিং সকলৰ বিশ্বাস। সেইদিনা গাঁৱৰ ৰাইজে প্ৰতি ঘৰলৈ গৈ প্ৰীতি ভোজন কৰে আৰু গৃহস্থৰ মঙ্গল কামনাৰে আশীৰ্বাদ দিয়ে। লগতে ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে সমূহীয়াকৈ ভোজ-ভাতৰ আয়োজন কৰে। ভোজ-ভাতৰ বাবে প্ৰস্তুত কৰা খাদ্য-সামগ্ৰী হৈছে -মাছ, মাংস, আপং আদি প্ৰথমতে তেওঁলোকৰ ইষ্ট দেৱতা আৰু পূৰ্বপুৰুষসকলৰ স্মৃতিত উছৰ্গা কৰে। ইয়াৰ উদ্দেশ্য হ'ল পূৰ্বপুৰুষসকলৰ আত্মাৰ সন্তুষ্টি প্ৰদান কৰা, যাতে তেওঁলোকে তেওঁলোকৰ সতি-সন্ততিবোৰৰ মংগল কামনা কৰে। ইয়াৰ পিছত সকলোৱে আনন্দ মনেৰে ভোজন কৰে। সন্ধিয়াৰ পৰা গাঁৱৰ ডেকা-গাভৰু সকলো মিলি ৰিবিগাছেং পৰিধান কৰি পৰস্পৰে পৰস্পৰক হাতে হাত ধৰি ঘূৰণীয়াকৈ 'গুমৰাগ' নৃত্য কৰে। এই নৃত্য ঘৰৰ চাঙত বা বাহিৰতো কৰে। বিশেষকৈ মিচিং ঘৰৰ চাঙৰ 'টিপশাল'ৰ চাৰিওফালে নৃত্য কৰে। বৃত্তাকাৰে ঘূৰি নচা এই নৃত্যৰ ভঙ্গীয়ে ঋতু পৰিৱৰ্তন আৰু জীৱন চক্ৰৰ পৰিবৰ্তনক প্ৰতিফলিত কৰে। লোকবিশ্বাস অনুসৰি এই নৃত্য নকৰিলে ধানৰ গজালি ঠন্ ধৰি নুঠে, পোক-পতংগই নষ্ট কৰে বা থোক লেৰেলি যায়। নৃত্যৰ লগে লগে তেওঁলোকে গীতো গাই। ঐনিতম মিচিং সকলৰ জনপ্ৰিয় গীত। লৃগাং বিহুত ঐনিতমৰ বিশেষ প্ৰাধান্য আছে। ইয়াত আছে পোৱাৰ উল্লাস আৰু নোপোৱাৰ বেদনা। এক কথাত মিচিং সমাজত যি আছে ঐনিতমত আছে আৰু ঐনিতমত যি নাই মিচিং সমাজত নাই। একতা, ভাতৃত্ববোধ আৰু সমন্বয় সাধনত আলি-আয়ে-লৃগাং উৎসৱৰ এক উল্লেখযোগ্য বৰঙণি আছে।

# কামৰূপ জিলাত অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজনাথ বাছফৰৰ পৰ্যালোচনা সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ ফেব্ৰুৱাৰী ঃ** অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজনাথ বাছফৰৰ সভাপতিত্বত সোমবাৰে কামৰূপ জিলাৰ আমিনগাঁওস্থিত সংহত জিলা কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকল তথা পৌৰসভাৰ বিষয়াসকলৰ সৈতে চাফাই কৰ্মচাৰীসকলৰ সমস্যাৰাজিৰ পৰ্যালোচনা সভা অনুষ্ঠিত হৈ যায়। সভাত আয়োগৰ অধ্যক্ষগৰাকীয়ে প্ৰথমে জিলাখনত থকা ৰঙিয়া, পলাশবাৰী আৰু উত্তৰ গুৱাহাটী পৌৰসভাৰ বিষয়াসকলৰ পৰা পৌৰসভাৰ অধীনত নিয়োজিত চাফাইৰ কৰ্মচাৰীসকলক দি থকা ন্যূনতম মজুৰি, ই এছ আই, পি এফৰ সুবিধা, আই কাৰ্ড, তেওঁলোকৰ বাবে ছেফটি কিট যেনে গ্ল'ভছ, বুট, ৰেইনকোট আদিৰ ব্যৱস্থা কৰা, নিয়মীয়া স্বাস্থ্য পৰীক্ষা, স্বাস্থ্য বীমা, আৱাসগৃহ, বিশুদ্ধ খোৱাপানী, অনাময় ব্যৱস্থা আদি সুবিধাসমূহ লাভ কৰিছেনে নাই সেই সন্দৰ্ভত বুজ লয়। তেওঁ জিলাখনত বিভিন্ন চৰকাৰী বিভাগত নিয়োজিত চাফাই কৰ্মচাৰীসকলে ন্যূনতম মজুৰি লাভ কৰাটো নিশ্চিত কৰাৰ দিশত ব্যৱস্থা গ্ৰহণৰ বাবে জিলা শ্ৰম কল্যাণ বিভাগক নিৰ্দেশ প্ৰদান কৰে। সভাত অধ্যক্ষগৰাকীয়ে চৰকাৰী বিভাগসমূহক প্ৰয়োজন অনুসৰি চাফাই কৰ্মচাৰীৰ পদৰ বাবে প্ৰস্তাৱ দাখিল কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। লগতে অহা ১৯ ফেব্ৰুৱাৰী তাৰিখে মাচখোৱাস্থিত প্ৰাগজ্যোতিষ সাংস্কৃতিক প্ৰকল্পত চাফাই কৰ্মচাৰী সকলৰ বাবে এক সজাগতামূলক কৰ্মশালাৰ আয়োজন কৰা হৈছে বুলিও উল্লেখ কৰে আৰু উক্ত কৰ্মশালাত বিভাগীয় বিষয়া সকলক নিজ নিজ কাৰ্যালয়ৰ চাফাই কৰ্মচাৰী সকলৰ অংশগ্ৰহণ কৰাৰ বাবে তেওঁ আহ্বান জনায়। আজিৰ সভাত কামৰূপ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিত, সহকাৰী আয়ুক্ত পলাশ বৰা আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। উল্লেখ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে কামৰূপ জিলাত উপস্থিত হোৱা আয়োগৰ অধ্যক্ষ গৰাকীয়ে প্ৰথমে অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটী, ইমামী, নাই পাৰ, আমিনগাঁৱস্থিত ব্যক্তিগত চিকিৎসালয়সমূহৰ পৰিচালনা কৰ্তৃপক্ষৰ লগতে চাফাই কৰ্মচাৰীসকলৰ লগত বৈঠকত মিলিত হয়।

# ডিমাকুছিৰ ৰজাগড়ত জোঁৱায়েকৰ প্ৰহাৰত শাহুৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৭ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি থানাৰ অন্তৰ্গত ৰজাগড় কপুৰা বস্তিত যোৱা নিশা নিজ জোঁৱায়েকৰ প্ৰহাৰত শাহুৰ মৃত্যু হোৱাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে অসম-ভূটান সীমান্ত ৪ নং ৰজাগড়ৰ দুলাল ভৌমিক নামৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ চাহ খেতিত কাম কৰিবলৈ ৰখা আচন্তি কিকৰ লগত তেওঁৰ জোঁৱায়েক জেকব কেঁওটো একেলগে আছিল। যোৱা নিশা জেকবে মদ্যপান কৰি শাহুয়েকৰ লগত কাজিয়াত লিপ্ত হয় আৰু এই কাজিয়াই অন্তিম ৰূপ পায়। খঙৰ ভমকতে জোঁৱায়েক জেকবে নিজ শাহু আচন্তি কিকক প্ৰচণ্ড প্ৰহাৰ কৰে ফলত থিতাতে নিহত হয়। পিছত স্থানীয় ৰাইজে এই ঘটনা সন্দৰ্ভত অৱগত হোৱাত হত্যাকাৰী জেকব কেঁওটক বান্ধি ৰাখে আৰু ডিমাকুছি আৰক্ষীক অৱগত কৰে। নিশাই ডিমাকুছি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ হত্যাকাৰী জেকব কেঁওটক আটক কৰাৰ লগত মৃতদেহ উদ্ধাৰ কৰি ডিমাকুছি থানালৈ নিয়ে। উল্লেখ্য যে অসম-ভূটান সীমান্তত দেশী বিদেশী মদৰ অবাধ প্ৰচলনৰ বাবে বিগত দিনতো কেইবাটাও ঘটনা সংঘটিত হৈছে যদিও আৰক্ষী-আবকাৰী বিভাগে চুলাই মদৰ অবৈধ ব্যৱসায় বন্ধ নকৰাৰ পৰিনতিত ভূটান সীমান্তত এনে ধৰণৰ ঘটনা বৃদ্ধি পোৱা বুলি কয় ওদালগুৰি জিলা আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি বাবুল পাইকে। তেওঁ প্ৰশাসনক অতি সোনকালে এনে অবৈধ ব্যৱসায় বন্ধ কৰিবলৈ আহ্বান জনায়।

## আগন্তুক ২১ আৰু ২২ মাৰ্চত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত

# বিজয়গাঁও-বৰছৰা সৰ্বজনীন পালনাম মহোৎসৱৰ আয়োজন

**অসম বাৰ্তা, বাসুগাঁও, ১৭ ফেব্ৰুৱাৰী ঃ** ৪৫ সংখ্যক বাৰ্ষিক বিজয়গাঁও-বৰছৰা পালনাম মহোৎসৱভাগি অহা ২১ আৰু ২২ মাৰ্চত দুদিনীয়াকৈ পালনৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে চিৰাং আৰু বঙাইগাঁও জিলাৰ মধ্যমস্থল বিজয়গাঁও-বৰছৰা তথা বাসুগাঁও চহৰৰ নিকটৱৰ্তী ঠাই। অইন অইন বছৰৰ দৰে এই বেলিও বিজয়গাঁও-বৰছৰা গাঁও দুখনৰ লগতে ওচৰ-চুবুৰীয়া ধৰ্মপ্ৰাণ ৰাইজ তথা শুভাকাংক্ষী সকলে সৰ্বজনীন পালনাম মহোৎসৱভাগি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে ইতিমধ্যে বৰছৰা'ৰ গণেশ চন্দ্ৰ ৰায়ক সভাপতি, প্ৰদীপ কুমাৰ দাস আৰু নাৰায়ণ ৰায়ক যুটীয়া সম্পাদক হিচাপে লৈ পালনাম মহোৎসৱৰ পৰিচালনা সমিতিখন গঠন কৰা হৈছে। দুদিনীয়াকৈ পালন কৰিবলৈ আয়োজন কৰা পালনাম মহোৎসৱভাগিত জাতি, বৰ্ণ নিৰ্বিশেষে সকলোৰে সহায়-সহযোগত সাফল্য মণ্ডিত কৰি তোলাৰ বাবে আহ্বান জনায় বিজয়গাঁও-বৰছৰা সৰ্বজনীন নামঘৰ সমিতিৰ সভাপতি চন্দন কুমাৰ দাস আৰু সাধাৰণ সম্পাদক প্ৰাণেশ্বৰ ৰায়ে।

## কংগ্ৰেছ মুছলমান হত্যাকাৰী দল ঃ বিধায়ক আশ্ৰাফুল হুছেইন

# লাহৰীঘাটত বিশাল কৰ্মী সভাৰে এআইইউডিএফৰ নিৰ্বাচনী ৰণশিঙা



**অসম বাৰ্তা, ভূৰাগাঁও, ১৭ ফেব্ৰুৱাৰী ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰাক ক্ষণত ৫৩ নং লাহৰীঘাট বিধানসভা সমষ্টিত আন আন দলৰ লগতে এ আই ইউ ডি এফে নিৰ্বাচনী কুচকাৱাজৰ তুংগত কৰি তোলা পৰিলক্ষিত হৈছে। আজি লাহৰীঘাট সমষ্টিৰ এ আই ইউ ডি এফৰ একমাত্ৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী ছিদ্দিক আহমেদৰ বালিপাৰাস্থিত বাসগৃহত বিশাল কৰ্মী সভা অনুষ্ঠিত হয়। এই বিশাল কৰ্মী সভাত সমষ্টিটোৰ ৩০টা পঞ্চায়তৰ প্ৰায় ৫ সহস্ৰাধিক কৰ্মী উপস্থিত হৈ দলীয় শক্তি প্ৰদৰ্শন কৰে। লাহৰীঘাট সমষ্টিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী ছিদ্দিক আহমেদৰ সভাপতিত্বত অনুষ্ঠিত বিশাল কৰ্মী সভাত চেঙাৰ বিধায়ক আশ্ৰাফুল হুছেইন, এ আই ইউ ডি এফৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক চম্পক কলিতা আৰু জিলা আৰু সমষ্টি পৰ্যায়ৰ বিষয়ববীয়া সকল উপস্থিত আছিল। এই কৰ্মী সভাত আগন্তুক নিৰ্বাচনৰ ৰণকৌশলৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়। কৰ্মী সভাত চেঙাৰ বিধায়ক তথা যুৱ মৰ্চাৰ সভাপতি আশ্ৰাফুল হুছেইনে কংগ্ৰেছক কটাক্ষ কৰি কয় যে বিগত সময়ছোৱাত কংগ্ৰেছ দলে ৰাজ্যৰ সংখ্যালঘু লোকক প্ৰতাৰণা কৰি আহিছে। কংগ্ৰেছ মুছলমান হত্যাকাৰী দল বুলি তীব্ৰ সমালোচনা কৰে। আগন্তুক বিধানসভা নিৰ্বাচনত লাহৰীঘাট সমষ্টিত এ আই ইউ ডি এফৰ জয় নিশ্চিত বুলি আশ্ৰাফুল হুছেইনে কৰ্মী সভাত প্ৰকাশ কৰে। আনহাতে এ আই ইউ ডি এফৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক চম্পক কলিতাই কৰ্মী সকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। উল্লেখ্য যে লাহৰীঘাট সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থীত্বক কেন্দ্ৰ কৰি সাংসদ প্ৰদ্যুত বৰদলৈপন্থী আৰু বিধায়ক আছিফ মহম্মদ নাজাৰ পন্থী কংগ্ৰেছী দুই ফৈদত বিভক্ত হোৱাত সমষ্টিটোত আগন্তুক নিৰ্বাচনত এ আই ইউ ডি এফে পূৰ্ণ সুযোগ গ্ৰহণ কৰাৰ সম্ভাৱনা আছে বুলি ৰাজনৈতিক মহলত সৰৱ চৰ্চা চলিছে।

## গেলেকীত বৃহৎ পৰিমাণৰ গাঞ্জাসহ আটক এজন

# গেলেকী আৰক্ষীৰ বৃহৎ সফলতা

**অসম বাৰ্তা, গেলেকী, ১৭ ফেব্ৰুৱাৰী ঃ** গেলেকী আৰক্ষীৰ বৃহৎ সফলতা। নৱপ্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়া মাৰাত্মক গাঞ্জাৰ অবৈধ ব্যৱসায় কৰা এজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে গেলেকী আৰক্ষী। গেলেকী বিষ্ণুপুৰ আদৰ্শ গাঁৱৰ বিদ্যাধৰ চেতিয়া (৫৪) নামৰ এজন লোক গেলেকীৰ আৰক্ষীৰ জালত পৰিছে। লোকজনৰ বিষ্ণুপুৰ আদৰ্শ গাঁৱৰ ঘৰৰ পৰা গেলেকী আৰক্ষীয়ে প্ৰায় ১২ কেজি গাঞ্জা জব্দ কৰাৰ লগতে এটা মোবাইল ফোনো জব্দ কৰিছে। এক বিশেষ সূত্ৰৰ পম খেদি গেলেকী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰদীপ শইকীয়াৰ নেতৃত্বত চলিছিল এই অভিযান। জানিব পৰা মতে দীৰ্ঘদিন ধৰি নিজৰ ঘৰতে অবৈধভাৱে লোকজনে চলাই গৈছিল এই ব্যৱসায়। লোকজনে নিজ ঘৰতে স্থায়ীভাৱে গাঞ্জা সেৱন কৰিব পৰাকৈ সুবিধা কৰি দিছিল। জানিব পৰা মতে স্থানীয় বহু যুৱকে উক্ত স্থানত গৈ সেৱন কৰিছিল মাৰাত্মক গাঞ্জা। ইতিমধ্যে গেলেকী থানাৰ গোচৰ নম্বৰ 8/26, 112 BNS, 20(b)(ii), B 25/27/29 NDPS ৰ অধীনত এটা গোচৰ ৰোজো কৰি অভিযুক্তক আদালতলৈ প্ৰেৰণ কৰিছে।

# দীঘলী বিল বিলফুটবল টুৰ্নামেণ্টৰ সফল সামৰণি




**অসম বাৰ্তা, আমিনগাঁও, ১৭ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ অন্তৰ্গত বৰগাঁৱৰ দীঘলি বিলৰ পাৰত ১২, ১৩, ১৪আৰু ১৫ তাৰিখলৈ চাৰিদিনীয়াকৈ অনুষ্ঠিত হোৱা প্ৰথম বাৰ্ষিক দীঘলী বিল ফুটবল টুৰ্নামেণ্টৰ সামৰণি। ৮টা ফুটবল দলক আমন্ত্ৰণ জনোৱা হৈছিল এই দীঘলী বিল ফুটবল টুৰ্নামেণ্টৰত। ১৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত হোৱা চূড়ান্ত খেলত পূৰবী সংঘ দদৰাই চেম্পিয়নশ্বিপ হোৱাৰ পৰিবৰ্তে প্ৰাইভেট স্পৰ্টচ একাডেমী চাংসাৰি এ ৰাণাৰ্চ আপৰ শিতাপ দখল কৰে। কামৰূপৰ বৰগাঁৱৰ দীঘলি বিলৰ পাৰত অনুষ্ঠিত হোৱা আকৰ্ষণীয় খেলখনত নিৰ্ধাৰিত সময়ত ১-১ গলত দ্ৰ হোৱা পিছতট্ৰাইবেকাৰ জৰিয়তে ৩-১ গলত পূৰবী সংঘ দদৰাই প্ৰাইভেট স্পৰ্টচ একাডেমী পৰাস্ত কৰি বিজয় সাব্যস্ত কৰে। দীঘলী বিল ফুটবল টুৰ্নামেণ্টৰ সভাপতি জন্মী দাসে জনোৱা অনুসৰি চাৰিদিনীয়াকৈ অনুষ্ঠিত হোৱা প্ৰাইজমানী ফুটবল খেল প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৪০হাজাৰ ১০১টকা লগতে ট্ৰফী আৰু দ্বিতীয় পুৰস্কাৰ ৩০ হাজাৰ ১০১টকা লগতে ট্ৰফী প্ৰদান কৰে। উক্ত ফাইনেল খেলখনত কামৰূপ জিলা ক্ৰীড়া সন্থাৰ কেইবাগৰাকী বিষয়ববীয়াৰ লগতে গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে চুৰিকাণ্ড

# কচুৱাৰ জুৰিৰপাৰত একে নিশাই চাৰিখন দোকানত চুৰিকাণ্ড

**অসম বাৰ্তা, কামপুৰ, ১৭ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ কচুৱা থানাৰ অন্তৰ্গত জুৰিৰপাৰ লকডাউন বজাৰত যোৱা নিশা চাৰিখনকৈ ব্যৱসায়ী প্ৰতিষ্ঠানত চুৰিকাণ্ড সংঘটিত হয়। যোৱা নিশা অনুমান ২ বজাত গাঁওখনৰ সেকবৰ আলীৰ গেলামাল দোকানৰ পৰা নগদ প্ৰায় ৫০ হাজাৰ টকা সহ মূল্যবান সা সামগ্ৰী, ফৰিদুল ইছলামৰ মেডিকেলৰ পৰা নগদ প্ৰায় ৫ হাজাৰ টকা, এবাদুল ইছলামৰ চি.এছ.পি বেংকৰ পৰা প্ৰায় ৬০ হাজাৰ টকা, আৰু ইজাজুল ইছলামৰ দোকানৰ পৰা ১০ হাজাৰ টকা সহ বিভিন্ন বস্তু চুৰি কৰি নিয়া বুলি জানিব দিয়ে। লগতে দোকানৰ ভিতৰত থকা কেইবাখনো মছজিদৰ দানপাত্ৰ ভাঙি ধনসমূহ লৈ যায়। অৱশ্যে দানপাত্ৰ সমূহত কিমান টকা আছিল সেই বিষয়ে অৱগত হোৱা নাই। পুৱা দোকানলৈ আহি অৱগত হয় চুৰি কাণ্ডৰ ঘটনাটো, আৰু লগে লগে কচুৱা আৰক্ষীক বিষয়টো অৱগত কৰাত কচুৱা আৰক্ষীয়ে উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। ভুক্তভোগী দোকানী সকলে জানিব দিয়া মতে আটাইকেইটা দোকানৰ টিনপাত কাটি ভিতৰলৈ প্ৰৱেশ কৰি এইসমূহ লুটি লৈ যায় চোৰে। উল্লেখ্য যে কচুৱা থানাৰ অন্তৰ্গত তিনিআলি, শিমলুগুৰি, মাধৱপাৰা, সোণাৰুগুৰি বজাৰসমূহত বিগত কেইমাহ ধৰি সঘনাই চুৰি কাণ্ড সংঘটিত হোৱাৰ সমান্তৰালকৈ যোৱা নিশা জুৰিৰপাৰত চুৰিকাণ্ড সংঘটিত হোৱাৰ খবৰ পোৱা গৈছে যদিও আজিলৈকে কোনো চোৰক কাৰায়ত্ত কৰিব পৰা নাই কচুৱা আৰক্ষীয়ে।

## ব্ৰহ্মা, বিষ্ণু, শিৱ, সৰস্বতী, লক্ষ্মী এই পাঁচটা মূৰ্তি উদ্ধাৰে গাঁওখনত ঐতিহাসিক চানেকি বহন

# মহা শিৱৰাত্ৰিত সৰুপথাৰৰ ঐতিহাসিক আহোম গাঁৱত শিশু শিল্পীৰ দ্বাৰা ভাওনা প্ৰদৰ্শন

**অসম বাৰ্তা, সৰুপথাৰ, ১৭ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ সমজিলাৰ আহোম গাঁৱত অৱস্থিত হৰিহৰ মন্দিৰ শিশু শিল্পী সমাজৰ দ্বাৰা "দক্ষ যজ্ঞ" নাট প্ৰদৰ্শন কৰা হয়। শ্ৰীযুত ৰিংকু বৰবৰাৰ দ্বাৰা পৰিচালিত নাটখনত শিশু শিল্পীয়ে অভিনয় কৰে। শিৱৰাত্ৰি উপলক্ষে মন্দিৰভাগত আহোম গাঁৱৰ ৰাইজে কেইবা বছৰ ধৰি ভাওনা প্ৰদৰ্শন কৰি আহিছে। দেওবাৰে নিশা শিশু শিল্পীৰ দ্বাৰা প্ৰদৰ্শিত হোৱা নাটখনি উদ্বোধন কৰে সৰুপথাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মূৰব্বী অধ্যাপক সত্যব্ৰত দত্তই। উল্লেখযোগ্য যে ১৯৩৮ চনতেই প্ৰতিষ্ঠা হোৱা মন্দিৰভাগত আছে গাওঁখনতেই উদ্ধাৰ হোৱা প্ৰত্নতাত্ত্বিক সমল। ব্ৰহ্মা, বিষ্ণু, শিৱ, সৰস্বতী, লক্ষ্মী এই পাঁচটা মূৰ্তি উদ্ধাৰে গাঁৱখনত ঐতিহাসিক চানেকি বহন কৰে। উল্লেখযোগ্য যে বিংশ শতিকাৰ সময়ছোৱা গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ বাবে উল্লেখনীয় সময় বুলি ঠাৱৰ কৰিব পাৰি। বিংশ শতিকাৰ সময়ছোৱাতেই সমজিলাটোৰ ভিন্ন প্ৰান্তত উদ্ধাৰ হৈছে ৰজাদিনীয়া বহু প্ৰত্নতাত্ত্বিক সমল। ইয়াৰে ভিতৰত সৰুপথাৰৰ চুকীয়াপথাৰত আছে শতায়ু গড়কা শিৱ মন্দিৰ, বৰপথাৰৰ দুৰৱণিত অৱস্থিত শতায়ু গড়কা শিৱ মন্দিৰ, বৰপথাৰৰ টেঙানীৰ সূৰ্য মন্দিৰ উল্লেখযোগ্য। সমান্তৰালকৈ সৰুপথাৰ সমজিলাৰ ১নং ৰজাপুখুৰীত আছে ৰজাদিনীয়া বৃহৎ আকাৰৰ এটা পুখুৰী। নাম ৰজাপুখুৰী। সম্ভৱত কছাৰী ৰজাই খন্দোৱাই ছিল পুখুৰীটো। ইয়াৰোপৰি সৰুপথাৰ খনিকৰ গাঁৱত উদ্ধাৰ হৈছিল 'নগাজৰি-খনিকৰ গাঁও প্ৰস্তৰখণ্ড লিপি'। দৈয়াং-ধনশিৰি উপত্যকাই সামৰা সৰুপথাৰৰ নগাজৰি-খনিকৰ গাঁৱৰ লুডুৰাম শইকীয়াদেৱৰ ঘৰৰপৰা ১৯৭২ চনত উদ্ধাৰপ্ৰাপ্ত এই প্ৰস্তৰ খণ্ডলিপিখন আনুমানিক খ্ৰীষ্টাব্দ চতুৰ্থ শতিকাৰ শেষ নাইবা পঞ্চম শতিকাৰ আদি ভাগৰ কামৰূপী লিপিৰ নিদৰ্শন।

# অভয়াপুৰী বৰজনাত অগপ দলৰ বুথ সন্মিলন

**অসম বাৰ্তা, লেংটিছিঙা, ১৭ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম বিধানসভাৰ সমষ্টিৰ অন্তৰ্গত বৰজনাত অসম গণ পৰিষদ দলৰ টাপাট্টাৰী জিলা পৰিষদ পৰ্যায়ৰ এখনি বুথ সন্মিলন অনুষ্ঠিত হয়। অভয়াপুৰী বৰজনা এম.ভি স্কুল খেলপথাৰ অনুষ্ঠিত হয় অগপ দলৰ বুথ সন্মিলন। সৃজনগ্ৰাম সমষ্টিৰ বাবে ইতিমধ্যে অগপ দলৰ পৰা ছাহিদুল হকক আনুষ্ঠানিকভাৱে প্ৰাৰ্থী হিচাপে ঘোষণা কৰাৰ পিছত কঁকালত টঙালি বান্ধি নামি পৰিছে ছাহিদুল হকৰ সমৰ্থনকাৰী সকলে। আজি ছাহিদুল হকক ঢোলে দোগৰে সমদল কৰি আগুৱাই নিয়ে দলীয় কৰ্মকৰ্তা সকলে। অগপ প্ৰাৰ্থী গৰাকীক লৈ ভোটাৰ ৰাইজৰ মাজত ব্যাপক উৎসাহ উদ্দীপনা দেখা গৈছে। বুথ সন্মিলনত বিভিন্ন গাঁও পঞ্চায়তৰ সহস্ৰাধিক পুৰুষ-মহিলাই অংশ গ্ৰহণ কৰে। সভাত যুৱ নেতা ছাহিদুল হকৰ লগতে উপস্থিত থাকে কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সদস্য আমজাদ আলী, কেন্দ্ৰীয় প্ৰতিনিধি উমেশ ঠাকুৰীয়া, অভয়াপুৰী সমষ্টি কমিটিৰ সভাপতি পূৰ্নেন্দু বনিক্য, বঙাইগাঁও জিলা অগপৰ সাধাৰণ সম্পাদক ৰহিজুল ইছলাম, সমষ্টি কমিটিৰ সাধাৰণ সম্পাদকদ্বয় ক্ৰমে আক্ৰাম আলী, আনিছুল চৌধুৰী, আমবাৰী বাৰেগড় আঞ্চলিকৰ বুথ কমিটিৰ সভাপতি ইজ্জত আলী, আমবাৰীবাৰেগড় গাওঁ পঞ্চাডতৰ উপ সভাপতি ৰাশি দুল ইছলাম, সমষ্টি কমিটিৰ বিষয়ববীয়া সকল, ভাতৃ ভগ্নী সংগঠনৰ বিষয়ববীয়া সকল, আঞ্চলিকৰ সভাপতি/ সম্পাদক সকল, বুথৰ সভাপতি/ সম্পাদক সকল, বুথৰ কৰ্মকৰ্তা সকল। সংখ্যালঘু অধ্যুষিত সমষ্টিত ছাহিদুল হকৰ নেতৃত্বত পূৰ্বতকৈ অধিক অগপ দলটোৱে খোপনি সক্ষম হৈছে।

# আজমল কলেজ অৱ আৰ্টছত উজ্জ্বল সাংস্কৃতিক শোভাযাত্ৰাৰে বাৰ্ষিক ক্ৰীড়া দিৱসৰ শুভাৰম্ভ

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৭ ফেব্ৰুৱাৰী ঃ** আজমল কলেজ অৱ আৰ্টছত আজি এক বৰ্ণাঢ্য আৰু মনোমোহা সাংস্কৃতিক শোভাযাত্ৰাৰে বাৰ্ষিক ক্ৰীড়া দিৱসৰ শুভাৰম্ভ কৰা হয়। কলেজ কেম্পাছৰ পৰা আৰম্ভ হোৱা এই শোভাযাত্ৰা হাউৰিয়াপেট-গোলাডাংগি বজাৰ পৰ্যন্ত আগবাঢ়ে আৰু সমগ্ৰ অঞ্চলখন উৎসৱমুখৰ পৰিৱেশেৰে মুখৰিত হৈ উঠে। শোভাযাত্ৰাত কলেজখনৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা স্থানীয় সচেতন ৰাইজে উৎসাহ-উদ্দীপনাৰে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক সাজ-পোছাক পৰিধান কৰি নৃত্য-গীত প্ৰদৰ্শন কৰে, যাৰ ফলত অনুষ্ঠানটোৱে বিশেষ আকৰ্ষণ লাভ কৰে। ৰাইজেও উষ্ম অভ্যৰ্থনা জনাই শোভাযাত্ৰাক সমৰ্থন আগবঢ়ায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি কলেজ কৰ্তৃপক্ষই শিক্ষাৰ মান উন্নয়ন, শৃংখলা বজাই ৰখা আৰু এক সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে কলেজখনৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত সকলোৰে সহায়-সহযোগিতা একান্তভাৱে প্ৰয়োজন বুলি উল্লেখ কৰে। অধ্যক্ষগৰাকীয়ে নিজৰ বক্তব্যত কয় যে ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজৰ ঐক্যবদ্ধ প্ৰচেষ্টাই কলেজখনক জিলাখনৰ আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব। তেওঁ সকলোকে শিক্ষাৰ স্বাৰ্থত একেলগে কাম কৰিবলৈ আহ্বান জনায়।

## ধ্বংসৰ গৰাহত হোলোঙাপাৰ গিবন অভয়াৰণ্য

# মৰিয়নি বন বিভাগৰ চৰম অকৰ্মণ্যতা

**অসম বাৰ্তা, মৰিয়নি, ১৭ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ একমাত্ৰ বন্যপ্ৰাণী অভাৰান্য তথা জৈৱ-বৈচিত্ৰ্যৰ ভঁৰাল হোলোঙাপাৰ গিবন অভয়াৰণ্যত বৰ্তমান চলিছে অবাধ ধ্বংসযজ্ঞ। মৰিয়নি বন বিভাগৰ চৰম অবহেলা আৰু দায়িত্বহীনতাৰ বাবেই এতিয়া সংকটাপন্ন হৈ পৰিছে এই সংৰক্ষিত বনাঞ্চলখন। অভিযোগ উঠিছে যে, বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ নাকৰ তলেদিয়েই অভয়াৰণ্যখনৰ মূল্যবান সম্পদ লুটি নিছে একাংশ দুষ্কৃতিকাৰীয়ে। জানিব পৰা মতে অভয়াৰণ্যখনৰ সমীপৱৰ্তী চাহ বাগিচাসমূহৰ প্ৰায় ৩০-৪০ জনীয়া পুৰুষ-মহিলাৰ এটা দলে প্ৰতিদিনে মুকলিকৈ অভয়াৰণ্যত প্ৰৱেশ কৰে। আৰু অভাৰন্য খনৰ মূল্যবান গছ কাটি আনি খৰি হিচাপে বজাৰত বিক্ৰী কৰাৰ লগতে বন্যহস্তীৰ অন্যতম খাদ্য 'ঔটেঙা' বস্তাই বস্তাই সংগ্ৰহ কৰি মৰিয়নিৰ বজাৰত বিক্ৰী কৰি আহিছে। ফলত বনাঞ্চলৰ ভিতৰত বন্যপ্ৰাণীৰ খাদ্যৰ তীব্ৰ নাটনি ঘটিছে। আনফালে স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, মৰিয়নি বন আঞ্চলিক বিষয়াক এইসন্দৰ্ভত বাৰম্বাৰ অৱগত কৰা হৈছে যদিও বিভাগটোৱে কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা নাই। তাৰ বিপৰীতে অভিযোগ উঠিছে, অবৈধ শিল আৰু বালি কঢ়িওৱা ডাম্পাৰৰ পৰা 'কমিচন' সংগ্ৰহ কৰাত ব্যস্ত থকাৰ বাবে বন বিভাগৰ হাতত অভয়াৰণ্যখন সুৰক্ষা দিবলৈ সময় নাই। যাৰ বাবে অভয়াৰণ্যৰ ভিতৰত চলি থকা এই ধ্বংসলীলাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে জনজীৱনত। বনাঞ্চলৰ ভিতৰত খাদ্যৰ অভাৱ হোৱাৰ পৰিপ্ৰেক্ষিতত বনৰীয়া জীৱ-জন্তুৱে জনাঞ্চলত প্ৰৱেশ কৰি চলাইছে ব্যাপক উপদ্ৰৱ। যাৰ ফলত এতিয়া আতংকত দিন কটাব লগা হৈছে স্থানীয় ৰাইজে। প্ৰকৃতিপ্ৰেমী সংগঠন আৰু স্থানীয় ৰাইজে এতিয়া প্ৰশ্ন উত্থাপন কৰিছে— এইদৰেই যদি বন বিভাগ নিমাত হৈ থাকে, তেন্তে ভৱিষ্যতে মানচিত্ৰৰ পৰা গিবন অভয়াৰণ্যৰ অস্তিত্ব মচ খাই নাযাবনে?

# টংলা সাহিত্য সভাৰ আতিথ্যত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জীৱন আৰু কৃতী সন্দৰ্ভত 'সুহৃদ'ৰ আড্ডা

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৭ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাৰ টংলাস্থিত 'সুহৃদ' নামৰ কলা-সাহিত্য-সংস্কৃতিৰ সংগঠনটোৱে আজি টংলা সাহিত্য সভাৰ আতিথ্যত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জীৱন, গীত আৰু চিনেমা বিষয়ত "সুহৃদ আড্ডা" নামেৰে ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত হয়। টংলা সাহিত্য সভা ভৱনত বিশিষ্ট গল্পকাৰ জয়ন্ত কুমাৰ চক্ৰৱৰ্তীৰ সঞ্চালনাত আৰু টংলা সাহিত্য সভাৰ সম্পাদক শ্যামল কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানত এই আড্ডাত বিশিষ্ট অনুবাদ সাহিত্যিক ড° অঞ্জলি চক্ৰৱৰ্তী, টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱা, বিশিষ্ট নিবন্ধকাৰ তথা অসম সাহিত্য সভাৰ বিশেষভাৱে আমন্ত্ৰিত সদস্য গৌৰীশংকৰ দাস, ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী চন্দ্ৰপ্ৰভা দত্ত, বিশিষ্ট সাংস্কৃতিক সংগঠক নৱজিৎ দাস, অসম সাহিত্য সভাৰ মঙ্গলচণ্ডী ব্ৰহ্ম ন্যাসৰ সদস্য ধৰ্মকান্ত ৰামচিয়াৰী, আজীৱন সভ্য অনন্ত দেৱশৰ্মা, সংগীত অনুৰাগী দেৱাংগ মহলীয়া, টংলা ইংলিছ মিডিয়াম হাইস্কুলৰ অধ্যক্ষ তপন কুমাৰ ভট্টাচাৰ্য, আজীৱন সদস্য কৰুণাকান্ত ওজা, সূৰ্য কুমাৰ দাস, জয়ন্ত কুমাৰ দাস, মল্লিকা শৰণীয়া পাঠক, মামনী শৰ্মা বৰুৱা, বিজয় কৃষ্ণ বেজবৰুৱা, কেশৱ ৰাজবংশী আদিয়ে ভূপেন হাজৰিকাৰ জীৱনৰ বিষয়ে বিভিন্ন কথা, আমোদজনক তথ্য বা ঘটনাৰ লগতে হাজৰিকাদেৱৰ বোলছবি, গীতৰ ব্যাখ্যা/সমালোচনা আদি আগবঢ়ায়। গঠনমূলক, আকৰ্ষণীয় আৰু চিন্তাৰ খোৰাক দিব পৰাকৈ সুধাকণ্ঠ ড° হাজৰিকাৰ বিভিন্ন আমোদজনক বিষয়ত চৰ্চা কৰে।

# টেকেৰী আদৰ্শ চিকিৎসালয় মুকলিৰ দাবীত পেঙেৰীত বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, বৰডুমচা, ১৭ ফেব্ৰুৱাৰী ঃ** পেঙেৰীৰ টেকেৰী আদৰ্শ চিকিৎসালয়খন অতি শীঘ্ৰেই মুকলি কৰাৰ দাবীত আজি বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ পেঙেৰীৰ আঞ্চলিক সমিতিয়ে পেঙেৰীত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীত বিভিন্ন প্ৰতিবাদী শ্লোগানেৰে পেঙেৰীৰ আকাশ-বতাহ কঁপাই তোলে সংগঠনটোৰ শতাধিক কৰ্মীয়ে। উল্লেখ্য যে, পেঙেৰীৰ অতি ভিতৰুৱা অঞ্চল টেকেৰীবাসীৰ সুবিধাৰ্থে বিগত কংগ্ৰেছ চৰকাৰৰ দিনতে নিৰ্মাণ কৰা হৈছিল চিকিৎসালয়খন। নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'ল যদিও বছৰৰ পিছত বছৰ ধৰি তলা ওলমি ৰৈছে চিকিৎসালয়খনত। যাৰ ফলত চিকিৎসা সেৱাৰ পৰা বঞ্চিত হৈ আহিছে স্থানীয় অঞ্চলবাসী। চৰকাৰ আৰু স্বাস্থ্য বিভাগৰ এই চৰম উদাসীনতাক লৈ ক্ষোভিত হৈ পৰিছে বৃহত্তৰ অসমীয়া যুৱ মঞ্চ। চিকিৎসালয়খনৰ মুকলিৰ বাবে চৰকাৰ তথা স্বাস্থ্য বিভাগক বিভিন্ন সময়ত দাবী জনাই অহাৰ পিছতো কোনো সুফল নোপোৱাত আজি ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হয় বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কৰ্মীসকল। অতি শীঘ্ৰেই চিকিৎসালয়খন জনসাধাৰণৰ বাবে মুকলি নকৰিলে আগন্তুক দিনত ৰাইজক লগত লৈ তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হুংকাৰ দিয়ে সংগঠনটোৰ নেতৃত্বই। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত তিনিচুকীয়া জিলা সমিতিৰ কাৰ্যকৰী সভাপতি গৌতম বৰুৱাৰ লগতে পেঙেৰীৰ আঞ্চলিক সমিতিৰ সভাপতি জয় চেতিয়াসহ শতাধিক সক্ৰিয় কৰ্মী উপস্থিত থাকি চৰকাৰক হুংকাৰ প্ৰদান কৰে। এতিয়া প্ৰশ্ন হয়, স্বাস্থ্য বিভাগে জনসাধাৰণৰ এই বিননি শুনিবনে? নে এনেদৰেই তলা ওলমি থাকিব চিকিৎসালয়খনত?

# ডুমডুমা আৰক্ষীয়ে তৎপৰতাৰে কৰায়ত্ব কৰিলে তিনিটা মটৰ চাইকেল চোৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৭ ফেব্ৰুৱাৰী ঃ** যোৱা ১২ ফেব্ৰুৱাৰীত ডুমডুমা নগৰ খেলপথাৰত অনুষ্ঠিত হোৱা 'ৰাধিকা সুন্দৰী' নামৰ সৌন্দৰ্য প্ৰতিযোগিতাৰ গ্ৰেণ্ড ফাইনেলৰ নিশা এজন যুৱকৰ AS-06-AG-1304 নম্বৰৰ Pulsar NS মটৰ চাইকেলখন খেলপথাৰৰ পৰা চুৰি হৈছিল। চুৰি হোৱা Pulsar NS মটৰ চাইকেলখন চোৰে লৈ গৈছিল সীমান্ত অঞ্চল অৰুণাচল প্ৰদেশৰ নামচাইৰ দুইমাইললৈ। বিশেষ সূত্ৰৰ পম খেদি ডুমডুমা আৰক্ষীয়ে নামচাইৰ দুইমাইলৰ পৰা মটৰ চাইকেলখনৰ লগতে তিনিটা গভাইত চোৰ আটক কৰে। ইয়াৰে দুজন ফিল'বাৰী অঞ্চলৰ ধন তাঁতী(২৭) আৰু ভাৰ্গৱ ফুকন(২১) আৰু আনজন ডুমডুমাৰ ৰণি বৰুৱা(২১)। পূৰ্বেও এই আটাইকেইটা চোৰে ছাগলী আৰু মটৰচাইকেল চুৰ কৰাৰ অভিযোগ আনিছিল স্থানীয় ৰাইজে। উল্লেখযোগ্য যে, এই তিনিওটা চোৰে নিষিদ্ধ ড্ৰাগছ সেৱন কৰি আসক্ত হৈ নিচামুক্তি কেন্দ্ৰত দিন কটাব লগীয়া হৈছিল। বৰ্তমান কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীসকলৰ মাজত ক্ৰমাৎ বৃদ্ধি পোৱা নিষিদ্ধ মাৰত্মক নিচা জাতীয় দ্ৰব্য যেনে ড্ৰাগছ, কানি, আদি সেৱন কৰিবলৈ এই তেওঁলোক এনে চুৰি কাৰ্যত লিপ্ত হৈছে বুলি সচেতন মহলে মন্তব্য কৰিছে। ভাৰ্গৱ ফুকন আৰু ৰণি বৰুৱা নামৰ যুৱক দুজন সম্ভ্ৰান্ত পৰিয়ালৰ বুলি জানিব পৰা গৈছে।

## গভীৰ ঋণৰ বোজা বৈ কুঁজা হোৱা আমাৰ শাসকীয়

আছে, আনন্দ আছে কিন্তু ইয়াৰ পৰিণতিত স্থায়ী সন্তুষ্টি পোৱা নেযায় কেতিয়াও। ঋণ মানেই ইয়াৰ অন্তৰালত সুদৰ কথাটো জড়িত থাকেই। পৰিয়ালৰ এজন মানুহে হ'লেও ঋণদাতা যিকোনো ব্যক্তি বিশেষ, সংস্থা, পুঁজি বা কৰ্তৃপক্ষৰ পৰা ঋণ লৈ কাম কৰিলে আৰু সময়মতে পৰিশোধ কৰিব নোৱাৰিলে অথবা পৰিশোধৰ কথা চিন্তা নকৰিলে এসময়ত ইয়াৰ পৰিণাম অতিশয় ভয়ানক হোৱাৰ সম্ভাৱনা। এয়া এক চিৰন্তন কথা, চিৰকলীয়া এটা বৰ আহুকলীয়া বতৰা। ঋণ লৈ কাম কৰি একালত উপকৃত হোৱা পটন্তৰ আমাৰ মাজত বহুত আছে সঁচা কথা, কিন্তু ঋণৰ বোজাত ডুব গৈ লাওলোৱা হোৱাৰ উদাহৰণো আমাৰ সমাজত চাবলৈ গ'লে তেনেই ক'ম নহয়।

আজিৰ হেন প্ৰতিযোগিতাময় যুগত এখন ৰাজ্য সুকলমে চলাই যোৱাটো তেনেই সহজ কথা নহয়। তাতে মানৱ সমাজৰ ৰাজনীতি, ৰাজনীতিৰ কলা-কৌশল, চল-চাতুৰি, উত্থান-পতন, সংঘাত-বিভ্ৰাট আৰু বাক-বিতণ্ডা। ইবোৰৰ মাজত নানান প্ৰকাৰৰ চিন্তা-চেতনা, কটু সমালোচনা আৰু কুৎসা ৰচনা আদি ইবোৰৰ তাণ্ডৱ লীলা তথা আস্ফালনৰ কেঁকোৰা চেপাত শাসকীয় চৰকাৰ একোখন বৰ্তি থাকিব পৰাটো স্বৰূপতেই বৰ চিন্তনীয় বিষয়। তাতে বহুদলীয় ৰাজনীতিৰ আচাৰ-আচৰণ, কূটনীতিৰ মেৰপেচ আদিৰ গুৰুতৰ হেঁচা-ভেজা এইবোৰ বৰ অনুকূলতাৰ পৰিপন্থী ৰূপৰেখা। আজি এটা কথা কাৰোৰে বাবে অবিদিত নহয় যে ৰাজ্য একোখনৰ দশোদিশে উন্নতিৰ পথ সন্ধান কৰাটো অতিশয় গুৰুত্বপূৰ্ণ বিষয়। ৰাজ্যবাসীৰ মাজত দেখা পোৱা যায় অগণন অভাৱ-অনাটন, আপদ-বিপদ, মাৰি-মৰক আৰু অপায়-অমঙ্গলৰ জাজৰি। ৰাজ্য একোখনৰ ৰজা এজনৰ মূৰতে থাকে সকলো প্ৰকাৰৰ চিন্তা-চেতনা আৰু ভূত-ভৱিষ্যতৰ গভীৰ বোজা। ৰাজ্য একোখনৰ ৰাজভঁড়ালৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে জনগণে পোনপটীয়াকৈ জনা বা বুজাৰ অৱকাশ নাথাকে যদিও আজিকালি আমাৰ মাজত বহুবোৰ ভূ ৰখা মহল থাকে। সংবাদ মাধ্যম, ইলে"নিক মাধ্যম আদিৰ তৎপৰতাত আজিকালি ৰাজ্য বা দেশ একোখনৰ বাহিৰে-ভিতৰে সমস্ত তলা-নলাৰ বাৰ্তা সম্ভেদ পাব পৰা যায়। গতিকে ৰাজ্যৰ মুখ্যমন্ত্ৰী, মন্ত্ৰীমহল, বিভাগীয় কৰ্তৃপক্ষ আদি আটাইয়ে অৰ্থনৈতিক, ৰাজনৈতিক তথা সমাজনীতি পৰিৱেশৰ কথা তৎমুহূৰ্ততে জানিব পৰা হয়। গতিকে আজিৰ পৰিস্থিতিত ভিন্ন মাধ্যমৰ জৰিয়তে প্ৰতিটো দিশৰ বতৰা নিমিষতে জানিব পৰা যায়।

এটা কথা ঠিক যে ৰাজ্য একোখনৰ ৰজা বা মুখিয়াল হ'লে যথাযথভাৱে প্ৰজাবৰ্গৰ দুখ-দৈন্যৰ বুজ লোৱা আৰু অভাৱ-অনাটনৰ প্ৰতি চকু দিয়াৰ দায়িত্ব ৰজা বা মন্ত্ৰীমহলৰ। ইয়াৰ মানে এইটো নহয় যে ৰাজভঁড়াল উদং হৈ যোৱাৰ পৰতো যেন এবুকু এডিঙিলৈকে ঋণৰ বোজা বহন কৰি ৰাজকাৰ্য চলাই যোৱাৰ ব্যৱস্থা কৰিব। স্বৰূপতে আমি জনাত এনেকুৱাও হ'ব নালাগে। ৰাজভঁড়ালত যিমান ধন-বিত থাকে, মিতব্যয়ীতাৰ ভূমিকা লৈ তাৰেদিয়েই ৰাজ্য শাসনৰ ব্যৱস্থা কৰিব পাৰিলে ভাল। ৰাজ্য একোখনৰ অতিৰিক্ত উন্নয়নৰ বাবে মুখ্যমন্ত্ৰী গৰাকীয়ে দেশৰ প্ৰধানমন্ত্ৰী, বিত্তমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ স'তে যুক্তিগতভাৱে আলাপ-আলোচনা কৰি কেন্দ্ৰৰ পৰা অধিক ধন আবণ্টন তথা আদায় কৰাৰ চেষ্টা কৰিব লাগে। তাকে নকৰি ভোট বেংকৰ স্বাৰ্থত হকে-বিহকে এগালমান ধাৰ লৈ ৰাজ্য চলোৱাৰ যুক্তি আছে বুলি অন্তত: মোৰ বিবেকে নকয়। এচাম হিতাধিকাৰী সৃষ্টিৰ লক্ষ্যৰে এসোপামান ঋণ লৈ ৰাইজৰ ওপৰত মাধমাৰ শোধাবলৈ চেষ্টা কৰাটো মুঠেই সমীচীন নহয়। ভোটলাভৰ স্বাৰ্থত ইখনৰ পিছত সিখন আঁচনি প্ৰৱৰ্তন কৰা পৰিৱৰ্তনকামী ৰাজ্য চৰকাৰখনৰ কেতিয়াকৈ শুভবুদ্ধি উদয় হয়, সেয়া লক্ষণীয় হব। ৰাজ্যৰ উন্নয়নকল্পে জোৰা-টাপলি মাৰি চলা বা চলোৱাৰ সক্ষমতা নোহোৱা বুলিয়েই সঘনাই হাজাৰ হাজাৰ কোটি টকা ধাৰ কৰি ৰাজ্য চলোৱাটো স্বৰূপতেই ভাল কথা নহয়। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীগৰাকীৰ লগতে অসম মন্ত্ৰীসভাৰ সদস্য সকলৰো যথেষ্টখিনি দায়-দোষ থকা বুলিব পাৰি। দেখা গৈছে যে আজি বহুবছৰ আগৰে পৰা অসমৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুহ বুলি একোচামক গণ্য কৰি বিনামূলীয়াকৈ চাউল, চেনি, দাইল, আটা আদি যোগান ধৰি চৰকাৰখনে হাতৰ কুঠাৰ ভৰিত মাৰি লোৱাৰ ব্যৱস্থা কৰিছে। পঢ়ি থকা শিক্ষাৰ্থীসকলক বিনামূলীয়া চাইকেল, স্কুটী, লেপটপ, টেবলেট আদি যোগান ধৰাৰ বিশেষ সাৰ্থকতা নাই যেন অনুমান হৈছে। ইয়াৰ জৰিয়তে বিদ্যালয়-মহাবিদ্যালয়ত অধ্যয়নৰত একাংশ ছাত্ৰ-ছাত্ৰীক বিলাসী আৰু উদণ্ড কৰি তোলাৰহে পোষকতা কৰিছে। এনেবোৰ আঁচনিয়ে ছাত্ৰ-ছাত্ৰী সকলৰ অধ্যয়নৰ প্ৰতি থকা ধাউতি কমাই তুলিছে। আৰু বহু কথা আছে। মহিলা উদ্যমিতা আঁচনি, লাখপতি বাইদেউ আঁচনিৰ নামত হাজাৰ হাজাৰ কোটি টকা আৰু অন্যান্য ন ন আঁচনি প্ৰৱৰ্তনৰ নামত অকণো নভবা নিচিন্তাকৈ সোপা সোপে ৰাজকোষৰ ধনৰ লগতে ধাৰৰ টকা অপচয় কৰি যি চমক সৃষ্টি কৰিছে, সেয়া যথাৰ্থতে কিমান যুক্তিসংগত, আশাপ্ৰদ আৰু সমীচীন হৈছে সকলোৱে বুজি উঠিছে, হৃদয়ংগম কৰিব পাৰিছে। পৰ্বতসম ঋণৰ বোজাত একপ্ৰকাৰ কুঁজা হৈ পৰাৰ উপক্ৰম হোৱা শাসকীয় বিজেপি চৰকাৰখনে ধাৰৰ বোজাত ককবকাই থাকিলেও যেন তালৈ তিলমানো আক্ষেপ নাই, অনুশোচনা নাই। লক্ষ্য মাথোঁ নিৰ্বাচনী বৈতৰণী পাৰ কৰা। কাৰণ, ৰাজ্যত এতিয়া নিৰ্বাচনৰ সময়। হকে বিহকে তথা অনাহকত ৰাইজৰ মাজত অৰ্থ সাহায্য বিতৰণ কৰি ভোট বেংক মজবুত কৰাহে যেন একপ্ৰকাৰ যেন অঘোষিত প্ৰতিযোগিতা হে চলিছে। মুখ্যমন্ত্ৰী আৰু আন আন বিভাগীয় মন্ত্ৰীসকলেও ঘনাই ঘনাই বিদেশ ভ্ৰমণ কৰি বহুখিনি ৰাজভঁড়ালৰ ধনো ব্যয় কৰিছে। নিজৰ জনপ্ৰিয়তা বৃদ্ধি কৰাৰ নামত আগ পিচ নাভাৰি সপ্তাহে পষেকে হাজাৰ হাজাৰ কোটি টকা ঋণ লোৱাটো সঁচাই সমীচীন হোৱা নাই। ইয়াৰ পৰিণাম আমি আটাইয়ে যে এদিন ভুগিব লাগিব, সেয়া খাটাং।

## মোদী চৰকাৰে কেতিয়াও

বছৰীয়া কাৰ্যকালৰ উন্নয়নৰ খতিয়ান দাঙি ধৰিছে। তেওঁ দাবী কৰে যে বিগত ১১ বছৰত ভাৰতবৰ্ষই বিশ্বৰ বুকুত শক্তিশালী পৰিচয় লাভ কৰিছে আৰু আগন্তুক ২০৪৭ চনৰ ভিতৰত বিশ্বৰ অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে গঢ়ি উঠিব। সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সু-শাসনৰ ফলত কৃষক, শ্ৰমিক, বনুৱা আৰু সাধাৰণ ৰাইজক অধিক শক্তিশালী আৰু আত্মনিৰ্ভৰশীল কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হৈছে। "মোদী চৰকাৰে কেতিয়াও খেতিয়কৰ স্বাৰ্থ বিসৰ্জন দিয়া নাই। বৰঞ্চ খেতিয়কৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ নিৰন্তৰ চেষ্টা কৰি আহিছে" — তেওঁ জোৰ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে ভাৰত চৰকাৰে বিভিন্ন ৰাষ্ট্ৰৰ সৈতে বাণিজ্যিক চুক্তি স্বাক্ষৰ কৰি দেশৰ উৎপাদিত সামগ্ৰীৰ বাবে বিশ্ব বজাৰ মুকলি কৰিছে। "ভাৰত চৰকাৰে ৩৮খন ৰাষ্ট্ৰৰ লগত বাণিজ্যিক চুক্তি কৰিছে। ইয়াৰ ফলত ভাৰতৰ বাবে প্ৰায় ৭০ শতাংশ বাণিজ্যিক বজাৰ মুকলি হৈছে। এতিয়া ভাৰতীয় ব্যৱসায়ী আৰু কৃষকে বিশ্ব বজাৰ দখল কৰিবলৈ সক্ষম হ'ব।" তেওঁ বিশেষভাৱে উত্তৰ-পূৰ্বাঞ্চলৰ কথা উল্লেখ কৰি কয় যে অসমৰ চাহ আৰু অন্যান্য কৃষিজাত সামগ্ৰীয়ে এতিয়া বিশ্ব বজাৰত স্থান দখল কৰিছে। "পূৰ্বে চাহৰ বজাৰ সংকুচিত আছিল, কিন্তু মোদী চৰকাৰৰ উদ্যোগত অসমৰ চাহ এতিয়া বিশ্বৰ বজাৰত জনপ্ৰিয় হৈ পৰিছে। এই চুক্তিসমূহৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলৰ কৃষক আৰু উদ্যোগীসকল বিশেষভাৱে লাভান্বিত হ'ব।" সৰ্বানন্দ সোণোৱালে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি কয় যে ৬০ বছৰ শাসনকালত কংগ্ৰেছে মুক্ত বাণিজ্যৰ ক্ষেত্ৰত কোনো উল্লেখযোগ্য পদক্ষেপ ল'ব পৰা নাছিল। "কংগ্ৰেছে কৰিব নোৱৰা কাম মাত্ৰ ১১ বছৰত এন ডি এ চৰকাৰে কৰি দেখুৱাইছে। দেশৰ শক্তিশালী অৰ্থনৈতিক অৱস্থা দেখি ৰাহুল গান্ধী হতাশ হৈ পৰিছে।" তেওঁ আগবঢ়াই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যুৱক-যুৱতীৰ বাবে নতুন উপাৰ্জনৰ পথ মুকলি হৈছে আৰু দেশ আত্মনিৰ্ভৰশীলতাৰ দিশত দ্ৰুতগতিত আগবাঢ়িছে। এই সংবাদমেলৰ জৰিয়তে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আগন্তুক ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত বিজেপি চৰকাৰৰ উন্নয়নমূলক কাম-কাজক আকৌ এবাৰ জনসমক্ষত উপস্থাপন কৰিবলৈ চেষ্টা কৰিছ।

## বিধানসভাত ২০২৬-২৭

প্ৰথম চাৰিমাহৰ বাবে বিত্তমন্ত্ৰী অজন্তা নেওগে ৬২, ২৯৪.৭৮ কোটি টকাৰ লেখানুদান সদনত উত্থাপন কৰে। বিত্তমন্ত্ৰীয়ে সদনত উল্লেখ কৰে যে ২০২০-২১ বিত্তীয় বৰ্ষত অসমৰ জনমূৰি আয় আছিল ৮৬, ৯৪৭ টকা, যি ২০২৫-২৬ বৰ্ষত বৃদ্ধি পাই ১, ৮৫, ৪২৯ টকা হৈছে। অৰ্থাৎ মাত্ৰ পাঁচ বছৰৰ ভিতৰত জনমূৰি আয় ১১৩ শতাংশ বৃদ্ধি পাইছে আৰু দেশৰ ভিতৰত অসমৰ জনমূৰি আয়ৰ বৃদ্ধিৰ হাৰ সৰ্বাধিক। বিগত পাঁচ বছৰত জনমূৰি আয় দুগুণ হোৱাৰ লগতে ৰাজ্যখন অৰ্থনৈতিক প্ৰগতিৰ ইঞ্জিন হিচাপে আত্মপ্ৰকাশ কৰিছে। তেওঁ আশা প্ৰকাশ কৰে যে ২০২৮ চনৰ ভিতৰতে অসমৰ অৰ্থনীতি ১০ লাখ কোটি টকাৰ সীমা অতিক্ৰম কৰিব। ৰিজাৰ্ভ বেংকৰ শেহতীয়া মূল্যায়ন অনুসৰি অসম ভাৰতৰ ভিতৰতে দ্ৰুততম বিকাশশীল ৰাজ্য হিচাপে পৰিগণিত হৈছে। স্থিৰ মূল্যত ২০১৯-২০ৰ পৰা ২০২৪-২৫লৈ জিএছডিপি ৪৫ শতাংশ বৃদ্ধি পাইছে, যি ৰাষ্ট্ৰীয় গড় ২৯ শতাংশৰ তুলনাত যথেষ্ট বেছি। ২০২১-২২ত ৪, ১০, ৭২৪ কোটিৰ পৰা ২০২৫-২৬ত ৭, ৪৫, ২৯৩ কোটিলৈ জিএছডিপি বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। অসমৰ অৰ্থনৈতিক জৰীপ অনুসৰি ২০২৬-২৭ বৰ্ষত ১৬.৯৩ শতাংশ বৃদ্ধিৰ হাৰৰ সৈতে জিএছডিপি ৮, ৭১, ৪৫১ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰতো ৰাজ্যই উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। অসম মালা আঁচনিৰ অধীনত ৭৬৭ কিলোমিটাৰ পথ আৰু ৩৫৬ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ সম্পূৰ্ণ হৈছে। ধ্বজাবাহী আঁচনিৰ অধীনত ৪, ১৭৬ কিলোমিটাৰ পথ সম্পূৰ্ণ হোৱাৰ লগতে ৬, ৯১৭ কিলোমিটাৰ নিৰ্মীয়মান অৱস্থাত আছে। ২০২১ চনৰ পৰা এতিয়ালৈ ২১, ৭০০ কিলোমিটাৰ পথ আৰু ১, ৩৩৯খন দলং নিৰ্মাণ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত ৮খন সেতু সম্পূৰ্ণ হৈছে আৰু ৪খন নিৰ্মীয়মান অৱস্থাত আছে। লেখানুদানত কেইবাটাও জনমুখী ঘোষণা কৰা হৈছে। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানত ৫ লাখতকৈ অধিক যুৱক-যুৱতীক সামৰি লোৱাৰ লক্ষ্য ৰখা হৈছে। 'নিযুত বাবু' আঁচনিৰ অধীনত স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীক মাহিলি ১০০০-২০০০ টকা আৰ্থিক সাহায্য দিয়া হ'ব। প্ৰধানমন্ত্ৰীৰ 'সূৰ্য ঘৰ' আঁচনিত ৪৫ হাজাৰ টকা ৰাজসাহায্য আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাত পাঁচ বছৰত ১৭, ০৭, ৯৮৭টা গৃহ নিৰ্মাণ সম্পূৰ্ণ হৈছে। লাখপতি বাইদেউ আঁচনিৰ দ্বিতীয় পৰ্যায়ত ২৫ হাজাৰ টকা দিয়াৰ ঘোষণা কৰা হৈছে। নগৰীয়া ঔদ্যোগিক কৰিড'ৰ নিৰ্মাণ, গুৱাহাটী-জাগীৰোড-পলাশবাৰী অঞ্চলত দ্বৈত মহানগৰী গঠন, এয়াৰপৰ্টৰ পৰা জাগীৰোডলৈ এলিভেটেড কৰিড'ৰ আৰু গুৱাহাটী-ডিব্ৰুগড়ৰ মাজত এ'প্ৰেছ কৰিড'ৰৰ পৰিকল্পনা ঘোষণা কৰা হৈছে। অপ্ৰাদেশিকৃত শিক্ষক আৰু টিউটৰৰ বাবে গুৰুদক্ষিণা আঁচনিৰ জৰিয়তে এককালীন সাহায্য দিয়া হ'ব আৰু যোগ্যসকলৰ চাকৰি প্ৰাদেশিকীকৰণৰ বাবে প'ৰ্টেল মুকলি কৰা হ'ব। অহা মাৰ্চ মাহৰ পৰা ৩.৫০ লাখ চাহ শ্ৰমিক পৰিয়ালক ভূমিপট্টা প্ৰদান আৰম্ভ হ'ব। নগাঁও, ডিফু, উমৰাংছ', মাজুলী আৰু মানাহত পাঁচটা নতুন বিমানবন্দৰ স্থাপনৰ পৰিকল্পনা কৰা হৈছে। সামাজিক সুৰক্ষা আঁচনিসমূহতো বৃদ্ধি ঘোষণা কৰা হৈছে। বৃদ্ধ পেঞ্চন ২৫০ টকাৰ পৰা ৪০০ টকালৈ, বিধবা পেঞ্চন ৩০০ টকাৰ পৰা ১২৫০ টকালৈ, ৰান্ধনিৰ দৰমহা ১৫০০ টকাৰ পৰা ২০০০ টকালৈ আৰু অংগনবাড়ী কৰ্মীৰ দৰমহা ৬৫০০ টকাৰ পৰা ৮০০০ টকালৈ বৃদ্ধি কৰা হৈছে। ঐতিহ্য সংৰক্ষণৰ বাবে 'অসম দৰ্শন' আঁচনিৰ অধীনত ১, ১৩২.৯৩ কোটি টকা মুকলি কৰা হৈছে। বিত্তমন্ত্ৰীয়ে কয় যে জনমুখী বাজেটৰ জৰিয়তে অসমৰ অৰ্থনৈতিক বিকাশৰ গতি অব্যাহত ৰখা হ'ব আৰু ২০২৮ চনৰ ভিতৰতে ১০ লাখ কোটি টকাৰ অৰ্থনীতিৰ লক্ষ্য অৰ্জনৰ সম্ভাৱনা অতি প্ৰবল হৈ পৰিছে।

## মই APCC(R)ত নাথাকোঁ...! কংগ্ৰেছৰ

সৈতে ১৫ মিনিটৰ ফোনালাপ আৰু দলৰ ৰাষ্ট্ৰীয় নেতৃত্বৰ সৈতে তিনি ঘণ্টাৰ বৈঠকৰ পিছতো তেওঁ পদত্যাগ পুনৰ বিবেচনা নকৰাৰ কথা ঘোষণা কৰে। ভূপেন বৰাই কয় যে অসম কংগ্ৰেছ এতিয়া দুটা ভাগত বিভক্ত হৈ পৰিছে—এটা APCC আৰু আনটো APCC(R)। "মই APCC(R)-ত থাকিব নিবিচাৰোঁ। দলত থকা সময়ত মোৰ কথাৰ কোনো গুৰুত্ব নাছিল। টিভিত মোক জ্যেষ্ঠ নেতা বুলি কোৱা হয়, কিন্তু বাস্তৱত ইয়াৰ কোনো মূল্য নাই।" তেওঁ অভিযোগ কৰে যে অসম প্ৰদেশ কংগ্ৰেছ কমিটী এতিয়া APCC-Rলৈ পৰিণত হৈছে আৰু বহু জিলা সমিতিও একে পথত আগবাঢ়িছে। "R-ৰ ৰাজত্ব চলি আছে।" ভূপেন বৰাই ৰকিবুল হুছেইনৰ নেতৃত্বক তীব্ৰ সমালোচনা কৰি কয় যে অসম কংগ্ৰেছ এতিয়া ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ আঙুলিৰ ঠাঁৰত নচা হৈ পৰিছে। তেওঁৰ পুঞ্জীভূত ক্ষোভ উজাৰি তেওঁ কয় যে 'R'-ৰ বাবেই ২০২৪ চনৰ উপ-নিৰ্বাচনত তেওঁ অংশগ্ৰহণ কৰিব নোৱাৰিলে। লগতে তেওঁ গঠন কৰা বিৰোধী মহাজোঁট ভাঙি কোন লাভান্বিত হ'ল বুলি প্ৰশ্ন উত্থাপন কৰে। "কংগ্ৰেছৰ ভিতৰত অন্তঃকন্দল চলি আছে। এনেকৈ চলিলে দল শক্তিশালী যুঁজ দিব নোৱাৰে।" ভূপেন বৰাই সোমবাৰে পদত্যাগ পত্ৰ প্ৰেৰণ কৰাৰ পিছত মঙলবাৰে সন্ধিয়া ৭ বজাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ গুৱাহাটীৰ ঘৰলৈ যোৱাৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ভূপেন বৰাই পদত্যাগ প্ৰত্যাহাৰ নকৰে বুলি তেওঁ বিশ্বাস কৰে, কাৰণ যদি প্ৰত্যাহাৰ কৰিলেহেঁতেন তেওঁক ঘৰলৈ নিমন্ত্ৰণ নকৰিলেহেঁতেন। "মই ভাবোঁ তেওঁ বিজেপিত যোগদান কৰিব। যদি যোগদান কৰে তেন্তে ২১-২২ ফেব্ৰুৱাৰীৰ ভিতৰত কৰিলে ভাল হ'ব।" মুখ্যমন্ত্ৰীয়ে ভূপেন বৰাক "অসম কংগ্ৰেছৰ শেষ হিন্দু নেতা" বুলি উল্লেখ কৰি বিজেপিৰ দুৱাৰ মুকলি কৰি দিয়ে। বৈঠকৰ পিছত যৌথভাৱে বিজেপিত যোগদানৰ ঘোষণা কৰাৰ সম্ভাৱনা প্ৰবল হৈ পৰিছে। ভূপেন বৰাই কয় যে বহু দলৰ পৰা প্ৰস্তাৱ আহিছে, কিন্তু তেওঁ পৰিয়াল আৰু শুভাকাংক্ষীৰ সৈতে আলোচনা কৰি চূড়ান্ত সিদ্ধান্ত ল'ব। এই ঘটনাই ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসম কংগ্ৰেছত গভীৰ সংকট সৃষ্টি কৰিছে। বিৰোধী ঐক্যৰ মূল স্তম্ভ ভূপেন বৰাৰ সম্ভাব্য বিজেপি যোগদানে ৰাজনৈতিক সমীকৰণত ডাঙৰ পৰিৱৰ্তন আনিব পাৰে।

## ৰাইজৰ দলত আনুষ্ঠানিকভাৱে

চলোৱা আৰম্ভ কৰিছে। সমান্তৰালকৈ আজি নৱ গঠিত মন্দিয়া সমষ্টিৰ বামুণটাৰীত ৰাইজৰ দলৰ এক বিশাল যোগদান কাৰ্যসূচী ও গণ সমাৱেশ অনুষ্ঠিত হয়। উক্ত গণ সমাৱেশত দীৰ্ঘদিনীয়া জল্পনা কল্পনাৰ অন্তত বাঘবৰ সমষ্টিৰ কংগ্ৰেছৰ নিলম্বিত বিধায়ক শ্বেৰমান আলীয়ে আনুষ্ঠানিকভাৱে ৰাইজৰ দলত যোগদান কৰে। যোগদান কৰিয়েই বিধায়ক শ্বেৰমান আলীয়ে কংগ্ৰেছক কঠোৰ ভাষাৰে সমালোচনা কৰি কয় যে সংখ্যালঘুৰ বাবে মাত মতাৰ বাবেই কংগ্ৰেছ দলে তেওঁক নিলম্বন কৰিছিল। অখিল গগৈৰ নেতৃত্বত অসমৰ সাম্প্ৰদায়িক পৰিবেশৰ অৱসান ঘটাই এক সুন্দৰ অসম, জুবিন দাৰ অসম, শংকৰ আজানৰ অসম গঢ় দিবলৈ আমি চেষ্টা কৰিম বুলি কোৱাৰ লগতে ৰাইজৰ দলৰ সভাপতি শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰে বিধায়ক শ্বেৰমান আলীয়ে। ইফালে অখিল গগৈ নিজকে উজনি অসমৰ হিন্দু সকলৰ লিডাৰ আৰু নামনিত শ্বেৰমান আলী মুছলমান সকলৰ লিডাৰ বুলি ভাষণত উল্লেখ কৰে। উজনি অসমৰ হিন্দু মানুহৰ মাজত অখিল গগৈ নিজকে বাঘৰ লগত তুলনা কৰে আৰু নামনি অসমৰ মুছলমান লোকসকলৰ মাজত শ্বেৰমান আলী আৰু আব্দুৰ ৰশ্বিদ মণ্ডল এজন এজনকৈ বাঘ বুলি কয়। আগন্তুক বিধানসভা নিৰ্বাচনত অতি কমেও ১৫জন বিধায়ক জিকাই লৈ আহিব আৰু ৰাইজৰ দলৰ চৰকাৰ আহিলে অসমৰ প্ৰকৃত উন্নয়ন হব বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে। কলগাছিয়াৰ বামুণটাৰীত ৰাইজৰ দলৰ বিশাল যোগদান কাৰ্যসূচী ও গণ সমাবেশত বিধায়ক অখিল গগৈ উপস্থিত হৈ এনেদৰে কেইবাটাও বিস্ফোৰক আগবঢ়ায়।

## চাহ শ্ৰমিকৰ সন্তানলৈ ৩

দিশত একাধিক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে সংবাদমাধ্যমৰ আগত সিদ্ধান্তসমূহ ৰাজহুৱা কৰে। সৰ্বাধিক গুৰুত্ব লাভ কৰা সিদ্ধান্তটো হৈছে চাহ বাগিচা আৰু আদিবাসী সম্প্ৰদায়ৰ যুৱক-যুৱতীসকলৰ বাবে গ্ৰেড—১ আৰু গ্ৰেড—২ শ্ৰেণীৰ চৰকাৰী চাকৰিত ৩ শতাংশ সংৰক্ষণ প্ৰদান। মুখ্যমন্ত্ৰীয়ে জনোৱা মতে, এই সংৰক্ষণ ব্যৱস্থা অহাবাৰ অনুষ্ঠিত হ'বলগীয়া এ চি এছ পৰীক্ষাৰ পৰাই কাৰ্যকৰী হ'ব। তদুপৰি, আজিৰ পৰা প্ৰকাশিত সকলো সংশি-ষ্ট পদৰ বিজ্ঞাপনতো এই সংৰক্ষণ অন্তৰ্ভুক্ত থাকিব। ফলস্বৰূপে এ চি এছ, এ পি এছ বিষয়া, অধ্যাপক-অধ্যাপিকা আদি উচ্চপদসমূহতো চাহ শ্ৰমিকৰ সন্তানসকলৰ বাবে সংৰক্ষিত আসনৰ সুযোগ নিশ্চিত হ'ব। ইফালে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ ক্ষেত্ৰতো কেবিনেটে উল্লেখযোগ্য সিদ্ধান্ত গ্ৰহণ কৰে। ইতিমধ্যে ৩২ লাখ মহিলাক প্ৰথম কিস্তিৰ ৰূপে ১০ হাজাৰ টকা প্ৰদান কৰা হৈছে। এতিয়া হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি কৰি নতুনকৈ ১ লাখ ৩ হাজাৰ ৫০০ গৰাকী মহিলাক অন্তৰ্ভুক্ত কৰাৰ অনুমোদন দিয়া হৈছে। ইয়াৰ জৰিয়তে পূৰ্বে বিভিন্ন কাৰণত বঞ্চিত হৈ থকা বহু মহিলাই এই আঁচনিৰ সুবিধা লাভ কৰিব। উন্নয়নমূলক প্ৰকল্পসমূহৰ ভিতৰত ধেমাজিত অসম ক্ৰিকেট সন্থাৰ উদ্যোগত এখন ষ্টেডিয়াম নিৰ্মাণৰ বাবে ৩১ বিঘা মাটি আৱণ্টনৰ অনুমোদন জনোৱা হৈছে। আনহাতে কাৰ্বি আংলং জিলাৰ লাংৰকুত স্থাপন হ'বলগীয়া দ্বিতীয়খন সৈনিক স্কুলৰ বাবে সংশোধিত প্ৰশাসনিক অনুমোদন হিচাপে ৩৩৫.৮৭ কোটি টকা মঞ্জুৰ কৰা হৈছে, যিটো পূৰ্বৰ ১০০ কোটি টকাৰ প্ৰস্তাৱিত ব্যয়ৰ তুলনাত যথেষ্ট বৃদ্ধি। যোৰহাটৰ 'বৰভেটি চৌহদ সংহত উন্নয়ন' প্ৰকল্পৰ বাবেও ১৯.৫৯ কোটি টকাৰ অনুমোদন জনোৱা হৈছে। বিদ্যালয় শিক্ষা বিভাগৰ অধীনত শিক্ষকসকলৰ আৰ্জিত ছুটী বছৰি ১০ দিনৰ পৰা ১৫ দিনলৈ বৃদ্ধি কৰাৰ সিদ্ধান্তও কেবিনেটে গ্ৰহণ কৰে, যিয়ে শিক্ষকৰ কল্যাণ নিশ্চিত কৰাত সহায়ক হ'ব। ভূমি বিষয়ক ক্ষেত্ৰত সেৱা সেতু, মিছন বসুন্ধৰা ২.০ আৰু বসুন্ধৰা প'ৰ্টেলৰ অধীনত ১০খন জিলাৰ ৩১৯টা খিলঞ্জীয়া ভূমিহীন পৰিয়ালক চৰকাৰী খাচ আৰু চিলিং উদ্বৃত্ত মাটি বন্দৱস্ত কৰাৰ অনুমোদন জনোৱা হৈছে। লগতে কৃষি বিভাগত পদোন্নতিৰ ক্ষেত্ৰত প্ৰশাসনিক জটিলতা হ্ৰাস কৰাৰ উদ্দেশ্যে বিভাগীয় সেৱাবিধি সংশোধনৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। সামগ্ৰিকভাৱে এই কেবিনেট সিদ্ধান্তসমূহে ৰাজ্যৰ পিছপৰা আৰু বঞ্চিত সম্প্ৰদায়ৰ সামাজিক-অৰ্থনৈতিক উন্নয়ন, শিক্ষাৰ বিস্তাৰ আৰু প্ৰশাসনিক সংস্কাৰত ইতিবাচক প্ৰভাৱ পেলাব বুলি চৰকাৰী মহলে আশা প্ৰকাশ কৰিছে।

## বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ

সাক্ষাৎ কৰে। প্ৰতিনিধি দলটোৱে নিৰপেক্ষ, নিকা আৰু স্বচ্ছ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন অভিযোগ আৰু পৰামৰ্শ আগবঢ়ায়। প্ৰতিনিধি দলটোক নেতৃত্ব দিয়ে সাংসদ ৰকিবুল হুছেইন আৰু ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ তথা এপিচিচিৰ প্ৰাক্তন সভাপতি ৰিপুণ বৰাই। দলটোৱে গুৱাহাটীৰ ৰাজীৱ ভৱনত এক সংবাদমেল অনুষ্ঠিত কৰি নিৰ্বাচন আয়োগৰ সৈতে হোৱা আলোচনাৰ বিষয়ে বিস্তৃতভাৱে জনসাধাৰণক অৱগত কৰে। ৰিপুণ বৰাই সংবাদমেলত কয় যে, অসম চৰকাৰৰ পৃষ্ঠপোষকতাত নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ সংশোধনী (স্পেচিয়েল ৰিভিজন)ৰ নামত জীৱিত ভাৰতীয় নাগৰিকক মৃত সজাই তালিকাৰ পৰা নাম কৰ্তন কৰাৰ ঘটনা ঘটাইছে। এনে কাৰ্যকলাপে সাধাৰণ মানুহক হাৰাশাস্তি কৰা হৈছে বুলি তেওঁ অভিযোগ কৰে। তেওঁ কয়, "আমি নিৰ্বাচন আয়োগক আমাৰ স্থিতি আৰু পৰামৰ্শ জনাইছোঁ আৰু নিৰপেক্ষ তথা নিকা-স্বচ্ছ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ জনাইছোঁ।" ৰিপুণ বৰাই আৰু কয় যে, ৰাজ্য চৰকাৰে আৰক্ষী আৰু প্ৰশাসনক অপব্যৱহাৰ কৰি ৰাজনৈতিক সুবিধা লৈছে। তেওঁ উল্লেখ কৰে যে, চামগুৰি উপ-নিৰ্বাচনত সন্ত্ৰাসৰ পৰিৱেশ সৃষ্টি হৈছিল। সাংসদ ৰকিবুল হুছেইনৰ ওপৰত আক্ৰমণ, বিধায়কসকলৰ গাড়ী ভাঙি পেলোৱা, জোৰ-জবৰদস্তি ৰিগিং আদি ঘটনাৰ উদাহৰণ দি তেওঁ কয় যে, নিৰ্বাচন আয়োগৰ আচৰণবিধি থকাৰ পিছতো প্ৰশাসনে নিৰ্বিকাৰ ভূমিকা পালন কৰিছিল। তেওঁ লগতে পঞ্চায়ত নিৰ্বাচনৰ সময়ত শোণিতপুৰ জিলাৰ নদুৱাত কংগ্ৰেছ প্ৰাৰ্থীক মনোনয়ন দাখিল কৰাত বাধা দিয়াৰ ঘটনা উল্লেখ কৰে। বিজেপিৰ গুণ্ডাই আক্ৰমণ কৰাৰ পিছতো আৰক্ষীয়ে কোনো ব্যৱস্থা নলোৱা বুলি অভিযোগ কৰে। ৰিপুণ বৰাই কয় যে, গৌৰৱ গগৈৰ অসমজুৰি যাত্ৰাত বিভিন্ন ঠাইত বিজেপি কৰ্মীয়ে বাধা দিছে। আমিনগাঁও, বটদ্ৰৱা, শোণিতপুৰ, বিহগুৰি, লখিমপুৰ আদি ঠাইত আৰক্ষীৰ সন্মুখতে এনে ঘটনা ঘটিছে, কিন্তু আৰক্ষী নীৰৱ দৰ্শক হৈ আছিল। তেওঁ কয়, "যদি আৰক্ষী নিৰপেক্ষভাৱে কাম নকৰে তেন্তে নিৰ্বাচন কেতিয়াও নিকা নহ'ব।" ৰকিবুল হুছেইনে সংবাদমেলত কয় যে, বিজেপিয়ে বিহুৰ আগতে নিৰ্বাচন শেষ কৰিব বিচাৰিছে, যাতে ৰাইজে বিহু মঞ্চত জুবিন গাৰ্গৰ মৃত্যুৰ কথা মনত নপৰে। তেওঁ প্ৰশ্ন কৰে যে, মুখ্যমন্ত্ৰীয়ে ১৯ ছেপ্টেম্বৰত জুবিন গাৰ্গৰ মৃত্যু হ'ব বুলি কেনেকৈ জানিছিল। তেওঁ লগতে উল্লেখ কৰে যে, মুখ্য নিৰ্বাচনী আয়ুক্তই দিল্লীত এছ আৰ (স্পেচিয়েল ৰিভিজন) নহয় বুলি কোৱাৰ পিছতো মুখ্যমন্ত্ৰী দিল্লীলৈ গৈ এছ আৰ আৰম্ভ কৰাইছিল। নিৰ্বাচন আয়োগে প্ৰতিশ্ৰুতি দিছে যে, ৰাজ্য চৰকাৰৰ ক্ষমতা থকা অৱস্থাত এনে ঘটনা নহ'ব আৰু মডেল ক'ড অৱ কণ্ডা" কাৰ্যকৰী হোৱাৰ পিছত প্ৰশাসন সম্পূৰ্ণ নিৰপেক্ষ হ'ব। ৰাজনৈতিক দলে সভা পাতিবলৈ টকা দিবলগীয়া হোৱাৰ কথাও আয়োগক জনোৱা হৈছে। অসম বিধানসভা নিৰ্বাচন ২০২৬ মাৰ্চ-এপ্ৰিলৰ ভিতৰত অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে। নিৰ্বাচনৰ আনুষ্ঠানিক সময়সূচী মাৰ্চ মাহৰ মাজভাগত ঘোষণা হ'ব পাৰে বুলি সূত্ৰৰ পৰা জানিব পৰা গৈছে। বেছিভাগ ৰাজনৈতিক দলে এটা বা দুটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী জনাইছে আৰু বিহু উৎসৱৰ কথা মনত ৰাখি সময়সূচী নিৰ্ধাৰণ কৰিবলৈ অনুৰোধ কৰিছে।

## দেশৰ ভিতৰত অন্যতম

মন্তব্য কৰি ৰাজ্যৰ আৰ্থিক ব্যৱস্থাপনাক শক্তিশালী বুলি দাবী কৰিছে। তেওঁ কয় যে দেশৰ ভিতৰত অসম অন্যতম কম ঋণ লোৱা ৰাজ্যসমূহৰ ভিতৰত অন্যতম। কৰ্ণাটকৰ কংগ্ৰেছ চৰকাৰে মাত্ৰ এমাহতে ৯২ হাজাৰ কোটি টকা ঋণ লোৱাৰ বিপৰীতে অসম চৰকাৰে অত্যধিক ঋণ নলয় বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে সদনে অসমৰ ফাইনেন্সিয়েল মেনেজমেণ্টৰ বাবে ধন্যবাদ জনোৱা উচিত বুলি কয়। তেওঁ আৰু কয় যে ৰিজাৰ্ভ বেংকে অসমক দ্ৰুত উন্নয়নমুখী ৰাজ্য হিচাপে চিনাক্ত কৰিছে। কেইদিনমান আগতে প্ৰকাশিত সৰ্বভাৰতীয় বাতৰি কাকতসমূহৰ তথ্য অনুসৰি এই বছৰ পাৰ কেপিটা কনচাম্পচনত অসমে পশ্চিমবংগক অতিক্ৰম কৰিবলৈ ওলাইছে বুলি তেওঁ দাবী কৰে। বৰপেটা সমষ্টিৰ উন্নয়নৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰপেটাত বিশ্ববিদ্যালয়ৰ দৰে প্ৰকল্পৰ বাবে ৰূপক লগাই দাবী কৰিলে ক'ত হ'ব সেইটো নিৰ্ধাৰণ কৰিব লাগিব। ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ কৰাটো সহজ কাম নহয়। ৰাজ্য চৰকাৰে এনে দলং নিৰ্মাণ কৰিব নোৱাৰে; ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সহায় ল'ব লাগিব। ধুবুৰীৰ সাংসদগৰাকীয়ে লোকসভাত এই দাবী উত্থাপন কৰিব লাগিব বুলি তেওঁ উল্লেখ কৰে। তেওঁ আগবঢ়াই কয় যে বৰপেটাত যোগাযোগ ব্যৱস্থাৰ যি উন্নতি হৈছে, সেইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। অবিভক্ত বৰপেটা জিলাতেই ভট্টদেৱ বিশ্ববিদ্যালয় স্থাপন হৈছে। অসম চৰকাৰে বৰপেটাত যথেষ্ট কাম কৰিছে। তাত ৰাষ্ট্ৰীয় ঘাইপথ নাছিল, ৰেল লাইন নাছিল। এতিয়া বৰপেটা চহৰৰ মাজেৰে ৰাষ্ট্ৰীয় ঘাইপথৰ কাম আৰম্ভ হৈ গৈছে আৰু ৰেল সংযোগৰ চেষ্টা চলি আছে। মুখ্যমন্ত্ৰীয়ে কয় যে বৰপেটাৰ মানুহৰ ডাঙৰ দাবী আছিল চহৰৰ মাজেৰে নেচনেল হাইৱে আৰু ৰেল সংযোগ। এই দাবীসমূহ পূৰণৰ বাবে কাম আৰম্ভ হৈছে। কিন্তু কেৱল ঋণৰ কথা কৈ ৰাস্তা বন্ধ কৰি দিলে কাম নহয়। উন্নয়নৰ বাবে অলপ ঋণ ল'ব লাগিব বুলি তেওঁ যুক্তি দিয়ে। এই অধিৱেশনত মুখ্যমন্ত্ৰীৰ এই বক্তব্যই ৰাজ্যৰ আৰ্থিক স্থিতি আৰু উন্নয়নৰ গতিৰ ওপৰত নতুন আলোচনাৰ সূত্ৰপাত কৰিছে। বিশেষকৈ আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত চৰকাৰৰ আৰ্থিক দাবীসমূহক লৈ বিৰোধী দলসমূহৰ প্ৰতিক্ৰিয়া অপেক্ষা কৰি আছে।

## বাংলাদেশৰ নতুন প্ৰধানমন্ত্ৰী

স্বৈৰাচাৰী চৰকাৰ উৎখাত হোৱাৰ পিছত ১৮ মাহ ধৰি অন্তৰ্বৰ্তীকালীন চৰকাৰে (মুখ্য উপদেষ্টা মুহম্মদ ইউনুছৰ নেতৃত্বত) দেশখন পৰিচালনা কৰিছিল। এতিয়া বিএনপি নেতৃত্বাধীন নতুন চৰকাৰে দায়িত্ব গ্ৰহণ কৰিছে। জাতীয় সংসদৰ দক্ষিণ প্লাজাত অনুষ্ঠিত এই শপতগ্ৰহণ অনুষ্ঠানত ৰাষ্ট্ৰপতি মহম্মদ চাহাবুদ্দিনে তাৰিক ৰহমানক প্ৰধানমন্ত্ৰী হিচাপে শপত বাক্য পাঠ কৰায়। মুখ্য নিৰ্বাচন আয়ুক্ত এ এম এম নাছিৰ উদ্দিনে সাংসদসকলক শপত বাক্য পাঠ কৰায়। তাৰিক ৰহমানৰ নেতৃত্বত ২৫জন কেবিনেট মন্ত্ৰী আৰু ২৪জন ৰাষ্ট্ৰমন্ত্ৰীয়ে শপত লয়। এই অনুষ্ঠান টেলিভিছনত সম্প্ৰচাৰিত হৈছিল। বাংলাদেশ নেচনেলিষ্ট পাৰ্টী (বিএনপি)ৰ চেয়াৰমেন তথা ৬০ বছৰীয়া তাৰিক ৰহমানে ১২ ফেব্ৰুৱাৰীৰ সাধাৰণ নিৰ্বাচনত এক বৃহৎ জয় লাভ কৰে। বিএনপি নেতৃত্বাধীন মিত্ৰজোঁটে ২৯৯খন আসনৰ ভিতৰত ২১২খন আসন লাভ কৰে, যিয়ে দুই-তৃতীয়াংশৰো অধিক সংখ্যাগৰিষ্ঠতা প্ৰদান কৰে। জামাত-ই-ইছলামী নেতৃত্বাধীন মিত্ৰজোঁটে ৭৭খন আসন লাভ কৰে। এই নিৰ্বাচন ২০২৪ চনৰ জুলাই বিপ-ৱৰ পিছত প্ৰথম সাধাৰণ নিৰ্বাচন আছিল। তাৰিক ৰহমানে বিজয় ভাষণত কয় যে, "এই বিজয় বাংলাদেশৰ, গণতন্ত্ৰৰ। এই জয় গণতন্ত্ৰৰ বাবে ত্যাগ স্বীকাৰ কৰা লোকসকলৰ।" তেওঁ দেশৰ ভংগুৰ অৰ্থনীতি, দুৰ্বল প্ৰতিষ্ঠান আৰু আইন-শৃংখলাৰ অৱনতিৰ পৰিস্থিতিৰ কথা উল্লেখ কৰি সকলো দলকে একেলগে কাম কৰিবলৈ আহ্বান জনায়। ১৭ বছৰ নিৰ্বাসনৰ পিছত ডিচেম্বৰ মাহত বাংলাদেশলৈ উভতি অহা তাৰিক ৰহমান বিএনপিৰ মুৰব্বী খালেদা জিয়া আৰু প্ৰাক্তন ৰাষ্ট্ৰপতি জিয়াউৰ ৰহমানৰ পুত্ৰ। তেওঁৰ এই বিজয় এক উল্লেখযোগ্য ৰাজনৈতিক পৰিৱৰ্তন। নতুন চৰকাৰে অৰ্থনৈতিক স্থিতিশীলতা পুনৰ স্থাপন, বিনিয়োগকাৰীৰ আস্থা ঘূৰাই অনা আৰু গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ শক্তিশালী কৰাৰ দায়িত্ব ল'ব লাগিব।

## বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি

মোদী, গৃহমন্ত্ৰী অমিত শ্বাহৰ পৰা আৰম্ভ কৰি কেন্দ্ৰীয় নেতাসকলে এজনৰ পিছত এজন অসমলৈ আহি দলীয় কৰ্মীসকলৰ মাজত নতুন উদ্দীপনা সৃষ্টি কৰিছে। এই প্ৰেক্ষাপটত নৱনিৰ্বাচিত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে দায়িত্ব গ্ৰহণৰ পিছত প্ৰথমবাৰৰ বাবে দুদিনীয়া কাৰ্যসূচীৰে আজি অসমলৈ আহিছে। এই ভ্ৰমণৰ মূল উদ্দেশ্য হৈছে দলৰ সাংগঠনিক শক্তি বৃদ্ধি কৰা আৰু তৃতীয়বাৰৰ বাবে অসমত বিজেপি চৰকাৰ গঠনৰ বাবে নতুন ৰণনীতি ৰচনা কৰা। ৰাষ্ট্ৰীয় সভাপতিগৰাকীৰ এই আগমনক লৈ ৰাজ্যিক বিজেপিৰ নেতৃত্বই বিশেষভাৱে সাজু-সুৰাৰী কৰিছে। নীতিন নবীনে আজি দুপৰীয়া প্ৰায় ১.৪৫ বজাত ডিব্ৰুগড়ৰ মোহনবাৰী বিমানবন্দৰত উপস্থিত হ'ব। তাৰ পিছত ডিব্ৰুগড় জিলাৰ মানকটা (মানকটা) চাহ বাগিচাৰ খেলপথাৰত (বা খানিকৰত) অনুষ্ঠিত হ'বলগীয়া পৃষ্ঠাপ্ৰমুখ সন্মিলনত অংশগ্ৰহণ কৰিব। এই সন্মিলনত ডিব্ৰুগড় জিলাৰ ৬টা বিধানসভা সমষ্টিৰ পৃষ্ঠাপ্ৰমুখসকলৰ লগতে ৰাজ্যিক, জিলা আৰু মণ্ডল পৰ্যায়ৰ নিৰ্বাচিত বিষয়ববীয়া, মন্ত্ৰী, বিধায়ক আৰু দলীয় কৰ্মীসকলে উপস্থিত থাকিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দৰে বিশিষ্ট নেতাসকলো এই সভাত উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। সভাত দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময়ৰ লগতে বিধানসভা নিৰ্বাচনৰ সংকল্প পত্ৰৰ ওপৰত আলোচনা কৰা হ'ব। তাৰ পিছত বিয়লি ডিব্ৰুগড় জিলা পুথিভঁৰালত বিশিষ্ট ব্যক্তি আৰু জ্যেষ্ঠ নাগৰিকসকলৰ সৈতে মত বিনিময় অনুষ্ঠানত যোগদান কৰিব। সন্ধিয়া ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ, শিৱসাগৰ, লখিমপুৰ, ঢকুৱাখনা, ধেমাজি আৰু মাজুলী জিলাৰ সভাপতি-সম্পাদকসকলৰ সৈতে বিশেষ সভাত মিলিত হ'ব। কাইলৈ অৰ্থাৎ ১৯ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে তিনিচুকীয়া জিলাৰ গুইজানস্থিত মটক ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ সমাধিস্থলী (মৈদাম) পৰিদৰ্শন কৰি শ্ৰদ্ধা নিৱেদন কৰিব। ইয়াৰ পিছত ডিব্ৰুগড়ৰ মনোহাৰী চাহ বাগিচাত এটা বুথ পৰ্যায়ৰ সভাত অংশগ্ৰহণ কৰি ভ্ৰমণ সমাপ্ত কৰিব। ডিব্ৰুগড়ত মঙলবাৰে সংবাদমেল সম্বোধন কৰি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কয় যে, নৱনিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনৰ এই আগমন দলৰ সাংগঠনিক আৰু ৰাজনৈতিক দুয়োটা দিশতে অতি গুৰুত্বপূৰ্ণ। তেওঁৰ ভ্ৰমণে দলীয় কৰ্মীসকলক নিৰ্বাচনৰ বাবে অধিক উদ্যমী কৰি তুলিব। এই ভ্ৰমণৰ জৰিয়তে বিজেপিয়ে অসমত নিজৰ শক্তিশালী অৱস্থান অটুট ৰাখি তৃতীয়বাৰৰ বাবে সফলতা লাভ কৰাৰ বাবে সকলো প্ৰস্তুতি চলাই আছে বুলি দলীয় সূত্ৰে জানিব পৰা গৈছে।

## বিতৰ্কৰ অৱসান ঘটাই

(CCE), ২০২৪ৰ সংশোধিত ফলাফল মঙলবাৰে পুনৰ ঘোষণা কৰে। পূৰ্বে সোমবাৰে ফলাফল প্ৰকাশ কৰাৰ কিছু সময়ৰ ভিতৰতে আয়োগে তাৎক্ষণিকভাৱে ফলাফল বাতিল কৰাৰ সিদ্ধান্ত লোৱাৰ ফলত ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়া আৰু সমালোচনাৰ সৃষ্টি হৈছিল। এই ঘটনাই পৰীক্ষাৰ্থীসকলৰ মাজত উৎকণ্ঠাৰ সৃষ্টি কৰিছিল। আজি প্ৰকাশ কৰা সংশোধিত ফলাফল অনুসৰি অসম অসামৰিক সেৱা, অসম আৰক্ষী সেৱা আৰু বিভিন্ন সংলগ্ন বিভাগসমূহৰ বাবে সৰ্বমুঠ ২৮৮ গৰাকী প্ৰাৰ্থীক নিযুক্তিৰ বাবে অনুমোদন জনোৱা হৈছে। আয়োগৰ সূত্ৰে জানিব পৰা মতে, সকলো তথ্য পুনৰীক্ষণ কৰি নিয়ম অনুসৰি সংশোধিত ফলাফল প্ৰস্তুত কৰা হৈছে। অসম অসামৰিক সেৱা (জুনিয়ৰ গ্ৰেড)ত নিহাৰ ৰঞ্জন ডেকাই প্ৰথম স্থান অধিকাৰ কৰিছে। ৰাজনীশ শৰ্মাই দ্বিতীয় আৰু পাঞ্চালী দেৱীয়ে তৃতীয় স্থান লাভ কৰে। একেদৰে অসম আৰক্ষী সেৱা (জুনিয়ৰ গ্ৰেড)ত ভাস্কৰ জ্যোতি মেধিয়ে শীৰ্ষ স্থান দখল কৰে, য'ত অম্লান বৰুৱাই দ্বিতীয় আৰু ধৃতিমান বৰ্মনে তৃতীয় স্থান লাভ কৰে। ইয়াৰ উপৰি শ্ৰম বিভাগ, জিলা পৰিবহণ বিষয়া, খণ্ড উন্নয়ন বিষয়া, সহকাৰী পৰিচালক, উদ্যোগ বিভাগ, সমবায় বিভাগ, অসম বিত্ত সেৱা, কৰ পৰিদৰ্শক, শ্ৰম পৰিদৰ্শক, আবকাৰী পৰিদৰ্শক, সহকাৰী নিয়োগ বিষয়া, উপ-পঞ্জীয়ক আৰু অসম নিৰীক্ষণ সেৱাৰ সহকাৰী নিৰীক্ষণ বিষয়া পদসমূহতো কৃতিত্বপ্ৰাপ্ত প্ৰাৰ্থীসকলৰ নাম ঘোষণা কৰা হৈছে। প্ৰতিটো বিভাগতে যোগ্যতাৰ ভিত্তিত শীৰ্ষস্থান দখল কৰা প্ৰাৰ্থীসকলৰ তালিকা প্ৰকাশ কৰা হয়। উল্লেখ্য যে, পূৰ্বে ফলাফল ঘোষণাৰ পাছতেই বাতিল কৰাৰ সিদ্ধান্তক লৈ আয়োগ তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছিল। বহু পৰীক্ষাৰ্থীয়ে স্বচ্ছতা সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰিছিল। সংশোধিত ফলাফল ঘোষণা কৰাৰ পাছত পৰিস্থিতি কিছু পৰিমাণে স্বাভাৱিক হৈছে বুলি অনুমান কৰা হৈছে। আয়োগে জানিবলৈ দিয়ে যে নিযুক্তি-সম্পৰ্কীয় পৰৱৰ্তী আনুষ্ঠানিকতা শীঘ্ৰেই আৰম্ভ কৰা হ'ব। এই ফলাফলৰ জৰিয়তে ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাত নতুন প্ৰজন্মৰ বিষয়াসকলৰ অন্তৰ্ভুক্তি ঘটিব আৰু সেৱা ব্যৱস্থাত গতি সঞ্চাৰ হ'ব বুলি আশা কৰা হৈছে।

## ২২ ফেব্ৰুৱাৰীত বিজেপিত

মুখ্যমন্ত্ৰীয়ে স্পষ্টভাৱে ঘোষণা কৰে যে, অহা ২২ ফেব্ৰুৱাৰীত ভূপেন বৰাই আনুষ্ঠানিকভাৱে Bharatiya Janata Party (বিজেপি)ত যোগদান কৰিব। এই উপলক্ষে লখিমপুৰত এক বিশাল যোগদান কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে, ভূপেন বৰাই কংগ্ৰেছত থাকিও অসমৰ খিলঞ্জীয়া লোকসকলৰ স্বাৰ্থৰ বাবে সদায় কাম কৰি আহিছে। "তেওঁ বহু চিন্তা-ভাৱনা আৰু ব্যক্তিগত কষ্টৰ মাজেৰে এই সিদ্ধান্ত লৈছে। দৰদাম কৰি বিজেপিত যোগদান কৰা নহয়" বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ লগতে কয় যে, বিজেপিত ভূপেন বৰাক যথাযোগ্য সন্মান প্ৰদান কৰা হ'ব আৰু তেওঁৰ বাবে অসমত সমষ্টিৰ কোনো অভাৱ নাই। মুখ্যমন্ত্ৰীয়ে এই কথাও স্পষ্ট কৰে যে, ভূপেন বৰা কেতিয়াও বিজেপিৰ এজেণ্ট নাছিল। সংবাদমেলত মুখ্যমন্ত্ৰীয়ে ইঙ্গিত দিয়ে যে, আগন্তুক নিৰ্বাচনত ভূপেন বৰাই বিজেপিৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। লগতে তেওঁৰ সৈতে বহু কংগ্ৰেছী নেতা-কৰ্মীয়েও বিজেপিত যোগদান কৰাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰে। উল্লেখ্য যে, কালিৰ নিশাই এই যোগদান সম্পৰ্কীয় চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ভূপেন বৰাৰ এই সিদ্ধান্তই ৰাজ্য ৰাজনীতিত নতুন সমীকৰণৰ সৃষ্টি কৰাৰ সম্ভাৱনা উজলাই উঠিছে।

প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত ১১০খন গাঁৱৰ সহস্ৰাধিক খাটিখোৱা কৃষক

# এবছৰতে এৰাবাৰীত পৰিণত গহপুৰৰ ঘাঁহিগাঁও কৃষি জ্ঞান আৰু প্ৰশিক্ষণ কেন্দ্ৰ

### বিধায়কে দ্বাৰ মুকলি কৰা কৃষি বিভাগৰ কোটিটকীয়া কেন্দ্ৰত ওলমি আছে তলা




**অসম বাৰ্তা, গহপুৰ, ১৬ ফেব্ৰুৱাৰী ঃ** শাসকীয় বিজেপি চৰকাৰে গ্ৰহণ কৰা কেতবোৰ ব্যয়বহুল আঁচনি কেবল চমকৰ বাহিৰে যে আন একো নহয় সেয়া গহপুৰৰ ঘাঁহিগাঁও কৃষি জ্ঞান আৰু প্ৰশিক্ষণ কেন্দ্ৰটোৰ ক্ষেত্ৰত এশ শতাংশ প্ৰযোজ্য হৈছে। কোটিটকীয়া এই কেন্দ্ৰটো মাত্ৰ এবছৰতে পৰিণত হৈছে এৰাবাৰীলৈ। গহপুৰ বিধান সভা সমষ্টিৰ বিধায়ক উৎপল বৰাই ফিতা কাটি শুভ উদ্বোধন কৰা উক্ত কেন্দ্ৰটোৰ যোৱা এবছৰে তলা খোল নোখোৱা কাৰ্য্যই আচৰিত কৰি তুলিছে গহপুৰৰ খাটিখোৱা কৃষক ৰাইজক। গহপুৰ মহকুমা কৃষি বিভাগৰ কাৰ্য্যলয়ৰ অধীনস্থ ঘাঁহিগাঁও কৃষি চক্ৰৰ বাবে মিছামাৰী গাঁও পঞ্চায়তৰ মিছামাৰীত নিৰ্মাণ কৰা এই দুই মহলীয়া কেন্দ্ৰটোত বাতানুকুল যন্ত্ৰ, বিদ্যুতৰ সুবিধা, ৰানিং ৱাটাৰকে ধৰি সকলো সুবিধা আছে। আটকধুনীয়াকৈ বিষয়াৰ আবাসগৃহও সংলগ্ন হৈ আছে এই কেন্দ্ৰটোত। ঘাঁহিগাঁও কৃষি চক্ৰৰ ১১খন গাঁও পঞ্চায়তৰ ১১০খন গাঁও সামৰি স্থাপন কৰা হৈছে এই কেন্দ্ৰটো। কৃষক সকলৰ যাবতীয় কৃষি প্ৰশিক্ষণ আৰু দিহা-পৰামৰ্শৰ বাবে স্থাপন কৰা এই কেন্দ্ৰটোৰ কাগজে কলমে পৰিচালনাৰ দায়িত্বত আছে ঘাঁহিগাঁও কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া অদিতি বৰুৱা। তদুপৰি অদিতি বৰুৱাৰ অধীনত এই কেন্দ্ৰটোত নিয়োজিত হৈ আছে ৮ গৰাকীকৈ কৃষি সম্প্ৰসাৰণ সহায়ক। কিন্তু আচৰিত কথা এয়ে যে যোৱা এবছৰ ধৰি এইগৰাকী কৃষি উন্নয়ন বিষয়া অদিতি বৰুৱা আৰু কৃষি সম্প্ৰসাৰণ সহায়ক সকলৰ ছাঁটোকে দেখা নাই উক্ত ১১০খন গাঁৱৰ মেহনতি কৃষক ৰাইজে। যাৰ ফলত প্ৰাপ্য চৰকাৰী সা-সুবিধা আৰু যাবতীয় কৃষি প্ৰশিক্ষণৰ পৰা বঞ্চিত হৈ আহিবলগীয়া হৈছে গমিৰি, আমতলা, মিছামাৰী, টকৌবাৰী, কাৰিবিল, নলনীবাৰী, কেঁকুৰীজান, আমজাৰণি, হেলেম, জালুকবাৰী আৰু টেটোনবাৰী গাঁও পঞ্চায়তৰ সহস্ৰাধিক কৃষক ৰাইজ। কেৱল কাগজে কলমেহে চলি থকা এই কেন্দ্ৰটোৰ পৰিচালনাৰ দায়িত্বত থকা সংশ্লিষ্ট কৃষি উন্নয়ন বিষয়া অদিতি বৰুৱাৰ পৰা অঞ্চলটোৰ কৃষক ৰাইজ মুঠেও উপকৃত নোহোৱাৰ অভিযোগ উত্থাপিত হৈছে। এই কেন্দ্ৰটোত কৃষক সকলক সংঘবদ্ধ কৰোৱাৰ ক্ষেত্ৰত চূড়ান্ত ভাবে ব্যৰ্থ হৈছে অদিতি বৰুৱা। কেৱল ইমানেই নহয়। উক্ত ৮ গৰাকী কৃষি সম্প্ৰসাৰণ সহায়ক ধুমকেতুৰ দৰেহে কেতিয়াবা কৃষক সকলৰ খেতি পথাৰত উপস্থিত হয়। এটা বৃহত্তৰ অঞ্চল সামৰি থকা এই কেন্দ্ৰটোত এবছৰ ধৰি তলা ওলমি থকাৰ বাবে ভুক্তভোগী কৃষক ৰাইজে বাটকুৰি বাই গহপুৰ মহকুমা কৃষি বিভাগৰ কাৰ্য্যলয়লৈ তাঁত-বাটি কৰিবলগীয়া হৈ আহিছে। দায়িত্বশীল(?) কৃষি উন্নয়ন বিষয়াগৰাকীৰ দায়িত্বজ্ঞানহীনতাৰ বাবে মাত্ৰ এবছৰতে মৃত্যু ঘণ্টা বজা উক্ত জ্ঞান আৰু প্ৰশিক্ষণ কেন্দ্ৰটো সময় থাকোঁতেই উপযুক্ত সঞ্চালন কৰাৰ সুব্যৱস্থা কৰি কেন্দ্ৰটোত সংশ্লিষ্ট কৃষি উন্নয়ন বিষয়া আৰু কৃষি সম্প্ৰসাৰণ সহায়ক সকলৰ উপস্থিত নিয়মীয়া কৰাৰ ওপৰত গুৰুত্ব দিবলৈ অসমৰ মুখ্যমন্ত্ৰীৰ লগতে গহপুৰৰ বিধায়ক আৰু বিশ্বনাথ জিলাৰ জিলা আয়ুক্তৰ ওচৰত কঠোৰ দাবী জনাইছে উক্ত ১১০খন খাটিখোৱা কৃষক ৰাইজে।

হুলাবাৰীৰে মৰিয়াই হত্যা কৰি পেট্ৰ'ল ঢালি জ্বলাই দিলে পিন্ধি থকা কাপোৰ, ম'বাইল; উলংগ কৰি নৃশংস হত্যা

# ১৯ বছৰীয়া কণমানি ৰাভাই হত্যা কৰিলে ৩২ বছৰীয়া মইৰাছ ৰাভাক

### পলাশবাৰীৰ ঘোঁৰামাৰাত শিহৰণকাৰী ঘটনা

**অসম বাৰ্তা, ছয়গাঁও, ১৬ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ ঘোঁৰামাৰাত আজি পুৱা পোহৰলৈ আহে এক ভয়ংকৰ হত্যাকাণ্ডৰ ঘটনা। গাঁৱৰে কণমানি ৰাভা নামৰ ১৯ বছৰীয়া যুৱক এজনে বাহৰ হুলাবাৰীৰে হানি-খুঁচি নৃশংসভাৱে হত্যা কৰে ঘোঁৰামাৰা টেটুৱা গাঁৱৰ মইলাছ ৰাভা ওৰফে কুৱাং ৰাভা (৩৮) নামৰ এজন যুৱকক। ঘৰৰ কিছু আঁতৰত থকা নিৰ্জন পথাৰত আন্ধাৰৰ সুযোগ লৈ নৃশংসভাৱে কৰে যুৱকজনক। হত্যাকাণ্ড ইমানে ভয়ংকৰ আছিল যে হত্যাকাৰীয়ে মইলাছ ৰাভাক হত্যা কৰাতে ক্ষান্ত নাথাকি মৃতদেহৰ কাষতে তেওঁৰ মোবাইল, চেণ্ডেল আৰু গাৰ কাপোৰ-কাণি পেট্ৰ'ল ঢালি জ্বলাই দিছিল। শনিবাৰে পুৱা পথাৰত উলংগ অৱস্থাত মইলাছ ৰাভাৰ মৃতদেহ দেখি স্থানীয় ৰাইজে গাঁও প্ৰধানক খবৰ দিয়ে। ৰাতিপুৱা



গাঁৱৰ ৰাইজে বিষয়টো অনুসন্ধান কৰাত কণমানি ৰাভা আৰু মইলাছ ৰাভাৰ মাজত নিশা গাঁৱৰ এখন শ্ৰাদ্ধ খাই আহোঁতে দুয়োৰে মাজত কাজিয়াৰ সূত্ৰপাত হোৱা বুলি গম পাইছিল। সেই কথাৰ আলম লৈ কণমানি ৰাভাৰ ঘৰত উপস্থিত হয় ৰাইজ। পিছে বিছনাত তেজেৰে লুতুৰি পুতুৰি হৈ থকা অৱস্থাত কণমানি ৰাভাক শুই থকা দেখা পাই ৰাইজে কৰায়ত্ত কৰে। তাৰ পিছতে হত্যাকাৰী কণমানি ৰাভাক ৰাইজে হত্যাকাণ্ড সংঘটিত কৰা স্থানলৈ আনি এডাল শিমলু গছত কণমানি ৰাভাক বান্ধি ৰাখে। ঘটনাৰ খবৰ পোৱাৰ পিছত ঘটনাস্থলীত উপস্থিত হয় পলাশবাৰী আৰক্ষী। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি হত্যাকাণ্ডত ব্যৱহৃত বাহৰ হুলাবাৰী এডাল উদ্ধাৰ কৰে। কিহৰ বাবে মইলাছ ৰাভাক হত্যা কৰিলে সেই কথা এতিয়াও স্পষ্ট হোৱা নাই যদিও ঘটনাস্থলীত পলাশবাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ডিম্পল গয়াৰী আহি জোৰদাৰ তদন্ত আৰম্ভ কৰে। অৱশ্যে যুৱকজনে সুৰাৰ নিচাত হত্যাকাণ্ড সংঘটিত কৰা বুলি কয়। উল্লেখ্য যে একমাত্ৰ ভনীয়েকৰ সৈতে মইলাছ ৰাভা আছিল। কালিৰ ঘটনাই সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পেলাইছে। ইয়াৰ বিপৰীতে কণমানি ৰাভাই পূৰ্বেও বহু অপৰাধমূলক ঘটনাৰ লগত জড়িত আছিল বুলি স্থানীয় লোকে অৱগত কৰে।

# ধুবুৰী জিলাৰ গোলকগঞ্জ ঢেপঢেপীত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, ধুবুৰী, ১৬ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ ঢেপঢেপীত ভয়ংকৰ পথ দুৰ্ঘটনা। তীব্ৰ বেগী অচিনাক্ত বাহনৰ খুন্দাত মৃত্যু এজন ব্যক্তিৰ। ব্যক্তিজন খেকশিয়ালীৰ বিমল চন্দ্ৰ ৰায় (৫৫) বুলি জানিব পৰা গৈছে। আজি নিশা ১০ মান বজাত সংঘটিত হয় এই দুৰ্ঘটনা। প্ৰাপ্ত তথ্য মতে খেকশিয়ালীৰ বিমল চন্দ্ৰ ৰায়ে ঢেপঢেপী বজাৰৰ পৰা ঘৰলৈ যোৱাৰ সময়ত ১২৭ B নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এই দুৰ্ঘটনা। স্পীড ব্ৰেকাৰ নথকাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হয় বুলি স্থানীয় ৰাইজে জনাইছে। দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতেই স্থানীয় ৰাইজে স্পীড ব্ৰেকাৰ আৰু ট্ৰেফিক পইণ্টৰ ব্যৱস্থা কৰাৰ দাবীত এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰে। ঘটনাস্থলীত গোলকগঞ্জ আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। পিছত মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী মেডিকেল কলেজ হস্পিতাললৈ প্ৰেৰণ কৰে।

# ৰঙিয়াত শ্ৰী বিশ্বাত্মাৰ জন্মদিন উপলক্ষে সহস্ৰাধিক লোকৰ উপস্থিতিত পৰিয়াল বচাও সমাৰেশ




**অসম বাৰ্তা, ৰঙিয়া, ১৬ ফেব্ৰুৱাৰী ঃ** ভোটাৰ্চ পাৰ্টি ইণ্টাৰনেছনেলৰ মুৰব্বী শ্ৰী বিশ্বাত্মাৰ জন্ম দিন উপলক্ষে আজি ৰঙিয়াৰ তিনিআলিত আয়োজন কৰা হয় "পৰিয়াল বচাও সমাবেশ" সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত হোৱা এইসভাত সমলিংগ বিবাহৰ বিৰোধিতা, ভোটাৰ সকলক প্ৰতিমাহে ১১,৯০০ টকাকৈ আদায় দিয়া, আগন্তুক নিৰ্বাচনত দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ লোকক প্ৰাৰ্থিত্ব দিয়া, চাহ বাগানৰ ভূমি শ্ৰমিক সকলক প্ৰদান কৰাৰ দৰে কেবাটাও গুৰুত্বপূৰ্ণ দাবী জনায় দলটোৰ মুৰব্বী শ্ৰী বিশ্বাত্মাই। আগন্তুক বিধানসভা নিৰ্বাচনত কোকৰাঝাৰৰ পৰা জোনাইলৈ দলটোৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। মিত্ৰতা সন্দৰ্ভত সোধা এক প্ৰশ্নৰ উত্তৰত দলটোৰ মুৰব্বী গৰাকীয়ে চাইকেল চলাই ঘূৰি ফুৰা দৰিদ্ৰ দলটোৰ লগত কোনে মিত্ৰতা কৰিব বুলিও আক্ষেপ কৰে। উল্লেখ্য যে আজিৰ সমাবেশতেই কেবাজনো সদস্যই নিজৰ কষ্টোপাৰ্জিত ধন দলটোৰ হকে আগবঢ়ায়। বিশ্ব পৰিবৰ্তনৰ এই যাত্ৰা এদিন সফল হ'ব, ৰাইজৰ তেজ শুহি খোৱা নেতা সকল এদিন জেইলত যাবই, ইয়াৰোপৰি বড়ো ভূমিত থকা দলদুটাই নিৰ্বাচন আহালেহে বড়ো বড়ো ভাই ভাই বুলি কয় কিন্তু নিৰ্বাচনৰ পিছত বড়ো ৰাইজক পাহৰি বিদেশত ডাঙৰ ডাঙৰ হোটেল বনাই হেলিকপ্টাৰত ঘূৰি ফুৰে বুলিও জনাই শ্ৰী বিশ্বাত্মাই। সমাবেশৰ শেষত জয় অখণ্ড অসম, জয় অখণ্ড ভাৰত, জয় অখণ্ড বিশ্ব ধ্বনি দি হম হৌংগে কাময়াব গীতেৰে সামৰণি ঘটোৱা হয়।

ছমৰীয়া সমষ্টিত স্থানীয় ব্যক্তিক প্ৰাৰ্থিত্ব প্ৰদানৰ দাবী

# গৰৈমাৰীত সমাজ সচেতন ব্যক্তিৰ চিন্তন বৈঠক

**অসম বাৰ্তা, গৰৈমাৰী, ১৬ ফেব্ৰুৱাৰী ঃ** নৱগঠিত ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত আজি বিয়লি অনুষ্ঠিত 'চিন্তন বৈঠক'ত ছমৰীয়া সমষ্টিত স্থানীয় ব্যক্তিক প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ দাবী উত্থাপন কৰে। এই উপলক্ষে গৰৈমাৰী আঞ্চলিক ছোৱালী হাইস্কুল প্ৰেক্ষাগৃহত সমাজকৰ্মী ছামচুল হকৰ সঞ্চালনাত ২৭নং ছমৰীয়া সমষ্টিৰ সামাজিক আৰু ৰাজনৈতিক ভৱিষ্যৎ পৰিকল্পনা সন্দৰ্ভত 'চিন্তন বৈঠক'ত অংশগ্ৰহণ কৰা স্থানীয় সমাজ সচেতন ব্যক্তিসকলে নিজৰ মতামত প্ৰকাশ কৰি সমষ্টিৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত ছমৰীয়া সমষ্টিত স্থানীয় ব্যক্তিক প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ দাবী উত্থাপন কৰি স্থানীয় লোকক বিধায়ক হিচাপে নিৰ্বাচিত কৰাৰ অত্যন্ত প্ৰয়োজন বুলি অনুভৱ কৰে। সমাজ সচেতন ব্যক্তিসকলে বাহিৰৰ প্ৰাৰ্থীৰ তুলনাত স্থানীয় প্ৰাৰ্থীয়ে ৰাইজৰ সমস্যা অৱগত হৈ অধিক দায়িত্বশীলভাৱে কাম কৰিব পাৰিব। সেয়ে আগন্তুক বিধানসভা নিৰ্বাচনত জনসাধাৰণক সচেতনভাৱে সিদ্ধান্ত ল'বলৈও আহ্বান জনোৱা হয়। উক্ত সভাত সমষ্টিৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ ঐক্যবদ্ধভাৱে আগবাঢ়ি যোৱাৰ সংকল্প গ্ৰহণ কৰা হয়। উক্ত চিন্তন বৈঠকত ২৭নং ছমৰীয়া সমষ্টিৰ সামাজিক আৰু ৰাজনৈতিক ভৱিষ্যৎ পৰিকল্পনা কৰাৰ বাবে 'ছমৰীয়া ঐক্যমঞ্চ' নামেৰে সৰ্বদলীয় ৫১ জনীয়া এখন আহ্বায়ক কমিটি গঠন কৰা হয়। সভাত বৃহত্তৰ গৰৈমাৰী, সোণতলী অঞ্চলৰ ভালেসংখ্যক সমাজ সচেতন ব্যক্তিয়ে অংশগ্ৰহণ কৰি নিজৰ মতামত ব্যক্ত কৰে। অৱশ্যে সমষ্টিবাসীৰ এই দাবীয়ে আগন্তুক দিনত ৰাজনৈতিক দলসমূহৰ সিদ্ধান্তত কি প্ৰভাৱ পেলায়, সেয়া লক্ষণীয় হ'ব।

গো-মাতাক ধৰ্ষণ কৰি গ্ৰেপ্তাৰ জয়ন্ত মণ্ডল

# ৰূপহীহাটৰ ভূৰবন্ধাত মানৱ সমাজক লজ্জানত কৰা কাণ্ড

**অসম বাৰ্তা, ৰূপহীহাট, ১৬ ফেব্ৰুৱাৰী ঃ** ৰূপহীহাটৰ ভূৰবন্ধাত মানৱ সমাজক লজ্জানত কৰা এক নিকৃষ্ট ঘটনা সংঘটিত হৈছে। ভূৰবন্ধাক পথাৰত এৰাল দিয়া গাই গৰুক নিৰ্জন স্থানত নি চাৰি ঠেং বান্ধি জয়ন্ত মণ্ডল নামৰ যুৱকে নিজৰ অসৎ মনোবৃত্তি চৰিতাৰ্থ কৰে। লম্পট চৰিত্ৰৰ যুৱকজনে গৰুৰ সৈতে কৰা এই অপকৰ্মৰ কথা বিয়পি পৰাত অঞ্চলটোৰ ৰাইজ লজ্জানত হৈ পৰিছে। গৌ-মাতা বুলি চৰকাৰে আইন কাৰ্যকৰী কৰাৰ সময়তে এনেদৰে যুৱকজনে যৌন কামনা পুৰন কৰিবলৈ গৈ ঘাই গৰুক ধৰ্ষণ কৰাৰ পাছতে গৃহস্থৰ অভিযোগৰ পাছত প্ৰমাণসহ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। গৰুৰ গৰাকীয়ে সমগ্ৰ ঘটনা সন্দৰ্ভত আমবাগান আৰক্ষী চকীত এজাহাৰ দাখিল কৰাৰ পাছতে এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে লম্পট জয়ন্ত মণ্ডলক গ্ৰেপ্তাৰ কৰি ৰঙা ঘৰৰ আলহী কৰিছে।

উপস্থিত তিৱা স্বায়ত্ত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য পৱন মান্তা

# মৰিগাঁও ভূৰবন্ধা পশ্চিম খাটৰবড়ি সৰ্বজনীন শিৱ মন্দিৰত লাইখুঁটা স্থাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৬ ফেব্ৰুৱাৰী ঃ** মৰিগাওঁ জিলাৰ ভূৰবন্ধা পশ্চিম খাটৰবড়ি সৰ্বজনীন শিৱ মন্দিৰ প্ৰাঙ্গণত আজি পবিত্ৰ শিৱ ৰাত্ৰিৰ পূজা দিনটোতে এক ভক্তিময় পৰিৱেশত মুল মন্দিৰৰ লাই খুটা স্থাপন কাৰ্যসূচী সফলতাৰে সম্পন্ন হয়। গাঁওবাসী আৰু ভক্তসকলৰ উপস্থিতিত অনুষ্ঠিত এই ধৰ্মীয় অনুষ্ঠানটি দ্বাৰা অঞ্চলটোত এক আধ্যাত্মিক পৰিৱেশনৰ সৃষ্টি হয়। আজি এই লাই খুটা স্থাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে তিৱা স্বায়ত্ত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য পৱন মান্তা। তেওঁ লাই খুটা স্থাপন কৰি মন্দিৰৰ উন্নয়ন আৰু সামূহিক ঐক্য ৰক্ষাৰ ক্ষেত্ৰত সকলোকে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ কয় যে, এনে ধৰ্মীয় অনুষ্ঠানসমূহে সমাজত ভ্ৰাতৃত্ববোধ আৰু সম্প্ৰীতিৰ বাৰ্তা কঢ়িয়াই আনে। লগতে মন্দিৰ চৌহদ উন্নয়নৰ ক্ষেত্ৰত সম্ভৱ সহায় আগবঢ়োৱাৰ আশ্বাসো দিয়ে। পুৰোহিতৰ বেদ মন্ত্ৰোচ্চাৰণ আৰু বিধি-বিধান অনুসৰি লাইখুঁটা স্থাপন কৰা হয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে তিৱা স্বায়ত্ত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য পৱন মান্তা, সমাজ সংগঠক হেমকান্ত ডেকা, সমাজ কৰ্মী চিজয় ডেউৰী, দুলাল পাটৰ, উজ্জ্বল বৰা, আচকৰ আলি, প্ৰাক্তন শিক্ষক মলিন চৌধুৰী, শিক্ষক তুলেন মেধি, বিপিন ভড়ালী, ৰবিন ডেকা, সদৌ অসম সাংবাদিক সন্থা মৰিগাঁও জিলা সভাপতি পুলিন কুমাৰ কাকতি সহ অঞ্চলটোৰ বহু গণ্যমান্য ব্যক্তি, স্থানীয় ৰাইজ আৰু যুৱ সমাজ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। কীৰ্তন, নাম-প্ৰসংগ আদিৰে অনুষ্ঠানটো অধিক আকৰ্ষণীয় কৰি তোলা হয়। উল্লেখযোগ্য যে, পশ্চিম খাটৰবড়ি সৰ্বজনীন শিৱ মন্দিৰখন বহু বছৰৰ পুৰণি আৰু অঞ্চলটোৰ ধৰ্মীয় তথা সাংস্কৃতিক কেন্দ্ৰ হিচাপে পৰিচিত। লাইখুঁটা স্থাপন কাৰ্যসূচীৰ জৰিয়তে আগন্তুক সময়ছোৱাত মন্দিৰত বৃহৎ পৰিসৰত পূজা-অৰ্চনা আৰু বিভিন্ন ধৰ্মীয় অনুষ্ঠান আয়োজন কৰাৰ পথ মুকলি হ'ব বুলি আয়োজকসকলে জানিবলৈ দিয়ে। সামগ্ৰিকভাৱে অনুষ্ঠানটো শান্তিপূৰ্ণভাৱে সম্পন্ন হোৱাৰ বাবে আয়োজক সমিতিয়ে সকলো ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰে।

# বৰপেটাৰোডৰ নেমছুৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত একত্ৰিত হ'ল বদৰুল গোট আৰু ৰব্বাণী গোট

**অসম বাৰ্তা, বৰপেটাৰোড, ১৬ ফেব্ৰুৱাৰী ঃ** আজি বৰপেটাৰোড সাহিত্য সভা ভৱনত উত্তৰ-পূব সংখ্যালঘু ছাত্ৰ সন্থা (নেমছু)ৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাপতি গোলাপ ৰব্বাণীৰ সভাপতিত্বত অনুষ্ঠিত সভাত পূৰ্বতে থকা নেমছুৰ দুখন কেন্দ্ৰীয় কমিটি বদৰুল ইছলাম গোট আৰু ৰব্বাণী গোট একত্ৰিত হয়। সভাত অসমৰ ১৯খন জিলা জিলা কমিটি একত্ৰিত হয় সভাত গোলাপ ৰব্বাণীক সভাপতি আৰু পূৰ্বৰ বদৰুল ইছলাম গোটৰ সম্পাদক জিয়াউল হকক সম্পাদক হিচাপে লৈ দুয়োখন কমিটি একত্ৰিত হয়। পূৰ্বৰ সভাপতি বদৰুল ইছলামক অবৈধ সভাপতি হিছাপে ঘোষণা কৰে আজিৰ সভাই। নেমছুৰ কেন্দ্ৰীয় কমিটিয়ে জনায় আগন্তুক বিধানসভা নিৰ্বাচনত যি দলে সংখ্যলঘু সকলৰ উন্নয়নৰ বাবে কাম কৰিব তেওঁলোকেই সমৰ্থন জনাব বুলি জনায়।

নৱনিৰ্মিত ভৱন উদ্বোধনৰ পিছতো নহ'ল স্থানান্তৰ

# মাজুলীৰ পৰিৱহণ বিভাগৰ পুৰণি কাৰ্যালয়ত অগ্নিকাণ্ড

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ ফেব্ৰুৱাৰী ঃ** মাজুলী জিলাৰ পৰিৱহণ বিভাগৰ পুৰণি কাৰ্যালয়ত আজি আকস্মিকভাৱে অগ্নিকাণ্ড সংঘটিত হয়। আবাসিক এলেকাৰ এটা ভাড়াঘৰত দীৰ্ঘদিনৰ চলি থকা এই কাৰ্যালয়ৰ এটা কোঠাত আজি জুই লগাৰ ফলত টেবুল, বিছনা আদি সহ বিভিন্ন আচবাব সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অগ্নিকাণ্ডত জব্দ কৰি ৰখা AS-07A 8152 নম্বৰৰ এখন মটৰচাইকেলো জুইত পুৰি নষ্ট হয় বুলি জানিব পৰা গৈছে। প্ৰাথমিকভাৱে শ্বৰ্ট চাৰ্কিটৰ ফলতেই জুই লগাৰ সন্দেহ প্ৰকাশ কৰা হৈছে যদিও বিষয়টো সন্দৰ্ভত তদন্ত অব্যাহত আছে। ঘটনাৰ খবৰ পাই তৎক্ষণাৎ উপস্থিত হোৱা অসম অগ্নিনিৰ্বাপক আৰু জৰুৰী সেৱাৰ কৰ্মচাৰীসকলে তৎপৰতাৰে জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয়। ফলত অগ্নিকাণ্ড অধিক বিস্তাৰ হোৱাৰ আগতেই নিয়ন্ত্ৰণলৈ অনা যায় আৰু ডাঙৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ পৰা কথমপি অঞ্চলটো ৰক্ষা পৰে। উল্লেখযোগ্য যে যোৱা ১২ ফেব্ৰুৱাৰীত মাজুলীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী কাৰ্যসূচীত অংশ লৈ মাজুলীৰ দৰিয়াপাৰত থকা পৰিৱহণ বিভাগৰ নৱনিৰ্মিত কাৰ্যালয় গৃহৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল। তথাপিও পুৰণি স্থানৰ পৰা কাৰ্যালয় স্থানান্তৰ নকৰাৰ বিষয়টো এতিয়া ৰাইজৰ মাজত প্ৰশ্নৰ সৃষ্টি কৰিছে। নতুন ভৱন হোৱাৰ পিছতো কিয় পুৰণি ভাড়াঘৰতেই এতিয়াও কাৰ্যালয়টো চলি আছিল, সেই সন্দৰ্ভত এতিয়াও স্পষ্ট হোৱা নাই যদিও সমগ্ৰ ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰে।

# শৌলমাৰী খোৱাপানী জলজীৱন আঁচনিৰ কাম সম্পূৰ্ণ নহওতেই মটৰ চুৰিকাণ্ড

**অসম বাৰ্তা, আগমনি, ১৭ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ কাছাৰী থানাৰ থানাৰ অন্তৰ্গত ধুবুৰী জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ধুবুৰী সংমণ্ডলৰ অধীনত শৌলমাৰী প্ৰথম খণ্ড খোৱা পানী যোগান আঁচনিৰ জলজীৱন মিছনৰ কাম সম্পূৰ্ণ নৌহওঁতেই মটৰ চুৰিকাণ্ড সংঘটিত হয়। অঞ্চলটোত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, শৌলমাৰী প্ৰথম খণ্ড অঞ্চলটোৰ বিশুদ্ধ খোৱা পানীৰ যোগানৰ বাবে স্থাপন কৰা আঁচনিটো ২০২২-২০২৩ বিত্তীয় বৰ্ষত প্ৰায় এক লাখ টকাৰে স্থাপ কৰা হৈছে যদিও যোৱা ন ফেব্ৰুৱাৰী ইং তাৰিখে এটা পানী তোলা মেচিন চুৰে খিৰীকি ভাঙি লৈ যায়। তাৰে পিছদিনা শৌলমাৰী আৰক্ষী পহৰা চকীত ভূমি দাতাৰ লগতে জল জীৱন কমিটীখনে এজাহাৰ দিবলৈ যায় কিন্তু ৰহস্যময়ী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত এজাহাৰ নলয়। পিছে উপায়ন্তৰ হৈ ধুবুৰী সদৰ থানাত এজাহাৰ দাখিল কৰে। আজি পাঁচ দিন উকলি যোৱাৰ পিছতো কোনো ধৰণৰ তদন্ত নকৰিলে। সেয়ে সংবাদ মাধ্যমৰ যোগেদি ধুবুৰী জিলা উপায়ুক্ত আৰু এচ পি মহোদয়ক অনুৰোধ জনায় যে অতি শীঘ্ৰে চোৰক ধৰি উচিত শাস্তি প্ৰদান কৰে যেন। শেহতীয়াকৈ ঠিকাদাৰ লেহেমীয়া গতিত কাম কৰাৰ বাবে, যাৰ ফলত অত্ৰ অঞ্চলৰ ৰাইজে বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ আছে। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# সদৌ বিটিচি ভেঞ্চাৰ প্ৰাথমিক শিক্ষক সন্থাৰ উদ্যোগত বিটিচিৰ শিক্ষা বিভাগৰ কাৰ্যবাহী পাৰিষদ ৰবিৰাম নাৰ্জাৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, দোতমা, ১৬ ফেব্ৰুৱাৰী ঃ** বড়োলেণ্ড পৰিষদীয় চৰকাৰে যোৱা ১১ ফেব্ৰুৱাৰী দিনা অনুষ্ঠিত এদিনীয়া বিশেষ অধিবেশনৰ জৰিয়তে বিটিচি অঞ্চলৰ বহুদিন ধৰি অপ্ৰাদেশীকৃত হৈ থকা বিদ্যালয় আৰু মহাবিদ্যালয়সমূহপ্ৰাদেশীকৰণৰ বাবে এক গুৰুত্বপূৰ্ণ বিল পাছ কৰে। এই সিদ্ধান্তই অঞ্চলটোৰ শিক্ষা ব্যৱস্থাত এক নতুন অধ্যায়ৰ সূচনা কৰিছে বুলি মত প্ৰকাশ কৰিছে বিভিন্ন মহলে। এই ঐতিহাসিক সিদ্ধান্তত গভীৰ আনন্দ প্ৰকাশ কৰিছে সদৌ বিটিচি ভেঞ্চাৰ প্ৰাথমিক শিক্ষক সন্থাই। সন্থাৰ মতে, এই পদক্ষেপে দীৰ্ঘদিন ধৰি অনিশ্চয়তাত ভুগি থকা শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ জীৱনত এক স্থিৰতা আনিব। এই উপলক্ষে আজি সন্থাৰ এটা প্ৰতিনিধি দলে বিটিচিৰ শিক্ষা বিভাগৰ কাৰ্যবাহী পাৰিষদ (ইএম) ৰবিৰাম নাৰ্জাৰীৰ বাসগৃহত উপস্থিত হৈ ফুলাম গামোচা, আৰনাই, শৰাই আৰু জাপিৰে তেখেতক সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত কাৰ্য্যসূচীত সন্থাৰ কেইবাজনো ব্যক্তি উপস্থিত থাকে আৰু তেওঁলোকে কয় যে ইএম ৰবিৰাম নাৰ্জাৰীৰ নেতৃত্বত শিক্ষা বিভাগে এক ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁলোকৰ মতে, এই সিদ্ধান্তই বিটিচি অঞ্চলৰ শিক্ষা ক্ষেত্ৰত গুণগত মান উন্নত কৰাৰ লগতে শিক্ষকসকলৰ সামাজিক-আৰ্থিক সুৰক্ষা নিশ্চিত কৰিব। সম্বৰ্ধনা গ্ৰহণ কৰি ইএম ৰবিৰাম নাৰ্জাৰীয়ে শিক্ষক সন্থাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি কয় যে চৰকাৰ সদায়েই শিক্ষাৰ উন্নয়নক অগ্ৰাধিকাৰ দিয়ে। তেওঁ লগতে কয় যে প্ৰাদেশীকৰণ প্ৰক্ৰিয়া সঠিকভাৱে আৰু পৰ্যায়ক্ৰমে সম্পন্ন কৰা হ'ব, যাতে সকলো বিদ্যালয় আৰু শিক্ষকসকল ইয়াৰ সুফল লাভ কৰে। উল্লেখযোগ্য যে এই বিল পাছ হোৱাৰ পিছত বিটিচি অঞ্চলৰ শিক্ষা ক্ষেত্ৰত এক নতুন আশাৰ সঞ্চাৰ হৈছে। শিক্ষক সমাজে আশা প্ৰকাশ কৰিছে যে আগন্তুক দিনসমূহত শিক্ষা ব্যৱস্থা অধিক শক্তিশালী আৰু সুসংগঠিত ৰূপত গঢ় লৈ উঠিব।

# টিফুক চাহ বাগিছাৰ বিজেপি কাৰ্যকৰ্তাৰ মুখ্যমন্ত্ৰী তথা তাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষলৈ কাতৰ আহ্বান

**অসম বাৰ্তা, আমগুৰি, ১৭ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ টিফুক চাহবাগিছাত পাঁচ বছৰ পূৰ্বে বাগিছাৰে প্ৰৱীণ ভূমিজ নামৰ বিজেপিৰ বুথৰ এজন সক্ৰিয় কাৰ্যকৰ্তাই ব্যক্তিগতভাৱে গাঁঠিৰ ধন ভাঙি ৰাইজৰ সহযোগত এটা সৰস্বতী নামঘৰ স্থাপন কৰিছিল। বিগত সময়ত অহা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত নামঘৰটোৰ বিস্তৰ ক্ষতিসাধন হয়। বৰ্তমানৰ শাসনাধিষ্ঠ চৰকাৰ খনৰ লগতে তাই আহোম উন্নয়ন পৰিষদে অসম দৰ্শন আঁচনিৰ জৰিয়তে চাহবাগিছা অঞ্চল সমূহত থকা নামঘৰ মন্দিৰ সমূহত সাহায্য পুজি আগবঢ়াই নিৰ্মাণৰ কাম কৰি আহিছে। টিফুক চাহবাগিছাটো পাঁচটাকৈ নামঘৰ আৰু মন্দিৰ অসম দৰ্শন আঁচনিত অন্তৰ্ভুক্ত হৈছে। গাঁঠিৰ ধন ভাঙি সাজি উলিওৱা সৰস্বতী নামঘৰটো অসম দৰ্শন আঁচনিত অন্তৰ্ভুক্ত কৰি চাহবাগিছাৰ ৰাইজক পূজা সেৱা কৰাৰ সুবিধা কৰি দিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁইলৈ কাতৰ আহ্বান জনাইছে প্ৰৱীণ ভূমিজৰ লগতে বিজেপিৰ চাহ মৰ্চাৰ শিৱসাগৰ জিলাৰ প্ৰাক্তন সম্পাদক শিৱা চিলুৱাৰে।

# ২২ ফেব্ৰুৱাৰীত শদিয়া ইক' কেম্পত অনুষ্ঠিত হ'ব দ্বিতীয় বাৰ্ষিক শদিয়া লিটাৰেচাৰ ফেষ্টিভেল; প্ৰস্তুতি তুংগত

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৭ ফেব্ৰুৱাৰী ঃ** শদিয়া ইক' কেম্পৰ উদ্যোগত, স্বেচ্ছাসেৱী সংগঠন কলাৰ্চ অৱ নৰ্থ-ইষ্ট আৰু শদিয়া মহাবিদ্যালয়ৰ সহযোগত শদিয়াৰ অসম-অৰুণাচল সীমান্তৰ শান্তিপুৰৰ জীয়া নৈৰ পাৰৰ শদিয়া ইক' কেম্পত অহা ২২ ফেব্ৰুৱাৰীত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে 'দ্বিতীয় বাৰ্ষিক শদিয়া লিটাৰেচাৰ ফেষ্টিভেল' অনুষ্ঠিত হ'ব। বন্তি প্ৰজ্বলনেৰে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানেৰে আৰম্ভ হ'বলগীয়া অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰিব ক'লাৰ্চ অৱ নৰ্থ-ইষ্টৰ সাধাৰণ সম্পাদক পাপুলক্ষ্মী ডেকাই। পুৱা ৯.৫০ বজাত শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত কণ্ঠত জুবিন গাৰ্গৰ 'মায়াবিনী' গীতটি পৰিৱেশন কৰিব। ১০ বজাত অনুষ্ঠিত হ'ব প্ৰথম আলোচনা চক্ৰ। বিষয় - 'কাৰ্টুন ঃ সমাজ আৰু সাহিত্যক প্ৰভাৱিত কৰা জোঙাল অস্ত্ৰনে হাঁহিৰ খোৰাক!' অনুষ্ঠানত সমল ব্যক্তি ৰূপে কাৰ্টুনিষ্ট নিতুপৰ্ণ ৰাজবংশীয়ে। ১১.৩০ বজাত শদিয়া মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া 'ইতিহাস কাৰ বাবে? একবিংশ শতিকাত বুৰঞ্জী শিক্ষা আৰু ভিনটেজ হাব প্ৰকল্প' বিষয়ক আন এক আলোচনা চক্ৰত অংশগ্ৰহণ কৰিব যোৰহাট ভিনটেজ হাবৰ প্ৰতিষ্ঠাতা অভিনিৱেশ শৰ্মাই। ইয়াৰ উদ্বোধন কৰিব শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন চুতীয়াই। বিয়লি ২ বজাত অনুষ্ঠিত হ'বলগীয়া 'অসমীয়া কবিতা: সাহিত্যৰ ব্যপ্তিত ইয়াৰ প্ৰভাৱ আৰু বিস্তাৰ' শীৰ্ষক বিষয়ৰ তৃতীয় আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব প্লাজমা বৈজ্ঞানিক তথা বিশিষ্ট কবি বিপুলজ্যোতি শইকীয়াই। আলোচনা চক্ৰৰ আঁত ধৰিব যুৱ কবি বিকিয়ান বাইলুঙে। বিয়লি ৩ বজাত অনুষ্ঠিত হ'ব বঁটা বিতৰণী আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান। দ্বিতীয় বাৰ্ষিক শদিয়া লিটাৰেচাৰ ফেষ্টিভেলৰ লগত সংগতি ৰাখি কবি বিপুলজ্যোতি শইকীয়াৰ সম্পাদনাত প্ৰকাশ পাবলগীয়া 'শদিয়া লিটাৰেচাৰ ফেষ্টিভেলৰ নিৰ্বাচিত কবিতা', 'জিয়া নৈ' উন্মোচন কৰিব শদিয়া সমষ্টিৰ বিধায়ক বলিন চেতিয়াই। বিয়লি ৩.৪৫ বজাত অনুষ্ঠিত হ'ব চতুৰ্থ আলোচনা চক্ৰ। বিষয় - 'চিনেমা আৰু সাহিত্যৰ আন্তঃসম্পৰ্ক ঃ প্ৰসংগ অসমীয়া চিনেমা'। আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব বিশিষ্ট বোলছবি নিৰ্মাতা জয়চেং দহোটীয়াই, সূত্ৰ ধৰিব চিনেমা-ৰসিক ভিবিৰাণী বৰগোহাঁয়ে। বিয়লি ৪.৪৫ বজাত লেখক-পাঠকৰ আন্তৰিক আলাপৰ বিশেষ অনুষ্ঠানত আমন্ত্ৰিত অতিথিৰূপে প্ৰখ্যাত সাহিত্যিক ৰীতা চৌধুৰী, বিশিষ্ট লেখক তথা আই জি (অসম পুলিচ) প্ৰশান্ত সাগৰ চাংমাই (আই.পি.এছ), বিশিষ্ট লেখক বৈদুৰ্য বৰুৱা, জনপ্ৰিয় ঔপন্যাসিক কৌশিক নন্দন বৰুৱা, লেখক-সাংবাদিক ধীৰুমণি গগৈ, বিশিষ্ট ঔপন্যাসিক দীপাংকৰ মল্ল বৰুৱা, লেখক অৰ্ণৱ শইকীয়া, জনপ্ৰিয় ঔপন্যাসিক আশ্ৰৱিকা বৰাৰ লগতে আৰু কেইবাগৰাকীও বিশিষ্ট লেখক উপস্থিত থাকিব। সন্ধিয়া ৬.৩০ বজাত জয়চেং দহোটীয়াৰ পৰিচালনাত নিৰ্মিত 'বাঘজান' চিনেমা প্ৰদৰ্শন কৰা হ'ব। সন্ধিয়া ৭.৩০ বজাত 'গীতৰ এসন্ধ্যা' অনুষ্ঠানত গীত পৰিৱেশন কৰিব 'ৰঙীন চিলা' খ্যাত জনপ্ৰিয় কণ্ঠশিল্পী কুলদ্বীপ বৰুৱাই। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দুটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ফেষ্টিভেলৰ অন্যান্য আকৰ্ষণ হৈছে গ্ৰন্থৰ বিপণী, পৰম্পৰাগত খাদ্য আৰু বস্ত্ৰৰ বিপণী, হস্তনিৰ্মিত সামগ্ৰীৰ বিপণী। অসমৰ প্ৰথমখন ঠাই শদিয়াৰ লগতে কাষৰীয়া অৰুণাচল প্ৰদেশৰ প্ৰাকৃতিক শোভা, সমাজ-সংস্কৃতিৰ সান্নিধ্য জীপাল হৈ পৰিব জিয়া নৈৰ পাৰ, একপ্ৰকাৰ উৎসৱমুখৰ হৈ পৰিব শান্তিপুৰ অঞ্চল। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ লগতে সাহিত্য-সংস্কৃতিপ্ৰিয় ৰাইজৰ উপস্থিতি কামনা কৰিছে শদিয়া লিটাৰেচাৰ ফেষ্টিভেলৰ আহ্বায়ক তথা চাবুৱাৰ ডি ডি আৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক লক্ষ্মীনন্দন বৰগোহাঞি আৰু শদিয়া ইক' কেম্পৰ সমন্বয়ক তথা স্বত্বাধিকাৰী প্ৰাঞ্জল প্ৰতীম দত্তই।

# বহিঃৰাজ্যত কৰ্মৰত অসমৰ যুৱকৰ মৃত্যু

**অসম বাৰ্তা, বিজনী, ১৭ ফেব্ৰুৱাৰী ঃ** পুনৰ বহিঃৰাজ্যত কৰ্মৰত অসমৰ যুৱকৰ মৃত্যু। চিৰাং জিলাৰ বিজনী মহকুমাৰ অন্তৰ্গত ১নং বৰপথাৰৰ বৈকুণ্ঠপাৰাৰ এজন যুৱক বহিঃৰাজ্যত কৰ্মৰত মৃত্যুক হোৱাত শোকৰ ছাঁ পৰিছে বৰপথাৰ অঞ্চলত। মৃত্যু হোৱা যুৱকৰ নাম জুবিন নাথ (২৫)। জানিব পৰা মতে জুবিন নাথ বেংগালুৰুত অৱস্থিত এছ এল বি গ্ৰানিটেছ নামৰ টাইলচ নিৰ্মাণ উদ্যোগত কৰ্মৰত আছিল। শুকুৰবাৰে দিনৰ প্ৰায় ১১: ৩০ বজাত টাইলচ নিৰ্মাণ মেচিনত সংঘটিত এক দুৰ্ঘটনাত জুবিন নাথৰ কৰুণভাৱে নিহত হয়। অকালতে প্ৰাণ হেৰুওৱা জুবিন নাথে পিতৃ-মাতৃ, পত্নী আৰু এটি ওঁঠৰ মহিয়া কন্যা সন্তানক এৰি থৈ গৈছে। ঘৰৰ একমাত্ৰ উপাৰ্জনকাৰী যুৱকজনে আৰ্থিক দুৰৱস্থাৰ তাগিদাত বিগত বহাগ মাহত কৰ্মৰ সন্ধানত বেংগালুৰুলৈ গৈছিল। মৃত্যুৰ খবৰ পোৱাৰ পিছতে পৰিয়ালটোত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। এই শোকাৱহ ঘটনাই বৰপথাৰ অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰিছে। ঘটনা সংক্ৰান্তত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়, চিৰাং জিলা জেষ্ঠ্য আৰক্ষী অধীক্ষক, বিজনী মহকুমা আৰক্ষী বিষয়াসহ এটা আৰক্ষীৰ দল মৃত যুৱকজনৰ বাসগৃহত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে খা-খবৰ লয়। ইফালে দেওবাৰে যুৱক জনৰ নশ্বৰদেহ স্বগৃহত উপস্থিত হোৱাত ঘৰখনত শোকাকুল পৰিবেশ বিৰাজ কৰে। আনহাতে দুপৰীয়াৰ ভাগত ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেচনৰ এটা সজাতি দল পৰিয়ালটোৰ কাষত উপস্থিত হৈ সমবেদনা জনোৱাৰ লগতে পৰিয়ালটোক উচিত ক্ষতিপূৰণ দিয়াৰ দাবী উত্থাপন কৰে। ডিৱাইএফআইৰ ৰাজ্যিক সম্পাদক নিৰংকুশ নাথ, জিলা সম্পাদক শুভঙ্কৰ ঘোষ বিজনী আঞ্চলিক সভাপতি বিপ্লৱ ঘোষ, আঞ্চলিক সদস্য পংকজ কুণ্ড আৰু শ্ৰমিক নেত্ৰী সংগীতা দাস উপস্থিত হৈ জুবিন নাথৰ পৰিয়ালক উচিত ক্ষতিপূৰণ প্ৰদান কৰা, পৰিবাৰক এটা চাকৰি প্ৰদান কৰাৰ বাবে দাবী জনায়। ওঁঠৰ মহীয়া শিশু পিতৃ হাৰা পোৱালিটোৰ ভৰণপোষণৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি চাকৰি নিশ্চিত কৰাৰ লগতে প্ৰয়াত জুবিন নাথৰ কাম কৰা কোম্পানীৰ ফালৰপৰা পাব লগা ক্ষতিপূৰণ আৰু অন্যান্য সা-সুবিধা সমূহ যাতে নিয়াৰিকৈ পায় চৰকাৰে সেয়া নিশ্চিত কৰিব লাগে বুলি দাবী উত্থাপন কৰে সংগঠনটোৱে। ইয়াৰোপৰি বহিঃ ৰাজ্যত কৰ্ম কৰা শ্ৰমিক সকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বহিঃ ৰাজ্যত কৰ্মৰত যুৱক সকলৰ পঞ্জীয়ন নিশ্চত কৰাৰ দাবীটো অতি প্ৰাসংগিক হৈ পৰিছে বুলি কয় সংগঠনটোৱে।

# ডুমডুমাৰ ৰজাগড় বাইপাচত মৃতদেহ লৈ ক্ষুব্ধ ৰাইজৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৭ ফেব্ৰুৱাৰী ঃ** এটা পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি হঠাৎ উত্তপ্ত হৈ পৰিছে ডুমডুমাৰ ৰজাগড় অঞ্চল। কালি সন্ধিয়া ৰজাগড়ৰ বাইপাছত এখন তীব্ৰ বেগী মটৰ চাইকেলৰ খুণ্ডাত ৰজাগড় অঞ্চলৰ ক্ষীৰোদ নেওগ নামৰ এজন লোকৰ মৃত্যু হয়। মৃতকৰ পৰিয়ালক উচিত ক্ষতিপূৰণ প্ৰদান কৰা আৰু দুৰ্ঘটনাপ্ৰবল এলেকাটোত গতিৰোধক দিয়াৰ দাবীত আজি স্থানীয় ৰাইজে নিহত ক্ষীৰোদ নেওগৰ মৃতদেহটো ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত ৰাখি পথটো অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে। জিলা প্ৰশাসনে তেওঁলোকৰ দাবী সম্পৰ্কে প্ৰতিশ্ৰুতি প্ৰদান নকৰা পৰ্যন্ত প্ৰতিবাদ অব্যাহত থাকিব বুলি প্ৰতিবাদী ৰাইজে জানিবলৈ দিছে। পথ অৱৰোধৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথটোৰ দুয়োদিশে শ শ যান বাহন আৱদ্ধ হৈ পৰিছে।

# পুনৰ অৰুণাচলত অসমৰ শ্ৰমিকৰ ওপৰত নিৰ্যাতনৰ ঘটনা

**অসম বাৰ্তা, মাকুম, ১৭ ফেব্ৰুৱাৰী ঃ** চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত অসমৰ শ্ৰমিকৰ ওপৰত নিৰ্যাতন চলোৱা এক জ্বলন্ত ঘটনা পোহৰলৈ আহিছে। তিনিচুকীয়া জিলাৰ সমাজ সেৱক মনোজ ধানোৱাৰৰ নেতৃত্বত আজি এটা যুৱকৰ দলে মাকুমৰ ৰেল আলিৰ পৰা প্ৰাণৰ ভয়ত অৰুণাচল প্ৰদেশৰ পৰা পলাই অহা এজন যুৱকক মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰে। ঘটনাৰ বিৱৰণী অনুসৰি, তিনিচুকীয়া জিলাৰ জাগুনৰ টিৰাপ গেট অঞ্চলৰ পৰা প্ৰায় তিনি মাহ পূৰ্বে "টাই বাট" নামৰ এজন লোকে প্ৰায় ১২জন শ্ৰমিকক কামৰ প্ৰলোভন দি অৰুণাচল প্ৰদেশৰ আনিনিলৈ লৈ গৈছিল। পৰৱৰ্তী সময়ত তেওঁলোকক ৰাজমিস্ত্ৰীৰ যোগালী হিচাপে কামত নিয়োজিত কৰা হৈছিল। প্ৰথম অৱস্থাত সকলো ভালদৰে আছিল যদিও প্ৰায় তিনি মাহ যোৱাৰ পাছত শ্ৰমিকসকলক কোনোধৰণৰ মজুৰি প্ৰদান নকৰা, তাৰ বিপৰীতে ভয়-ভাবুকি প্ৰদান কৰি তেওঁলোকক স্ব-গৃহলৈ উভতি যাব নোৱাৰাকৈ আনিনিতেই আবদ্ধ কৰি ৰখা হৈছে আৰু ইয়াৰ লগতে উদ্ধাৰ কৰা যুৱক ৰাজু তাঁতী(২২)য়ে মই কোনোমতে এখন ট্ৰাকত উঠি পলাই আহিছোঁ যদিও হাতত ধন নথকাৰ বাবে অৰুণাচল প্ৰদেশৰ ৰয়িঙৰ পৰা প্ৰায় ১০০ কিলোমিটাৰ বাট খোজেৰে আহি মাকুম পালোহি বুলি বৰ্ণনা কৰে। উল্লেখযোগ্য যে, অসমৰ পৰা জীৱিকাৰ সন্ধানত বহিঃৰাজ্যত কৰ্মসূত্ৰে যোৱা শ্ৰমিক নিৰ্যাতনৰ ঘটনা কোনো নতুন নহয়। শেহতীয়াকৈ অৰুণাচলৰ আঞ্জাৱ জিলাত ডাম্পাৰ দুৰ্ঘটনাত তিনিচুকীয়া গেলাপুখুৰী চাহবাগিচাৰ কেইবাজনো শ্ৰমিকৰ মৃত্যু হোৱাৰ লগতে কেৰেলাতো চাৰিজন শ্ৰমিকৰ মৃত্যুৰ ঘটনা সংঘটিত হৈছিল। এইবাৰ পুনৰ অনুৰূপ ঘটনা সংঘটিত হৈছে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত। বৰ্তমান যুৱকজনক মনোজ ধানোৱাৰৰ নেতৃত্বৰ যুৱকৰ দলটোৱে তিনিচুকীয়া চিকিৎসাৰ মহাবিদ্যালয়ত ভৰ্তি কৰা হৈছে। চুবুৰীয়া ৰাজ্যত শ্ৰমিকৰ নিৰ্যাতনৰ ঘটনাটোৱে ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে অৰুণাচল প্ৰদেশৰ আনিনিত আবদ্ধ হৈ থকা আন ১১জন শ্ৰমিক উদ্ধাৰ কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰে কি পদক্ষেপ গ্ৰহণ কৰিব তাৰ প্ৰতি লক্ষ্মীয় হ'ব। বাৰে বাৰে বহিঃৰাজ্যত শ্ৰমিকৰ ওপৰত নিৰ্যাতন বা মৃত্যু হোৱা ঘটনাবোৰে অসমবাসীৰ বাবে চিন্তনীয় বিষয় হৈ পৰিছে।

মৃদংগীয়া শিল্পী চন্দ্ৰ কান্ত দাসক সম্বৰ্ধনা

# মাজুলী টুনী উজ্জীৱিত দাবী সমিতিৰ সম্বৰ্দ্ধনা সভা



**অসম বাৰ্তা, মাজুলী, ১৭ ফেব্ৰুৱাৰী ঃ** মাজুলী টুনী পুনঃউজ্জীৱিত দাবী সমিতিৰ "আমি আগবাঢ়ি যাওঁ বলক কাৰ্যসূচীৰে" ঐতিহাসিক টুনী নদীৰ পাৰত অৱস্থিত বুঢ়া শেনচোৱা গাঁৱত এখনি সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত, ২০২৬ চনৰ বাবে অসম চৰকাৰৰ শিল্পী বঁটা প্ৰাপক মায়ামৰা মৃদঙ্গীয়া শিল্পী চন্দ্ৰ কান্ত দাস দেৱক সম্বৰ্দ্ধনা জনোৱা হয়। স্মৰ্তব্য যে, চন্দ্ৰ কান্ত দাস দেৱ মায়ামৰা আদ্যেশ্বৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ কৃত ভক্তি মাৰ্গৰ সেৱক আৰু যোৱা কুৰি বছৰ ধৰি গুৰুজনাৰ দ্বাৰা প্ৰচাৰিত মৃদঙ্গীয়া গায়নৰ চৰ্চা কৰি আহিছে। দাসদেৱে অসমৰ বিভিন্ন প্ৰান্তত মৃদঙ্গৰ মালিতাই ভকত সকলৰ অন্তৰ ভক্তি ৰসেৰে আপ্লুত কৰাই নহয় সুদুৰ আগৰতলাতো এই বাদ্যৰ প্ৰদৰ্শন আগবঢ়াইছিল। বৰ্তমান তেখেতে বহু শিষ্যক প্ৰশিক্ষণ দি মাজুলীত এচাম নতুন শিল্পী সৃষ্টি কৰাত আত্মনিয়োগ কৰি আহিছে। সভাত টুনী উজ্জীৱিত দাবী সমিতিৰ সভাপতি ড° ৰাজেন চন্দ্ৰ বৰাই সমিতিৰ হৈ শিল্পী গৰাকীক এখন অংগবস্ত্ৰৰে সম্বৰ্ধনা জনাই শিল্পী গৰাকীৰ কৰ্মৰাজিৰ বিষয়ে অৱলোকন কৰি আপুৰুগীয়া সাংস্কৃতিক সম্পদ সমূহত নৱপ্ৰজন্মক আকৰ্ষিত কৰিব পৰাকৈ আত্মনিয়োগ কৰাৰ আহ্বান জনায়। অনুষ্ঠানটোত সহযোগিতা আগবঢ়াই উপ-সভাপতি অনন্ত ঙাটে আৰু যুটীয়া সম্পাদক বিষ্ণু দাসে। সভাখনিৰ আঁত ধৰে যুটীয়া সম্পাদক দীপক দাসে। সমিতিয়ে ৰূপায়ণ কৰা "আমি আগবাঢ়ি যাওঁ বলক" কাৰ্যসূচীত টুনী নৈপৰীয়া ৰাইজৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। এনে কাৰ্যসূচীয়ে মাজুলীৰ ধমনী স্বৰূপ টুনী উজ্জীৱিত কৰাৰ ক্ষেত্ৰত নৈপৰীয়া ৰাইজ সচেতন হ'ব আৰু জনসমৰ্থন লাভ হ'ব বুলি মাজুলীৰ সচেতন মহলে আশা প্ৰকাশ কৰে।

# দলনি চামগুৰি সত্ৰৰ গোলাপী বৰাৰ মৃত্যু

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ ফেব্ৰুৱাৰী ঃ** মাজুলীৰ দলনি চামগুৰি সত্ৰ নিবাসী, বনগাঁও বালিকা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মঞ্জুজ্যোতি বৰাৰ মাতৃ, সৰবৰহী আদৰ্শ মহিলা গোলাপী বৰাৰ (৮৪) ১৫ ফেব্ৰুৱাৰীৰ পূৱতি নিশা প্ৰায় ৪.২৫বজাত বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত মৃত্যু হয়। পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে, যোৱা অক্টোবৰ মাহৰ পৰা তেওঁ অসুস্থ হৈ চিকিৎসাধীন হৈ আছিল আৰু প্ৰায় এসপ্তাহৰ পৰা তেওঁৰ অসুখ জটিল হৈ কালি শেষ নিশ্বাস ত্যাগ কৰে। এসময়ৰ মাজুলী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক আৰু সভাপতিৰ আসন অলংকৃত কৰা প্ৰয়াত পদ্মধৰ বৰাৰ পত্নী মহিলা গৰাকীয়ে স্বামীৰ মৃত্যুৰ পিছত এমা ডিমা ৬টিকৈ সন্তানক উচ্চশিক্ষাৰে শিক্ষিত কৰি সমাজত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল আৰু নিজেও সমাজৰ বিভিন্ন কামত অংশগ্ৰহণ কৰি বৰঙণি যোগাইছিল। আজি পুৱা তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অগণন গুণমুগ্ধ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ মৃত্যুৰ সময়ত ৩জন পুত্ৰ-বোৱাৰী, ৩গৰাকী কন্যা-জোৱাই, নাতি-নাতিনী ইহ সংসাৰত এৰি যায়।

# দৰঙত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আগ্নেয়াস্ত্ৰ জমা দিবলৈ আদেশ

**অসম বাৰ্তা, দেওমৰনৈ, ১৭ ফেব্ৰুৱাৰী ঃ** আগন্তুক বিধানসভা নিৰ্বাচন দৰং জিলাত শান্তিপূৰ্ণ আৰু শৃংখলবদ্ধভাৱে অনুষ্ঠিত কৰাৰ স্বাৰ্থত আৰু জিলাখনত শান্তি আৰু শৃংখলা বজাই ৰাখিবলৈ দৰঙৰ জিলা দণ্ডাধীশ পূবালী গোহাঁয়ে এক আদেশ যোগে জনাইছে যে, দৰং জিলাৰ ভিতৰত থকা সকলো অস্ত্ৰ অনুজ্ঞাপত্ৰধাৰী ব্যক্তিয়ে তেওঁলোকৰ অনুজ্ঞাপ্ৰাপ্ত আগ্নেয়াস্ত্ৰ আৰু গুলী তৎক্ষণাৎ ওচৰৰ আৰক্ষী থানাত জমা দিব লাগিব। আগ্নেয়াস্ত্ৰ জমা দিয়াৰ পাছত অনুজ্ঞাপত্ৰধাৰী সকলে সংশ্লিষ্ট আৰক্ষী থানাৰ পৰা এখন স্বীকৃতি ৰচিদ ল'ব লাগিব। নিৰ্বাচনৰ পাছত আগ্নেয়াস্ত্ৰ ঘূৰাই লোৱাৰ সময়ত এই ৰচিদ আৱশ্যক হ'ব। উল্লেখ্য যে, দৰং জিলাৰ বন বিভাগৰ চৰকাৰী কৰ্তব্য পালনৰ বাবে ব্যৱহৃত সকলো আগ্নেয়াস্ত্ৰ আৰু গুলীৰ ক্ষেত্ৰত এই আদেশ প্ৰযোজ্য নহ'ব। তদুপৰি বেংক, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু আন আৰ্থিক প্ৰতিষ্ঠানৰ নিৰাপত্তাৰ বাবে নিযুক্ত অনুজ্ঞাপত্ৰধাৰীসকলৰ অস্ত্ৰ আৰু গুলী এই আদেশৰ পৰা অব্যাহতি পাব, যদিহে সংশ্লিষ্ট প্ৰতিষ্ঠানে সংশ্লিষ্ট আৰক্ষী থানাত নিৰাপত্তাৰ বাবে এই অস্ত্ৰৰ প্ৰয়োজনীয়তা নিশ্চিত কৰাৰ বৈধ নথি দাখিল কৰে। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ কাৰ্যালয়সমূহৰ নিৰাপত্তাৰ বাবে নিযুক্ত অনুজ্ঞাপত্ৰধাৰীসকলৰ অস্ত্ৰ আৰু গুলী এই আদেশৰ পৰা অব্যাহতি পাব। দৰং জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকে প্ৰয়োজন বুলি বিবেচনা কৰিলে, তেনেক্ষেত্ৰত তেওঁৰ বিবেচনাত অব্যাহতি প্ৰদান কৰিব পাৰিব। এই আদেশ অমান্য কৰিলে ভাৰতীয় ন্যায় সংহিতা (BNS)ৰ ধাৰা ২২৩, অস্ত্ৰ আইন, ১৯৫৯ৰ ধাৰা ২৭(১) আৰু প্ৰযোজ্য আন আইনসমূহৰ অধীনত আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত আৰু আচৰণবিধি উঠাই লোৱাৰ পাছত, লগতে অস্ত্ৰ অনুজ্ঞাপত্ৰ সময়মতে নবীকৰণ কৰা থকা অৱস্থাত, সংশ্লিষ্ট আৰক্ষী থানাই অনুজ্ঞাপত্ৰধাৰীসকলক তেওঁলোকৰ আগ্নেয়াস্ত্ৰ আৰু গুলী ঘূৰাই দিব। এই আদেশ তৎকালীনভাৱে জাৰি কৰা হৈছে আৰু পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বলবৎ থাকিব।

# তিনি মাৰ্চৰ পৰা লেটকুবাৰী দখলেং পাহাৰত পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব দৌল উৎসৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৭ ফেব্ৰুৱাৰী ঃ** দুধনৈ সমজিলাৰ জিলাৰ অন্তৰ্গত কাচাদল লেটকুবাৰী দখলেং পাহাৰত "ৰাম মন্দিৰ পূজা কমিটি"ৰ উদ্যোগত ৩ মাৰ্চৰ পৰা ৭ মাৰ্চলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব দৌল উৎসৱ। দৌল উৎসৱ পৰিচালনা সমিতিৰ সভাপতি দুলাল ৰাভা আৰু সম্পাদক প্ৰণৱ ৰাভাই জানিবলৈ দিয়া মতে, কাৰ্যসূচী মৰ্মে ৩ মাৰ্চত জল আহৰণেৰে দৌল উৎসৱৰ শুভাৰম্ভ কৰাৰ লগতে প্ৰভু ৰামচন্দ্ৰৰ পূজা আৰম্ভ কৰা হব। প্ৰতিদিনেই পৰম্পৰাগত নীতি নিয়মৰ মাজেৰে পূজা অৰ্চনা, আৰতি, আমন্ত্ৰিত দলৰ দ্বাৰা নামপ্ৰসংগ অনুষ্ঠিত কৰা হব। এই মন্দিৰত মহাপ্ৰভু ৰামচন্দ্ৰৰ উপৰিও ৰামভক্ত হনুমান আৰু লাঙাঠাকুৰক (শিৱক) পূজা কৰা হয়। উল্লেখযোগ্য যে ঐতিহাসিক সমলেৰে ভৰা এই দখলেং পাহাৰৰ পৰাই হেনো প্ৰভু ৰামচন্দ্ৰই এটা প্ৰকাণ্ড শিলত বহি ওচৰৰে গৰ্খ পাহাৰত লুকাই থকা তাৰকা ৰাক্ষসীক ধনুশৰ নিক্ষেপ কৰি হত্যা কৰিছিল বুলি এক জনবিশ্বাস আছে। প্ৰকাণ্ড শিলাখণ্ডত বহি ধনুশৰ নিক্ষেপ কৰা ভগবান ৰামচন্দ্ৰৰ পদযুগলৰ চিহ্ন আছে। আজিও লেটকুবাৰীৰ ৰাইজে সুন্দৰকৈ এই চিহ্ন সুন্দৰকৈ সংৰক্ষণ কৰি ৰাখিছে। অকলযে ৰামচন্দ্ৰৰ পদযুগলৰ চিহ্ন আছে তেনে নহয় এই পাহাৰত থকা শিলাখণ্ড সমূহত ৰামভক্ত জটায়ু পক্ষীৰ ভৰিৰ খোজ, বাঘৰ খোজ, ৰামভক্ত হনুমানৰ অৱস্থিতি আৰু বাৰিষা খৰালি শিলাখণ্ডৰ মাজত কোনোকালে নুশুকুৱা পানী আছে বুলি ৰাইজে জানিবলৈ দিয়ে। ইয়াৰ উপৰিও পূজা কমিটিয়ে পাহাৰখনত বহুসংখ্যক তামৰ পাত্ৰ উদ্ধাৰ কৰিছে। প্ৰচাৰ আৰু প্ৰসাৰৰ অভাৱত এই পাহাৰখনে এতিয়াও সৰ্বজনবিদিত হোৱা নাই। এই পাহাৰ খনক লৈ গাৰো জনগোষ্ঠীৰ সৈতে ৰাভা ৰাইজৰ এক দীৰ্ঘদিনীয়া সংঘাত আছে। যদি প্ৰত্নতত্ত্ব বিভাগে পাহাৰ খনত খনন চলায় তেতিয়া হয়টো বহুত কথাই পোহৰলৈ আহিব। পূজা পৰিচালনা সমিতিয়ে এই পাঁচদিনীয়া কাৰ্যসূচীত উপস্থিত থাকি সহায় সহযোগিতাৰে সৰ্বাংগসুন্দৰ কৰি তুলিবলৈ অঞ্চলবাসী ৰাইজক আহ্বান জনাইছে।

চৰাইদেউ জিলাৰ বিশিষ্ট কবি কৃষ্ণকায় মাঝিক 'ন-দিহিং কাব্যজ্যোতি বঁটা-২০২৫' প্ৰদান

# কবিতাৰ বনভোজ অনুষ্ঠানত যুৱ কবি বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই আৰু কবি বৰ্ণালী বড়াক 'ন-দিহিং কাব্য বঁটা - ২০২৫' প্ৰদান



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৭ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ পৰা প্ৰকাশ পোৱা মাহেকীয়া কাব্যালোচনী 'ন-দিহিং'এ ১৫ ফেব্ৰুৱাৰী দেওবাৰে ড° ভূপেন হাজৰিকা সেতুৰ সমীপৰ বোকাপথাৰ গাঁৱত মুকলি আকাশৰ তলত অনুষ্ঠিত কৰা 'কবিতাৰ বনভোজ' অনুষ্ঠানত ন-দিহিং কাব্য বঁটা প্ৰদান কৰে। আৰম্ভণিতে ন-দিহিং কাব্যলোচনীৰ উপদেষ্টা ড° মীনা দেৱী বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰে। পৰৱৰ্তী সময়ত ন-দিহিং কাব্যলোচনীৰ প্ৰথমবাৰৰ বঁটা প্ৰাপক কবি প্ৰণতি বৰুৱাই কিছু কথা অৱগত কৰে। মৰাণৰ বিশিষ্ট কবি ড° যতীন কোঁৱৰে কবিতা লিখা আৰু কবিতা সম্বন্ধে ব্যাখ্যা আগবঢ়ায়। লেখক, প্ৰবন্ধকাৰ বীৰ্কে বাহাদুৰ থাপাই আধুনিক কবিতাৰ সম্পৰ্কে অৱলোকন কৰে। অনুষ্ঠানত 'নিজানত নিজকে', 'ভ্ৰমৰ ভ্ৰমণ', 'আইৰণিকেল' আৰু 'ব্যঞ্জনবাদ' আদি কাব্যগ্ৰন্থৰ যুৱ কবি বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই আৰু 'মৌপ্ৰিয়াৰ বিষাদ ৰাগিণী', 'নিৰ্ভাবনা' কাব্যগ্ৰন্থৰ যুৱ কবি বৰ্ণালী বড়াক 'ন-দিহিং কাব্য বঁটা-২০২৫' প্ৰদান কৰা হয়। আনহাতে, 'সুহৃদৰ হাত', 'এচপৰা ৰূপালী ডাৱৰ' কাব্যগ্ৰন্থৰ স্ৰষ্টা অসমৰ বিশিষ্ট কবি কৃষ্ণকায় মাঝিক 'ন-দিহিং কাব্যজ্যোতি বঁটা-২০২৫' প্ৰদান কৰা হয়। ইয়াৰ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ বৰঙনি আগবঢ়োৱা ডুমডুমাৰ শিক্ষক দিগন্ত কুমাৰ ভাজনী, মাকুমৰ সমাজ সংগঠক বিনোদ চুতীয়া, মাইঠঙৰ সমাজসেৱক বিপুল ফুকন, ডিগবৈৰ কবি দ্বীপেন কুমাৰ বড়া আৰু কাকপথাৰৰ কণ্ঠশিল্পী সংগীতা হাজৰিকা চুতীয়াক 'ন-দিহিং'ৰ বিশেষ সম্বৰ্ধনা আগবঢ়ায়। এই অনুষ্ঠানত মৰাণৰ নৱনীতা লেখাৰু, মৃদুল গগৈ, শিৱসাগৰৰ প্ৰাঞ্জল আবিৰ দাস, ধেমাজিৰ জ্যু চেং অই চাংমাই, কাকপথাৰৰ ডাং অজিত কুমাৰ বৰুৱা, অল্পনা দলৈ ভূএগ্ৰা, ক্ষীৰদা সোণোৱাল, প্ৰিন্সমণি ভূএগ্ৰা, বৰডু মছাৰ নৱজ্যোতি তামোলী, নামচাইৰ ময়ূৰী টাইৰাই, তাল পথাৰৰ মণ্টু মৰাণ, ডাঙৰীৰ ধ্ৰুৱজ্যোতি শইকীয়া, ৰূপাই চাইডিঙৰ দীপা দত্ত ভাজনী, বৰ-মাইঠঙৰ মণ্টু সোণোৱাল আদিয়ে কবিতা কবিতা পাঠ কৰে। অনুষ্ঠানত সংগীতা হাজৰিকা চুতীয়াই দুটা আধুনিক গীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে।

# বোধেশ্বৰ গঁড়ৰ ন্যায়ৰ প্ৰতিবাদত আজি প্ৰতিবাদী কাৰ্যসূচী আদিবাসী ছাত্ৰ সন্থাৰ




**অসম বাৰ্তা, জিনজিয়া, ১৭ ফেব্ৰুৱাৰী ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা বিশ্বনাথ জিলা সমিতি আৰু বিহালী আঞ্চলিক সমিতিৰ উদ্যোগত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য ডিগবৈৰ মাজমজিয়াত সাপ্তাহিক বজাৰৰ পৌৰসভাৰ চাফাই কৰ্মী বোধেশ্বৰ গঁড়ৰ হত্যা ন্যায়ৰ দাবীত আজি আদিবাসী ছাত্ৰ সন্থাই বিহালী সমজিলা কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে আৰু সমজিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰি, বোধেশ্বৰ গঁড়ৰ হত্যা ন্যায় আমাক লাগিবই, হত্যাকাৰীক ফাচি দিয়ক আদি শ্লোগান বৰগাং আকাশ বতাহ কঁপাই তোলে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন